Indira Gandhi National Open University
School of Humanities

BAALA-135
Modern Indian Language-Assamese

Block
2

Select pieces of Assamese literature

UNIT-I
Selected verses from ancient Assamese literature (from Madhava Kandali's Ramayana) 71-82

UNIT-II
One-act play: *Bhojanbehar naat* by Madhavdeva 83-95

UNIT-III
Essay: "Englandor Bivaran" by Anandaram Dhekial Phukan 96-111

UNIT-IV
A non-fictional writing from Lakshminath Bezbaroa 112-122

UNIT-V
Poem: "Sagar Dekhisa" by Devakanta Barua 123-135

UNIT-VI
A short story by Yeshe Dorjee Thongchi 136-148

BLOCK INTRODUCTION

খণ্ড-২ (অসমীয়া সাহিত্যৰ নিৰ্বাচিত পাঠ)ঃ

ইয়াত সৰ্বমুঠ ছটা খণ্ড আছে। অসমীয়া সাহিত্যৰ কল্পনাশ্ৰয়ী আৰু কল্পনা বৰ্জিত সাহিত্যৰ নিৰ্বাচিত পাঠৰ আভাস শিকাৰুসকলক দিয়াটোৱেই এই খণ্ডৰ উদ্দেশ্য। পাঠসমূহ ক্ৰম অনুসৰি সজোৱা হৈছে।

Block 2 (Select pieces of Assamese Literature) :

has six units in total and it gives the learner a sense of the development of both fictional and non-fictional writings in Assamese literature. An effort has been made to discuss the texts in different units in a chronological order.

ignou
THE PEOPLE'S
UNIVERSITY

খণ্ড-২ গোট-I ঃ প্ৰাচীন অসমীয়া সাহিত্যৰ নিৰ্বাচিত কাব্যাংশ (মাধৱ কন্দলিৰ ৰামায়ণৰ পৰা) [Select Verses of Ancient Assamese Literature(from Madhava Kandali's Ramayana)]

গাঁথনি

২.১.১ পাতনি
২.১.১.১ পৰিচয়
২.১.১.২ উদ্দেশ্যাৱলী
২.১.২ নিৰ্বাচিত পাঠ অংশৰ মূল পাঠ
২.১.৩ কবি পৰিচয়
২.১.৪ কাব্যাংশৰ ভাবাৰ্থ বিচাৰ
২.১.৫ কাব্যাংশৰ কাব্যিক সৌন্দৰ্য
২.১.৬ শব্দ টোকা
২.১.৭ অনুশীলনী
২.১.৭.১ বোধজ্ঞান অনুশীলনী
২.১.৭.২ বৈয়াকৰণিক অনুশীলনী
২.১.৭.৩ পঠন অনুশীলনী
২.১.৭.৪ লিখন অনুশীলনী
২.১.৮ উত্তৰ সংকেত
২.১.৯ অতিৰিক্ত পঠন উপদেশ

২.১.১ পাতনি

২.১.১.১ পৰিচয়

আপোনালোকে ইতিপূৰ্বে প্ৰথম খণ্ডৰ দ্বিতীয় গোটত অসমীয়া সাহিত্যৰ গতি-প্ৰকৃতি সম্পৰ্কে এটা সম্যক আভাস পাইছে। সেই আলোচনাতে আপোনালোকে নিশ্চয় মাধৱ কন্দলিৰ বিষয়েও কিছু কথা পাইছে। আপোনালোক নিশ্চয় অৱগত যে মাধৱ কন্দলি হৈছে শংকৰদেৱৰ পূৰ্ববৰ্তী কালৰ এগৰাকী অতি প্ৰতিভাশালী কবি আছিল। তেওঁ ৰামায়ণৰ আদি আৰু উত্তৰা কাণ্ডক বাদ দি মাজৰ পাঁচটা কাণ্ড অসমীয়ালৈ অনুবাদ কৰি ভাৰতীয় ৰামায়ণী সাহিত্যৰ ইতিহাসত কালজয়ী কীৰ্তি স্থাপন কৰি গৈছে; কাৰণ তেওঁ যেতিয়া ৰামায়ণ অনুবাদ কৰিছিল, তেতিয়া নব্য ভাৰতীয় আৰ্য ভাষাৰ অন্তৰ্ভুক্ত বাংলা, ওড়িয়া, মৈথিলী, হিন্দী আদি কোনো ভাষালৈকে ৰামায়ণ অনুবাদ হোৱা নাছিল। তেওঁ বৰাহী ৰজা মহামাণিক্যৰ পৃষ্ঠপোষকতা লাভ কৰা বুলি ভণিতাত উল্লেখ কৰি গৈছে। এই বৰাহী ৰজা মহামাণিক্যৰ পৰিচয় সম্পূৰ্ণকৈ প্ৰমাণ কৰিব পৰাকৈ তথ্যৰ অভাৱ যদিও অনুমান কৰা যায় যে কছাৰী গোষ্ঠীৰ এইগৰাকী ৰজাই চতুৰ্দশ শতিকাত মধ্য অসমত শাসন কৰিছিল। এনে অনুমানৰ লগতে শংকৰদেৱে নিজৰ ৰচনাত মাধৱ কন্দলিক 'পূৰ্ব্বকবি অপ্ৰমাদী' উল্লেখ কৰালৈ চাই তেওঁ যে শংকৰদেৱৰ পূৰ্বৰ কবি আছিল সেই কথা সিদ্ধান্ত কৰাৰ স্পষ্ট ভিত্তি আছে। পৰৱৰ্তী সময়ত মাধৱ কন্দলিৰ ৰামায়ণৰ সৈতে মাধৱদেৱে আদিকাণ্ড আৰু শংকৰদেৱে উত্তৰাকাণ্ড অনুবাদ কৰি সংযোগ কৰি সপ্তকাণ্ড ৰামায়ণক পূৰ্ণতা প্ৰদান কৰে। মাধৱ কন্দলিৰ নামত *দেৱজিত* নামৰ আন এখন কাব্যও পোৱা যায়। অৱশ্যে এই কাব্যখনৰ ভাষা মাধৱ কন্দলিৰ ৰামায়ণৰ ভাষাৰ স্তৰৰ নহয়। সেয়েহে এইখন মাধৱ কন্দলিৰ ৰচনা নহয় বুলি পণ্ডিতসকলে অনুমান কৰিছে। এই গোটত মাধৱ কণ্ডলিৰ ৰামায়ণৰ সুন্দৰাকাণ্ডৰ এটা অংশ তুলি ধৰা হৈছে। এই অংশটো মহেশ্বৰ নেওগে 'সঞ্চয়ন' নামৰ অসমীয়া কবিতাৰ নিৰ্বাচিত সংকলনটো সংকলন কৰোঁতে তাত অন্তৰ্ভুক্ত কৰিছিল। তদুপৰি কোৱা হয় যে সুন্দৰা কাণ্ডই হৈছে মাধৱ কন্দলিৰ ৰামায়ণৰ কাব্যিকভাৱে সুন্দৰ অংশ ('সুন্দৰাকাণ্ডত কিছু অসুন্দৰ নাই')। সেয়েহে এই অংশটো মাধৱ কন্দলিৰ ৰচনাৰ আভাস পাবৰ

বাবেহে নির্বাচন কৰা হৈছে। আশাকৰোঁ আপোনালোকে এই অংশটো পঢ়ি মাধৱ কন্দলিৰ সাহিত্যৰ সামগ্রিক ধাৰণা এটা কৰিবৰ বাবে অধিক অধ্যয়ন কৰিবলৈ অনুপ্রাণিত হ'ব।

২.১.১.২ উদ্দেশ্যাৱলী

১। শংকৰদেৱৰ পূর্বৱর্তী কবি হিচাপে মাধৱ কন্দলিৰ সাহিত্যৰ বিষয়ে আভাস দিয়া।
২। মাধৱ কন্দলিৰ সাহিত্যৰ মান সম্পর্কে এটা ধাৰণা দিয়া।
৩। মাধৱ কন্দলিৰ ৰামায়ণৰ সুন্দৰা কাণ্ডৰ সাহিত্যিক সৌন্দর্যৰ এটা আভাস দিয়া।

২.১.২ নির্বাচিত পাঠ অংশৰ মূল পাঠ

শঙ্খিনী চিত্রিণী নাৰী পদ্মিনী হস্তিনী আদি
ত্রিভূৱনে যতেক সুন্দৰী।
দিগবিজয়ত সাজি দেৱাসুৰ-ৰণে জিনি
লঙ্কেশ্বৰে আনি আছে হৰি।।
মন্ত্রী পাত্র সমস্তত সমর্পিয়া ৰাজ্যভাৰ
তেসম্বে সহিতে কৰে ক্রীড়া।
নাকত আঙ্গুলি দিয়া বোলন্ত পৱন সুতে
কিনো ভৈলা জগতৰ পীড়া।।
হৰি হৰি গোসানীৰ পৰিচয় নভৈলোহো
খুজি পাইবো কমন প্রকাৰে।
দেৱ-দেৱী-প্রসাদত ইঙ্গিতে জানিলো মই
পতিব্রতা-নাৰী ব্যৱহাৰে।।
এহি বিমৰিষ কৰি ডেৰ দিয়া পৰিলন্ত
সেনাপতি প্রহস্তৰ ঠাৰে।
তাত পাছে মহাপার্শ্ব- ওৰাৰি পশিলা গৈয়া
শবদ নকৰে যেন পাৰে।।
কুম্ভকর্ণ বীৰৰযে ওৰাৰি পশিলা বীৰ
আতি বৰ বহল বিস্তাৰ।
তৈতো সীতা গোসানীক খুজি-লুড়ি নপাইলন্ত
বিভীষণ-থানে পয়সাৰ।।
লোমবর্ণ অশ্বকর্ণ শঙ্কুকর্ণ ৰাক্ষসৰ
বিদ্যুজ্জিহ্ব হস্তীৰ বদন।
অর্দ্ধকেতু অর্দ্ধগ্রীৰ মত্তগ্রীৰ নিকুম্ভৰ
কুম্ভৰযে যতেক ভৱন।।
সৰাহৰে চাহিলন্ত পিণ্ড বাড়ী কয়ণ্টাত
খুজি-লুড়ি নপাইলা উদ্যানে।
খুপিৰ ভিতৰ পশি ৰন্ধন-শালাৰ ঘৰে
খুজিলন্ত নানাবিধ থানে।।
নাদ নামে নিশাচৰ শোণিতাক্ষ-ওৰাৰিত
খুজিলান্ত আতিশয় যত্নে।
তাত পাছে ৰাৱণৰ ওৰাৰি পশিলা গৈয়া
চতুর্ভিতি বেৰি জ্বলে ৰত্নে।।
আতি প্রীতিবন্ধে তাক বিশ্বকর্ম্মে নির্ম্মিলন্ত
সুৱর্ণ মাণিকে থানে থানে।

চন্দ্র আদিত্যক ধিক আতি বিতোপন জ্বলে
দেখিলন্ত বীৰ হনুমানে।।
ওৰাৰি মধ্যত চিত্ৰ থানে থানে দেখিলন্ত
আতি বৰ বিস্তাৰ গহীন।
নিৰ্ম্মল কমলসৰ পৰিমল বৃক্ষচয়
সুগন্ধিত বহয় পৱন।।

২.১.৩ কবি পৰিচয়

শংকৰদেৱৰ পূৰ্বৱৰ্তী কালৰ কবিসকলৰ ভিতৰত মাধৱ কন্দলিক শ্ৰেষ্ঠ কবি বুলি বহু প্ৰতিস্থিত সমালোচকে উল্লেখ কৰি গৈছে। তেওঁ অনুবাদ কৰা ৰামায়ণৰ লংকাকাণ্ডৰ অনুবাদত দিয়া আত্ম পৰিচয়মূলক ভণিতাত তেওঁ ববাহী ৰজা মহামাণিক্যৰ পৃষ্ঠপোষকতা লাভ কৰাৰ কথা জানিব পাৰি—

কবিৰাজ কন্দলি যে আমাকেসে বুলিৱয়,
কৰিলোহোঁ সৰ্ব্বজন বোধে।
ৰামায়ণ সুপয়াৰ শ্ৰীমহা মাণিকে যে,
ববাহ ৰাজাৰ অনুৰোধে।।

মহামাণিক্যৰ পৰিচয় সম্পৰ্কে প্ৰত্যক্ষ প্ৰমাণ বা তথ্য পাবলৈ নাই। কিন্তু তেওঁৰ নামৰ আগত ববাহী শব্দটো লাগি থকাৰ পৰাই অনুমান কৰিব পাৰি যে তেওঁ এগৰাকী কছাৰী ৰজা আছিল। মহেশ্বৰ নেওগে *কছাৰী বুৰঞ্জীত* উল্লেখ কৰা মহামানিফা নামৰ ৰজাগৰাকীয়েই মহামাণিক্য বুলি অনুমান কৰিছে। আনহাতে কনকলাল বৰুৱাই *Early History of Kamrupa* গ্ৰন্থত এখন শিলালিপিৰ প্ৰমাণ ডাঙি ধৰি কপিলি উপত্যকাৰ ৰজাসকলে মাণিক্য উপাধি লিখা বুলি মন্তব্য কৰিছে। এনেদৰে প্ৰাপ্ত পৰোক্ষ সাক্ষ্যৰ আধাৰত ববাহী ৰজা মহামাণিক্যই মধ্য অসমৰ নগাঁও অঞ্চলকে ধৰি ডিমাপুৰ-কাছাৰ সামৰি ৰাজত্ব কৰিছিল বুলি অনুমান কৰা হয়। তদুপৰি তেওঁ যে চতুৰ্দশ শতিকাৰ ব্যক্তি আছিল, সেয়াও বিভিন্ন তথ্যৰ আধাৰত অনুমান কৰা হৈছে। গতিকে মাধৱ কন্দলিয়ে মধ্য অসমত থাকি চতুৰ্দশ শতিকাত সাহত্য চৰ্চা কৰিছিল বুলি ভবা হয়।

মাধৱ কন্দলিয়ে 'সপ্তকাণ্ড ৰামায়ণ' অনুবাদ কৰা বুলি লংকা কাণ্ডৰ অনুবাদত উল্লেখ কৰিছে—

সাত কাণ্ড ৰামায়ণ পদ বন্ধে নিবন্ধিলো
লম্ভা পৰিহৰি সাৰোধৃত।
মহামাণিক্যৰ বোলে কাব্যৰস কিছো দিলোঁ
দুগ্ধক মথিলে যেন ঘৃত।।

কিন্তু তেওঁৰ ৰামায়ণত আদি আৰু অযোধ্যা কাণ্ড দুটা নাই। তেওঁৰ ৰামায়ণ আৰম্ভ হৈছে অযোধ্যা কাণ্ডত। তাৰ পাছতে আছে ক্ৰমে অৰণ্য কাণ্ড, কিষ্কিন্ধ্যা কাণ্ড, সুন্দৰা কাণ্ড আৰু লংকা কাণ্ড। বহুতে প্ৰথম আৰু শেষৰ কাণ্ড দুটা হেৰাল বা নষ্ট হ'ল বুলি ক'ব বিচাৰে যদিও এই দুটা তেওঁ অনুবাদেই কৰা নাছিল বুলি ভবাৰ সপক্ষেহে যুক্তি প্ৰবল। কাৰণ তেওঁ লংকা কাণ্ডতে নিজৰ নামত ভণিতা পেলাইছে। ই প্ৰমাণ কৰে যে লংকা কাণ্ডলৈকেহে তেওঁ হয়তো ৰামায়ণ অনুবাদ কৰিছিল। তদুপৰি 'ৰামায়ণ' শব্দটিৰ গঠনেও তাৰে ইংগিত দিয়ে। ৰাম + অয়ন, ইয়াৰ অৰ্থ হ'ব পাৰে ৰামৰ অয়ন বা পৰ্যটন। ৰামৰ পৰ্যটন বনলৈ যোৱাৰ পৰা ৰজা হোৱালৈ বুলি ধৰিলে অযোধ্যা কাণ্ডত আৰম্ভ হৈ লংকাকাণ্ডতে ৰামায়ণ সামৰাৰ সপক্ষে যুক্তি পোৱা যাব। মূল ৰামায়ণৰো বালকাণ্ড বা আদিকাণ্ড আৰু উত্তৰাকাণ্ড প্ৰক্ষিপ্ত বুলি পণ্ডিতসকলে ক'ব বিচাৰে। গতিকে 'সপ্তকাণ্ড ৰামায়ণ' কথাষাৰ কোনোবা লিপিকাৰে পাছত লগাই দিয়া হ'ব পাৰে।

মাধৱ কন্দলি যে অসাধাৰণ প্ৰতিভাসম্পন্ন কবি আছিল সেই কথা শংকৰদেৱে কৰা এষাৰ মন্তব্যৰ পৰাই অনুমান কৰিব পাৰি। 'উত্তৰাকাণ্ড'ত শংকৰদেৱে মাধৱ কন্দলিৰ বিষয়ে উল্লেখ কৰিছে—

পূৰ্ব্বকবি অপ্ৰমাদী মাধৱ কন্দলি আদি
বিৰচিলা পদে ৰাম কথা।
হস্তীৰ দেখিয়া লাদ শশা যেন ফাৰে মাৰ্গ
মোৰ ভৈল তেহ্নয় অৱস্থা।।

—ইয়াত শংকৰদেৱে মাধৱ কন্দলিক 'পূৰ্ব্বকবি' সকলৰ ভিতৰত 'অপ্ৰমাদী' বুলি উল্লেখ কৰিছে। অপ্ৰমাদী শব্দই প্ৰমাদবিহীন অৰ্থাৎ অতি আদৰ্শ তথা উত্তম স্তৰৰ অৰ্থ নিৰ্দেশ কৰে। শংকৰদেৱৰ এই বৰ্ণনাতে উপমা হিচাপে নিজকে শহা আৰু মাধৱ কন্দলিক হস্তীৰ লগত তুলনা কৰিছে। হাতীৰ লাদ দেখি শহাই ভীৰাই লৰ মৰাৰ দৰে তেওঁৰো অৱস্থা হোৱা বুলি মন্তব্য কৰিছে। ইয়ে প্ৰমাণ কৰে যে শংকৰদেৱৰ দৰে যুগস্ৰস্তা অসমীয়া কবিৰ বাবেও মাধৱ কন্দলি আছিল আদৰ্শ কবি।

আত্মমূল্যয়নৰ প্ৰশ্ন ঃ

১। মাধৱ কন্দলি কোন শতিকাৰ কবি?

.....

.....

২। মাধৱ কন্দলিয়ে কাৰ পৃষ্ঠপোষকতা লাভ কৰিছিল?

.....

.....

৩। মাধৱ কন্দলিক কোনে অপ্ৰমাদী কবি বুলি অভিহিত কৰিছিল?

.....

.....

৪। মাধৱ কন্দলিৰ ৰামায়ণত নথকা কাণ্ড দুটা কি কি?

.....

.....

২.১.৪ কাব্যাংশৰ ভাবাৰ্থ বিচাৰ

'ৰামায়ণৰপৰা' কবিতাটো এটা স্বয়ংসম্পূৰ্ণ কবিতা নহয়। মাধৱ কন্দলি ৰচিত ৰামায়ণৰ 'সুন্দৰাকাণ্ড'ৰ এটা সামান্য অংশক 'ৰামায়ণৰপৰা' নামেৰে পাঠ্য কবিতা হিচাপে নিৰ্বাচন কৰা হৈছে। এই অংশটোত হনুমানে সীতাৰ সন্ধানত লংকাত গৈ মুখামুখি হোৱা বিভিন্ন পৰিস্থিতিৰ ৰেঙণি পোৱা যায়। সীতা প্ৰকৃততে লংকাত আছেনে নাই তাৰ বুজ ল'বলৈ হনুমান সাগৰ পাৰ হৈ লংকালৈ গৈছিল। তাত গৈ সীতাক বিচাৰি লংকাৰ বিভিন্ন ঠাই চলাথ কৰিছিল। সেই বৰ্ণনাৰ কিছু অংশ পাঠ্য হিচাপে নিৰ্বাচিত কাব্যাংশত পোৱা যায়।

হনুমানে গৈ লংকা নগৰত প্ৰৱেশ কৰি ৰাৱণে ত্ৰিভুৱনৰ নানান যুদ্ধ জয় কৰি হৰণ কৰি অনা নাৰীসকলক দেখিবলৈ পায়। সেই নাৰীসকলক দেহৰ গঠন অনুসৰি শঙ্খিনী, চিত্ৰিণী, পদ্মিনী, হস্তিনী আদি বিশেষণেৰে অভিহিত কৰিছে। ৰাৱণ পাত্ৰ-মন্ত্ৰীসকলৰ হাতত ৰাজ্যৰ দায়িত্ব গতাই দি সেই নাৰীসকলৰ লগত খেল-ধেমালি কৰাত ব্যস্ত হৈ থাকে। সেয়া দেখি বায়ুপুত্ৰ হনুমানে লাজতে নাকত আঙুলি দি ভাবিছে জগতখন যে কেনেকৈ বিচলিত হৈছে ! হনুমান যথেষ্ট উদ্বিগ্নতাত ভুগিছে, কাৰণ তেওঁ সীতাক কেতিয়াও দেখা নাই, সীতাৰ কোনো পৰিচয়ো নাজানে। তেওঁ দেৱ-দেৱীৰ প্ৰাসাদত নাৰীসকলক সহজে বিচাৰি উলিয়াব পাৰে, কাৰণ তেওঁলোক বৰ পতিব্ৰতা।

তেনেদৰে মন বেয়া কৰি হনুমানে ৰাৱণৰ বিশ্বস্ত সেনাপতি প্ৰহস্তৰ বাসস্থানৰ ফালে জঁপিয়াই জঁপিয়াই সোমাই গ'ল। ভৰিৰে শব্দ নকৰাকৈ তেওঁ ক্ৰমাৎ সোমাই গ'ল। তাৰ পাছত তেওঁ কুম্ভকৰ্ণৰ

অট্টালিকালৈ সোমাই গ'ল। সেই অট্টালিকাটো অতি বৃহৎ। তাতো বিচাৰি খোচাৰি সীতাক নাপাই বিভীষণৰ বাসস্থানৰ ফাললৈ গ'ল। লাহে লাহে হনুমানে সকলো ৰাক্ষসৰ ঘৰে ঘৰে সীতাৰ সন্ধান কৰিবলৈ ধৰিলে। সেই ৰাক্ষসবোৰ এনেধৰণৰ আছিল— লোমবৰ্ণ, অশ্বকৰ্ণ, শঙ্কুকৰ্ণ, বিদ্যুজ্জিহ্ব, অৰ্দ্ধকেতু, অৰ্দ্ধগ্রীৱ, মত্তগ্রীৱ, নিকুম্ভ, কুম্ভ আদি।

সকলোতে বিচাৰি বিচাৰি নাপাই উদ্যানতো বিচাৰিলে, কোঠাবোৰতো এটা এটাকৈ বিচাৰি সীতাক নাপাই ৰান্ধনী ঘৰত গৈয়ো বিচাৰিলে, কিন্তু সীতাক নাপালে। নাদ নামেৰে এটা নিশাচৰ ৰাক্ষসৰ অট্টালিকাতো অতি কষ্ট কৰি বিচাৰিলে। তাৰ পাছত ৰাৱণৰ অট্টালিকাত গৈ সোমাল। তাত গৈ দেখিলে চাৰিওফালে ৰত্নবোৰ জিলিকি আছে। ৰাৱণৰ এই অট্টালিকাটো বিশ্বখনিকৰ বিশ্বকর্মাই অতি যত্নেৰে নির্মাণ কৰিছিল। অট্টালিকাৰ ঠায়ে ঠায়ে সোণ আৰু মাণিক ভৰি আছে। সেই সোণ আৰু মাণিকসমূহ চন্দ্র, সূর্যতকৈ উজ্জ্বল হৈ জিলিকি থকা হনুমানে দেখিবলৈ পালে। অট্টালিকাৰ মাজত চিত্রও আছিল। সেইসমূহ অতি বৃহৎ আৰু গাম্ভীর্যপূর্ণ। অট্টালিকালৈ নির্মল পদুম আৰু আন গছৰপৰা সুগন্ধ বতাহত ভাঁহি আহে।

আত্মমূল্যয়নৰ প্রশ্ন ঃ

১। হনুমান লংকালৈ কিয় গৈছিল?

.....

.....

২। হনুমানে গৈ লংকা নগৰত প্রৱেশ কৰি কি দেখিবলৈ পাইছিল?

.....

.....

৩। মন বেয়া কৰি হনুমান ক'লৈ গ'ল?

.....

.....

৪। ৰাৱণৰ অট্টালিকাটো কোনে নির্মাণ কৰিছিল ?

.....

.....

২.১.৫ কাব্যাংশৰ কাব্যিক সৌন্দর্য

'ৰামায়ণৰপৰা' কবিতাটোত মাধৱ কন্দলিৰ অতুলনীয় কাব্য প্রতিভা প্রকাশ পাইছে। লগতে কবিতাটো কাব্যিক সৌন্দর্যৰেও সমৃদ্ধ। এই অংশটো ৰচনা কৰা হৈছে মিত্রাক্ষৰ ছন্দ সজ্জাত। মিত্রাক্ষৰ ব্যৱহাৰৰ ক্ষেত্রত মাধৱ কন্দলি অতি সচেতন। প্রত্যেকটো মিত্রাক্ষৰ সঠিকভাৱে উজুতি নোখোৱাকৈ ব্যৱহাৰ কৰিছে। যেনে— ক্রীড়া - পীড়া, প্রকাৰে - ব্যৱহাৰে, ঠাৱে - পাৱে আদি। ইয়াত ব্যৱহৃত ছন্দক 'ছবি' ছন্দ বুলি কোৱা হয়। অলংকাৰৰ ব্যৱহাৰতো মাধৱ কন্দলি দক্ষ। এই কবিতাত অন্ত্যমিল ব্যৱহাৰৰ ফলত অন্ত্যানুপ্রাস অলংকাৰেৰে সমৃদ্ধ হৈছে। এনেধৰণে ছন্দ আৰু অলংকাৰৰ সঠিক প্রয়োগে কবিতাটোৰ কাব্যিক সৌন্দর্য বৃদ্ধি হৈছে।

কবিতাটোত বিষয় বিন্যাস অত্যন্ত সাৱলীল। প্রথমতে হনুমানে লংকাৰ বিশৃঙ্খল পৰিৱেশটো দেখা পাইছে। ৰাৱণে ৰাজকার্য পাত্র মন্ত্রীসকলৰ হাতত গতাই নিজে সুন্দৰী নাৰীসকলৰ লগত আনন্দ কৰি আছে। সেই নাৰীসকলৰ বিষয়ে মাধৱ কন্দলিয়ে বহুত বেছি শব্দ ব্যয় নকৰাকৈ শঙ্খিনী, চিত্রিণী, পদ্মিনী আদি শব্দৰ যোগেদি এটা ধাৰণা আগবঢ়াইছে। একেদৰে বিভিন্ন ৰাক্ষসৰ দৈহিক আভাসো একোটা শব্দৰ যোগেদিয়ে দিছে; যেনে লোমবৰ্ণ, অশ্বকৰ্ণ, শঙ্কুকৰ্ণ আদি।

হনুমানৰ দৃষ্টিৰ মাজেৰে পঢ়ুৱৈসকলে কবিতাটোত সমগ্র দৃশ্যাৱলী সজীৱভাৱে অনুভৱ কৰিব পাৱে। এফালৰপৰা সীতাৰ সন্ধানত হনুমানে লংকা চলাথ কৰিছে। সেই লংকা সম্বন্ধে পঢ়ুৱৈসকলৰ কোনো ধাৰণা নাই। কিন্তু কবি কন্দলিয়ে ইমান সুন্দৰভাৱে ইটোৰ পাছত সিটো দৃশ্যৰ মাজেৰে সমগ্র

লংকাখনৰ এখন ছবি দাঙি ধৰিছে যে মুদ্ধ নহৈ নোৱাৰি। লংকাৰ ৰজাঘৰীয়া প্রায়কেইজন বীৰৰ বাসগৃহৰ বর্ণনাই কবিতাটোত পোৱা যায়। এঠাইত লংকাৰ কাম-কাণ্ড দেখি হনুমানে লাজ অনুভৱ কৰিছে। সেয়া বুজাবলৈ কন্দলিয়ে লিখিছে— 'নাকত আঙ্গুলি দিয়া, বোলন্ত পৱন সুতে'। এনে ব্যঞ্জনাধর্মীতাই কাব্যিক সৌন্দর্য বৃদ্ধি কৰিছে।

লংকা বা ৰাৱণ বুলি ক'লে সাধাৰণতে সকলোৰে মনত বিৰূপ ভাবৰ সৃষ্টি হয়। কিন্তু এই কবিতাটোত সেই বিৰূপ ভাব উগ্রভাৱে প্রকাশ কৰা নাই। লংকাৰ ঐশ্বর্যসমূহক প্রশংসা কৰিবলৈও পাহৰা নাই। মাত্রা ৰাখি কবিয়ে লংকাৰ বিষয়ে যথার্থভাৱে ব্যাখ্যা আগবঢ়াইছে। তাৰ বাবে ব্যৱহৃত ভাষা ব্যঞ্জনাপূর্ণ। যেনে ৰাৱণৰ অট্টালিকাত ব্যৱহৃত সোণ-মাণিকৰ সৌন্দর্যক কবিয়ে 'চন্দ্র আদিত্যক ধিক' বুলি বর্ণনা কৰিছে।

আত্মমূল্যয়নৰ প্রশ্ন ঃ

১। কাব্যাংশত ব্যৱহৃত ছন্দক কি ছন্দ বুলি কোৱা হয়?

.....

.....

২। অন্ত্যমিল ব্যৱহাৰৰ ফলত কি অলংকাৰেৰে সমৃদ্ধ হৈছে?

.....

.....

৩। নাৰীসকলৰ বিষয়ে মাধৱ কন্দলিয়ে বহুত বেছি শব্দ ব্যয় নকৰাকৈ কি কি শব্দৰ যোগেদি এটা ধাৰণা আগবঢ়াইছে।?

.....

.....

৪। কি বুজাবলৈ কন্দলিয়ে লিখিছে— 'নাকত আঙ্গুলি দিয়া, বোলন্ত পৱন সুতে' ?

.....

.....

২.১.৬ শব্দ টোকা

শঙ্খিনী ঃ প্রাচীন ভাৰতীয় আলোচনাত নাৰীৰ ৰূপ বুজোৱা এটা শব্দ। কবিতাটোত চিত্রিণী,পদ্মিনী, হস্তিনী আদি শব্দৰেও নাৰীৰ বিভিন্ন ৰূপ সূচাইছে।

ত্রিভুৱন ঃ তিনি ভূৱন— স্বর্গ, মর্ত্য আৰু পাতাল

লঙ্কেশ্বৰ ঃ লংকাৰ ৰজা ৰাৱণক বুজোৱা হৈছে

প্রসাদ ঃ প্রাসাদ, অট্টালিকা

প্রহস্ত ঃ ৰাক্ষস সুমালী আৰু কেতুমতীৰ পুত্র। এওঁ ৰাৱণৰ এজন বিশ্বস্ত মন্ত্রী আৰু সেনাপতি আছিল। লংকাৰ যুদ্ধত এওঁ নীলৰ হাতত নিহত হয়।

মহাপার্শ্ব ঃ বিশ্রৱা মুনি আৰু ৰাক্ষসী পুষ্পোৎকটাৰ পুত্র

ওৰাৰি ঃ অট্টালিকা, ঘৰ

পয়সাৰ ঃ প্রৱেশ কৰিলে।

অর্দ্ধগ্রীৱ ঃ ডিঙিটো আধা থকা ৰাক্ষস।

নিকুম্ভ ঃ কুম্ভকর্ণৰ পুত্র

সৰাহাৰে ঃ সকলোৰে

পিণ্ড ঃ লাড়ু

কয়ণ্টাত ঃ ক'তো

খুপি ঃ কোঠালি

শোণিতাক্ষঃ লংকাৰ এজন ৰাক্ষস। সীতাক বিচাৰি হনুমান তেওঁৰ ঘৰলৈও গৈছিল।

চতুর্ভিতি ঃ চাৰিওফালে
ধিক ঃ অধিক
পৰিমল ঃ সুগন্ধ
বহয় ঃ বয়

২.১.৭ অনুশীলনী

২.১.৭.১ বোধজ্ঞান অনুশীলনী

১। কবিতা সম্পৰ্কীয় আলোচনা আৰু কবিতাটোৰ ভিত্তিত তলত দিয়া প্ৰশ্নবোৰৰ উত্তৰ দিয়ক। প্ৰতিটো প্ৰশ্নৰ বাবে তিনিটাকৈ বিকল্প দিয়া আছে; শুদ্ধ উত্তৰ বাচি ✓ চিন দিয়ক।

(ক) 'পূৰ্ব্ব কবি অপ্ৰমাদী' বুলি কোনে কৈছিল?
১। মাধৱদেৱ
২। মাধৱ কন্দলি
৩। শংকৰদেৱ

(খ) নিকুম্ভ কোন আছিল?
১। বিভীষণৰ পুত্ৰ
২। কুম্ভকৰ্ণৰ পুত্ৰ
৩। ৰাৱণৰ পুত্ৰ

(ঙ) শঙ্খিনী, চিত্ৰিণী, পদ্মিনী আদি শব্দৰ যোগেদি কাক বুজোৱা হৈছে?
১। নাৰীসকলক
২। ফুলবোৰক
৩। চিত্ৰসমূহক

(চ) 'হৰি হৰি গোসাঁনীৰ, পৰিচয় নভৈলোহোঁ'— ইয়াত গোসাঁনী মানে কাক বুজোৱা হৈছে?
১। দুৰ্গাক
২। সীতাক
৩। মন্দোদৰীক

(ছ) পৰিমল মানে কি?
১। বতাহ
২। আকাশ
৩। সুগন্ধ

(জ) ৰাৱণৰ ৰাজপ্ৰাসাদটো কোনে নিৰ্মাণ কৰিছিল?
১। বিশ্বকৰ্মা
২। সূৰ্য দেৱতা
৩। মেঘনাদ

২। তলত দিয়া প্ৰশ্নবোৰৰ উত্তৰ একেটা বাক্যতে লেখক ঃ

(ক) মাধৱ কন্দলি কোন যুগৰ কবি আছিল?

.....

(খ) 'দেৱজিৎ' কাব্যখনৰ কবি কোন?

.....

(গ) এই পাঠৰ কাব্যাংশ ৰামায়ণৰ কোনটো কাণ্ডৰপৰা তুলি অনা হৈছে?

.....

(ঘ) 'ৰামায়ণখন' মুঠতে কেইটা কাণ্ডত সম্পূৰ্ণ হৈছে।

.....

(ঙ) 'লঙ্কেশ্বৰ' বুলি কাক বুজোৱা হৈছে?

.....

(চ) মহাপার্শ্বৰ দেউতাক কোন আছিল?

.....

(ছ) 'ৰামায়ণৰপৰা' কবিতাটোত অন্ত্যমিল থকাৰ বাবে কি অলংকাৰ সৃষ্টি হৈছে?

.....

৩। তলৰ শাৰীবোৰ কবিতাটোৰ পৰা তুলি দিয়া হৈছে। তাৰ মাজৰ দুই এটা শব্দ উঠাই দিয়া হৈছে। কবিতাটোৰ পৰা বিচাৰি সেই শব্দবে খালী ঠাই সম্পূৰ্ণ কৰক।

(ক) নাকত ..... দিয়া বোলন্ত পৱন সুতে

(খ) এহি বিমৰিষ কৰি ডেৱ দিয়া পৰিলন্ত, সেনাপতি ..... ঠাৱে

(গ) তৈতো সীতা ..... খুজি-লুড়ি নপাইলন্ত

(ঘ) খুপিৰ ভিতৰ পশি ..... ঘৰে

(ঙ) চন্দ্ৰ আদিত্যক ধিক আতি বিতোপন জ্বলে, দেখিলন্ত বীৰ .....

(চ) নিৰ্ম্মল কমলসৱ ..... বৃক্ষচয়, সুগন্ধিত বহয় পৱন

২.১.৭.২ বৈয়াকৰণিক অনুশীলনী

১। তলৰ শব্দবোৰ কবিতাটোৰ পৰা উদ্ধৃত কৰা হৈছে; শব্দবোৰৰ প্ৰতিশব্দ বিচাৰি উলিয়াওক ঃ

পৱন .....
ডেৱ .....
পাৱ .....
বদন .....
খুপি .....
আদিত্য .....
কমল .....

২। তলৰ শব্দবোৰ কবিতাটোৰ পৰা তুলি অনা হৈছে। এই শব্দবোৰৰ কিছুমান বানান শুদ্ধ আৰু কিছুমান অশুদ্ধ; যিবোৰ অশুদ্ধ সেইবোৰ শুদ্ধ কৰক ঃ

ত্রিভূৱণে .....
ক্রিড়া .....
পত্রিব্রতা .....
প্রহস্ত .....
মদ্দগ্রীৱ .....
উৱাৰি .....
ঠানে ঠানে .....
চাহিলন্ত .....
শোণিতাক্ষ .....
কমলসল .....

২.১.৭.৩ পঠন অনুশীলনী

১। গোটেই কবিতাটো পঢ়ক আৰু ইয়াৰ কোনটো অংশ ভাল লাগিল বিচাৰি চাওক।

২। ভাল লগা অংশটো পুনৰ পঢ়ক; এইবাৰ কোনটো শাৰী বেছি ভাল লাগিল, বিচাৰি উলিয়াওক।

৩। কবিতাটোত পোৱা পুৰণি অসমীয়া শব্দবোৰ মনত ৰাখক।

৪। কবিতাটোত পোৱা পুৰণি অসমীয়া শব্দবোৰৰ বানান মনত ৰাখক।

৫। কবিতাটোত পোৱা ৰামায়ণৰ বিভিন্ন চৰিত্রসমূহৰ নাম মনত ৰাখক।

৬। কবিতাটোত লংকাৰ নাৰী আৰু ৰাক্ষসসকলক বুজাবলৈ কিছুমান বিশেষ বিশেষণ ব্যৱহাৰ কৰা হৈছে; সেইসমূহ চিনাক্ত কৰক আৰু মনত ৰাখক।

৭। কবিতাটোৰ মূলভাবটো পঢ়ক; কবিতাটোৰ বর্ণনা অনুযায়ী মূলভাবটো হৈছেনে নাই বিচাৰ কৰক।

৮। কাব্যিক সৌন্দর্যৰ কথাখিনি পঢ়ক; তাত আৰু কিবা কথা যোগ দিব পাৰে নেকি চেষ্টা কৰক।

২.১.৭.৪ লিখন অনুশীলনী

১। মাধৱ কন্দলিৰ চমু পৰিচয় দিয়ক।

.....
.....
.....
.....
.....
.....
.....
.....
.....

৩। 'ৰামায়ণৰপৰা' কবিতাটো পঢ়ি ভাল লগাৰ কাৰণসমূহ লিখক।

.....
.....
.....
.....
.....
.....
.....
.....
.....

৪। 'ৰামায়ণৰপৰা' কবিতাটোৰ যোগেদি লংকাৰ বিষয়ে এটা ধাৰণা জন্মাব পাৰেনে? বুজাই লিখক।

.....
.....
.....
.....
.....
.....
.....
.....

৫। কবিতাটোৰ আটাইতকৈ ভাল লগা অংশটো মুখস্থ কৰি লিখক।

.....
.....
.....
.....
.....
.....
.....
.....
.....

৬। 'ৰামায়ণৰপৰা' কবিতাটোৰ কাব্যিক সৌন্দর্য বিচাৰ কৰক।

.....

.....

.....

.....

.....

.....

.....

.....

.....

৭। কবিতাটোত বর্ণিত ৰাক্ষসসকলৰ বিষয়ে চমুকৈ লিখক।

.....

.....

.....

.....

.....

.....

.....

.....

.....

৮। 'ৰামায়ণৰপৰা' কবিতাটোৰ মূল ভাবটো নিজৰ ভাষাৰে লিখক।

.....

.....

.....

.....

.....

.....

.....

.....

.....

২.১.৮ উত্তৰ সংকেত

আগতে বোধজ্ঞান আৰু ব্যাকৰণগত অনুশীলনী যিবোৰ দিয়া হৈছিল সেইবোৰ এতিয়া তলত দিয়া উত্তৰৰ লগত মিলাই চাওক; আপোনাৰ যিবোৰ ভুল হৈছিল, এতিয়া সেইবোৰ শুধৰাই লওক।

১.৮.১ বোধজ্ঞান অনুশীলনী

১। (ক) ১। মাধৱদেৱ
২। মাধৱ কন্দলি
৩। শংকৰদেৱ ✓

(খ) ১। বিভীষণৰ পুত্ৰ
২। কুম্ভকর্ণৰ পুত্ৰ ✓
৩। ৰাৱণৰ পুত্ৰ

(গ) ১। নাৰীসকলক ✓
২। ফুলবোৰক
৩। চিত্ৰসমূহক

(ঘ) ১। দুৰ্গাক
২। সীতাক ✓
৩। মন্দোদৰীক

(ঙ) ১। বতাহ
২। আকাশ
৩। সুগন্ধ ✓

(চ) ১। বিশ্বকৰ্মাই ✓
২। সূৰ্য দেৱতাই
৩। মেঘনাদে

২। (ক) মাধৱ কন্দলি প্ৰাক্ শংকৰী যুগৰ কবি আছিল।
(খ) 'দেৱজিৎ' কাব্যখনৰ কবি হ'ল মাধৱ কন্দলি।
(গ) 'ৰামায়ণৰপৰা' কবিতাটো ৰামায়ণৰ সুন্দৰা কাণ্ডৰপৰা তুলি অনা হৈছে।
(ঘ) 'ৰামায়ণ'খন মুঠতে সাতটা কাণ্ডত সম্পূৰ্ণ হৈছে।
(ঙ) 'ৰামায়ণৰপৰা' কবিতাটোত 'লঙ্কেশ্বৰ' বুলি ৰাৱণক বুজোৱা হৈছে?
(চ) মহাপাৰ্শ্ব দেউতাক আছিল বিশ্ৰৱা মুনি।
(ছ) 'ৰামায়ণৰপৰা' কবিতাটোত অন্ত্যমিল থকাৰ বাবে অন্ত্যানুপ্ৰাস অলংকাৰৰ সৃষ্টি হৈছে।

৩। (ক) আঙ্গুলি
(খ) প্ৰহস্তৰ
(গ) গোসাঁনীক
(ঘ) বন্ধন-শালাৰ
(ঙ) হনুমানে
(চ) পৰিমল

১.৮.২ বৈয়াকৰণিক অনুশীলনী

১। পৱন > বতাহ
ডেৱ > জাপ
পাৱ > ভৰি
বদন > মুখ
খুপি > কোঠা
আদিত্য > সূৰ্য
কমল > পদুম

২। ত্ৰিভুৱনে
ক্ৰীড়া
পতিব্ৰতা
প্ৰশস্ত
মত্তগ্ৰীৱ
ওৱাৰি
থানে থানে
চাহিলন্ত
শোণিতাক্ষ
কমলসৱ

১.৯ অতিৰিক্ত পঠন উপদেশ

আপোনালোকে এই পাঠটোৰ সম্পৰ্কে বহলাই জানিবলৈ হ'লে তলৰ কিতাপকেইখন পঢ়িব পাৰে—

প্ৰাচীন অসমীয়া সাহিত্যৰ নিৰ্বাচিত কাব্যাংশ
(মাধৱ কন্দলিৰ ৰামায়ণৰ পৰা)

১। সঞ্চয়ন ঃ সম্পাদনা - ড° মহেশ্বৰ নেওগ
২। মাধৱ কন্দলিৰ ৰামায়ণৰ সুন্দৰাকাণ্ড ঃ সম্পাদনা - ড° কৰবী ডেকা হাজৰিকা
৩। ৰামায়ণী সাহিত্য ঃ কেশদা মহন্ত

ignou
THE PEOPLE'S
UNIVERSITY

খণ্ড-২ গোট-II ঃ ভোজনবেহাৰ নাট
(One-act play: *Bhojanbehar naat* by Madhavdeva)

গাঁথনি

২.২.১ পাতনি
২.২.১.১ পৰিচয়
২.২.১.২ উদ্দেশ্যাৱলী
২.২.২ মাধৱদেৱৰ *ভোজনবেহাৰ* নাট
২.২.২.১ মাধৱদেৱ আৰু তেওঁৰ ৰচনাৱলী
২.২.২.২ ঝুমুৰা
২.২.২.৩ *ভোজনবেহাৰ* নাটৰ কথাবস্তু
২.২.২.৪ *ভোজনবেহাৰ* নাটৰ উৎস
২.২.২.৫ *ভোজন বেহাৰ* নাটখনৰ অসম্পূৰ্ণতা
২.২.২.৬ *ভোজন বেহাৰ* নাটত *আদি দশমৰ* প্ৰভাৱ আৰু মাধৱদেৱৰ মৌলিকত্ব
২.২.২.৭ *ভোজন বেহাৰ* নাটকখনিৰ ৰস
২.২.২.৮ *ভোজন বেহাৰ* নাটত কৃষ্ণৰ দুতৰপীয়া চৰিত্ৰ
২.২.৩ সাৰাংশ
২.২.৪ শব্দটোকা
২.২.৫ অনুশীলনী
২.২.৫.১ বোধজ্ঞানৰ অনুশীলনী
২.২.৫.২ বৈয়াকৰণিক অনুশীলনী
২.২.৫.৩ পাঠন অনুশীলনী
২.২.৫.৪ লিখন অনুশীলনী
২.২.৬ উত্তৰ সংকেত
২.২.৭ অতিৰিক্ত পঠন উপদেশ

২.২.১ পাতনি

২.২.১.১ পৰিচয়

ত্ৰয়োদশ-চতুৰ্দশ শতিকাত সমগ্ৰ ভাৰতবৰ্ষ জুৰি যি নৱবৈষ্ণৱ জাগৰণৰ সূত্ৰপাত হৈছিল তাৰ আঁত ধৰি অসমত শংকৰদেৱ আৰু মাধৱদেৱৰ নেতৃত্বত বৈষ্ণৱ ধৰ্মৰ নৱজাগৰণৰ সূত্ৰপাত হৈছিল। এই নববৈষ্ণৱ ধৰ্মৰ আঁত ধৰিয়ে নাট-গীত আদি সাহিত্য-চৰ্চাও আৰম্ভ হয়। উল্লেখযোগ্য যে, শংকৰদেৱে সমকালীন অসমীয়া ভাষাৰ আশ্ৰয়ত গঢ় দিয়া ব্ৰজাৱলী ভাষাত 'অংকীয়া নাট' নামেৰে এক শ্ৰেণীৰ নাট ৰচনা কৰি ইয়াৰ অভিনয়ৰ পৰম্পৰা আৰম্ভ কৰিছিল, সেই সময়ত ভাৰতবৰ্ষৰ কোনো প্ৰান্তীয় ভাষাতে লিখিত ৰূপত নাট ৰচনা হোৱা নাছিল । শংকৰদেৱৰ অতি প্ৰিয় শিষ্য মাধৱদেৱে গুৰুজনাৰ আদৰ্শ লৈয়ে শ্ৰীকৃষ্ণৰ বাল্যকালক কেন্দ্ৰ কৰি ঝুমুৰা নামৰ এক শ্ৰেণীৰ নাটকৰ জন্ম দিয়ে। এই নাটবোৰ চুটি আৰু শিশু উপযোগী। বোধহয় ভাৰতীয় প্ৰান্তীয় ভাষাৰ নাট্য পৰম্পৰাত ঝুমুৰাসমূহেই প্ৰথম শিশু উপযোগী নাটৰ উদাহৰণ। গতিকে মাধৱদেৱৰ ঝুমুৰাসমূহৰ বিষয়ে অধ্যয়ন কৰিলে একেলগে শংকৰদেৱৰ নৱবৈষ্ণৱ দৰ্শন আৰু মাধৱদেৱৰ সাহিত্য প্ৰতিভাৰ অনন্য উদাহৰণ বিচাৰি পোৱা যায়।

মাধৱদেৱৰ *ভোজনবেহাৰ* ঝুমুৰাখন এখন অসম্পূৰ্ণ নাট। কিন্তু এই অসম্পূৰ্ণ নাটখনত তেওঁৰ দৰ্শন আৰু পৰিপূৰ্ণ সাহিত্য-প্ৰতিভাৰ উমান পোৱা যায়। নাটখনিত বাৎসল্য প্ৰসংগ উত্থাপনত মাধৱদেৱৰ দক্ষতা আৰু কাব্য প্ৰতিভা পৰিস্ফুট হৈছে। পঞ্চদশ শতিকাতে কিদৰে একশৰণ নামধৰ্মই সৃষ্টি কৰা বাতাবৰণত শিশু উপযোগী নাটৰ যোগেদি অভিনয় প্ৰতিভা প্ৰদৰ্শনৰ বাবে সুযোগ লাভ

কৰিছিল তাৰ উপযুক্ত উদাহৰণ *ভোজনবেহাৰ নাট*ৰ দৰে ঝুমুৰাবোৰ। এই ঝুমুৰাখনৰ অধ্যয়নে আপোনালোকক অসমীয়া সাহিত্যৰ অধ্যয়নৰ ক্ষেত্ৰত শংকৰদেৱৰ সমকালীন সাহিত্যৰ সাহিত্যিক গুণাৱলী, অন্তর্নিহিত দর্শন আৰু ৰচনাশৈলী সম্পর্কত ধাৰণা কৰাত সহায় কৰিব পাৰে।

ভোজনবেহাৰ নাট

২.২.১.২ উদ্দেশ্যাৱলী

ক) মাধৱদেৱৰ সাহিত্য সম্পর্কে এটা আভাস দিয়া।

খ) শংকৰদেৱৰ সাহিত্যিক আদর্শই কিদৰে মাধৱদেৱৰ দৰে প্রতিভাধৰ সাহিত্যিকক সাহিত্য ৰচনা কৰিবলৈ অনুপ্রেৰণা দিছিল তাৰ আভাস দিয়া।

গ) ঝুমুৰা সম্পর্কত এটা ধাৰণা দিয়া।

ঘ) ঝুমুৰা হিচাপে ভোজনবেহাৰ নাটৰ মূল্যায়ন কৰা।

২.২.২ মাধৱদেৱৰ ভোজনবেহাৰ নাট

২.২.২.১ মাধৱদেৱ আৰু তেওঁৰ ৰচনাৱলী

মাধৱদেৱ (১৪৮৯) আছিল অসমত একশৰণ নামধর্মৰ প্রচাৰক শ্রীমন্ত শংকৰদেৱৰ অতি ঘনিষ্ঠ সহযোগী আৰু প্রিয় শিষ্য। এগৰাকী যুগস্রষ্টা হিচাপে শংকৰদেৱে সমাজৰ সার্বিক বিকাশ আৰু সংস্কাৰৰ সপোন চকুত বান্ধি যিকেইটা পন্থাৰ আশ্রয় লৈছিল, তাৰে ভিতৰত গীত-নাট-পদ আদিৰ ৰচনা আছিল অন্যতম। মাধৱদেৱে তেওঁৰ গুৰুৰ আদর্শ আগত লৈয়ে সাহিত্য ৰচনাত হাত দিয়ে। অৱশ্যে এই কথা নিশ্চয় ক'ব লাগিব যে, মাধৱদেৱে মাত্র গুৰুজনাক অনুসৰণ কৰি ধর্ম প্রচাৰ কৰাই নাছিল, বৰং স্ব-মহিমাৰে নিজৰ প্রতিভাক জিলিকাই তুলিবলৈয়ো সক্ষম হৈছিল। তেওঁৰ দ্বাৰা ৰচিত *নামঘোষা* অসমীয়া সাহিত্যৰ অন্যতম বিশিষ্ট সমল। তদুপৰি তেওঁৰ নাটসমূহে শংকৰী পৰম্পৰাৰ মাজত থাকিও এক স্বতন্ত্র তৰংগৰ সৃষ্টি কৰিছিল। তেওঁ *নামঘোষাৰ* উপৰি *ভক্তি ৰত্নাৱলী, জন্ম ৰহস্য, নাম মালিকা* আৰু *কীর্তনৰ* বর্ণনা অংশৰ যোগেদি ভক্তি তত্ত্বমূলক সাহিত্যৰ ক্ষেত্রখনক সমৃদ্ধ কৰি গৈছে। আনহাতে, মাধৱ কন্দলিয়ে অনুবাদ কৰা *ৰামায়ণৰ* আদিকাণ্ডৰ অসমীয়া অনুবাদো তেওঁ সংযোগ কৰে। *ৰাজসূয় যজ্ঞ* তেওঁৰ অন্যতম আখ্যানমূলক ৰচনা। অসমত শংকৰদেৱে বৰগীত ৰচনা পৰম্পৰা আৰম্ভ কৰিছিল। কিন্তু এবাৰ এগৰাকী শিষ্যই আওৰাবৰ বাবে শংকৰদেৱৰ বৰগীত পুথিখন নিওঁতে সেইবোৰ জুয়ে পুৰি নষ্ট কৰে। চৰিত পুথিত পোৱা মতে তাৰ পাছৰ পৰা শংকৰদেৱে মনৰ দুখতে বৰগীত ৰচনা নকৰিলে আৰু মাধৱদেৱক গীত লিখিবলৈ আজ্ঞা দিলে। সেইবাবে শংকৰদেৱৰ কেইটিমান গীত মুখে মুখে ৰৈ যোৱাৰ বিপৰীতে লিখিত ৰূপত থাকি যোৱা মাধৱদেৱৰ বৰগীতৰ সংখ্যা অধিক (কোনো কোনোৱে এই সংখ্যাটো ১৫৭ টা বুলি নির্দ্ধাৰণ কৰিছে যদিও এই ক্ষেত্রত মতৰ তাৰতম্য দেখা যায়)। তদুপৰি তেওঁ ভালেকেইটা নাটৰ গীত আৰু প্রশস্তিসূচক ভটিমাও ৰচনা কৰে। তেওঁৰ নাটসমূহ ইমানেই জনপ্রিয় হৈ পৰিছিল যে বহুতে পাছত নাট লিখি মাধৱদেৱৰ নামত মিছাকৈয়ে ভণিতা পেলোৱাৰ পৰম্পৰা সৃষ্টি হৈছিল। আলোচকসকলে সেয়েহে *অর্জুন ভঞ্জন, চোৰধৰা, পিম্পৰা গুছোৱা, ভূমি লেটোৱা* আৰু *ভোজনবেহাৰ* নাটহে মাধৱদেৱৰ দ্বাৰা ৰচিত সন্দেহমুক্ত বুলি অভিহিত কৰিছে। আনহাতে মাধৱদেৱৰ ৰচনা হয়নে নে নহয়, সেই লৈ *ভূষণ হৰণ, ৰাস ঝুমুৰা, কোটোৰাখেলা, ব্রহ্মামোহন* আদিৰ ক্ষেত্রত সন্দেহ প্রকাশ কৰা হয়। তদুপৰি *সীতা স্বয়ম্বৰ, ৰাম যাত্রা, নৃসিংহ যাত্রা* আৰু *গোৱর্দ্ধন যাত্রা* নামৰ নাটকেইখন তেওঁ ৰচনা কৰিছিল, কিন্তু কিবা প্রকাৰে লুপ্ত হ'ল বুলি চৰিত পুথিৰ তথ্যৰ আধাৰত ক'ব পাৰি। পঞ্চদশ-ষোড়শ শতিকাত অসমীয়া ধ্রুপদী সাহিত্যৰ মূল্যায়নৰ ক্ষেত্রত মাধৱদেৱৰ সাহিত্যৰাজিৰ গুৰুত্ব অপৰিসীম।

আত্মমূল্যায়ন

১। মাধৱদেৱৰ ৰচনাসমূহৰ এখন তালিকা প্রস্তুত কৰক—

ক) ভক্তি তত্ত্বমূলক ৰচনা

.....

খ) আখ্যানমূলক ৰচনা

.....

গ) গীত আৰু ভটিমা

.....

ঘ) নাটক

.....

২। মাধৱদেৱৰ সন্দেহমুক্ত আৰু সন্দেহযুক্ত নাটসমূহ চিনাক্ত কৰক—

.....

২.২.২.২ ঝুমুৰা

মাধৱদেৱৰ নাটসমূহক ভক্তসকলে ঝুমুৰা বুলি অভিহিত কৰে। অৱশ্যে নাটকীয় বৈশিষ্ট্যৰ দিশৰ পৰা *অৰ্জুন ভঞ্জন* নাটকখনি শংকৰদেৱৰ অংকীয়া নাটসমূহৰ সমগোত্ৰীয় আৰু পূৰ্ণাংগ পৰ্যায়ৰ নাট। আনহাতে আনকেইখন নাট তেনেই চমু আৰু পূৰ্ণাংগ অংকীয়া নাটৰ বৈশিষ্ট্যবিহীন সুকীয়া চৰিত্ৰৰ নাট । মাধৱদেৱে নিজে ৰচনা কৰা নাটবোৰক ক'তো তেওঁ ঝুমুৰা বুলি অভিহিত কৰা নাই। তেওঁ নাটসমূহৰ সমাপ্তিত 'যাত্ৰা' আৰু 'নাট' শব্দটোহে ব্যৱহাৰ কৰিছে (যেনে— "ইতি অৰ্জ্জুন ভঞ্জন যাত্ৰা সম্পূৰ্ণা", "ইতি ভোজন বেহাৰ নাট সমাপ্তম" আৰু " ইতি চোৰধৰা নাটকম সম্পূৰ্ণম")। পৰৱৰ্তী পৰ্যায়ত দৈতাৰী ঠাকুৰৰ চৰিত পুথি, *গুৰু চৰিত কথা* আদিতহে 'ঝুমুৰা' শব্দটোৰ প্ৰয়োগ কৰা দেখা যায়। বোধহয় মাধৱদেৱৰ অনুগামীসকলেহে তেওঁৰ নাটবোৰক 'ঝুমুৰা' বুলি ক'বলৈ লৈছিল। কিন্তু কিয় এইবোৰক 'ঝুমুৰা' বোলা হ'ল সেই বিষয়ে নিৰ্দিষ্ট কাৰণ পোৱা নাযায়।

'ঝুমুৰা' শব্দটোৰ সৈতে সাদৃশ্য থকা 'ঝুমুৰি' নামৰ এটি ছন্দৰ প্ৰচলন অসমীয়া কাব্য সাহিত্যত পোৱা যায়। অৱশ্যে এই ঝুমুৰি ছন্দৰ সৈতে ঝুমুৰাবোৰৰ সাদৃশ্য থকা যেন নালাগে। *সংগীত দামোদৰ* গ্ৰন্থত 'ঝুমুৰা' নামৰ এক শ্ৰেণীৰ ৰাগিণীৰ উল্লেখ আছে। মৈথিলী ভাষাতো 'ঝুমুৰি' নামৰ এবিধ নৃত্যৰ প্ৰচলন আছে। অৱশ্যে, দুইবিধৰ মূল শৃংগাৰ ৰস। চাওতালী সমাজত 'ঝুমুৰা' এবিধ পৰম্পৰাগত নৃত্য। বংগদেশত 'ঝুমুৰা' নামৰ নৃত্য-গীত প্ৰধান অনুষ্ঠানৰ প্ৰচলন আছে। ৰসৰ সাদৃশ্য নাথাকিলেও 'ঝুমুৰি', 'ঝুমুৰা' আদি শব্দৰ সৈতে নৃত্য-গীতমুখৰ পৰিৱেশ এটাৰ প্ৰসংগ জড়িত হৈ থাকে। অসমৰ সত্ৰীয়া সমাজতো 'ঝুমুৰা' নামটো মুখে মুখে প্ৰচলিত থকাৰ বাবেই কমলাবাৰী সত্ৰত ঝুমুৰা নৃত্যৰ প্ৰচলন হোৱা বুলি ধাৰণা কৰা হয়। বোধহয় মাধৱদেৱৰ নাটসমূহ নৃত্য-গীতমুখৰ বাবেই এইবোৰক ঝুমুৰা বুলিবলৈ লোৱাৰ প্ৰৱণতা এটা সত্ৰীয়া সমাজত গা কৰি উঠিছিল।

মনকৰিবলগীয়া যে, শংকৰদেৱে অংকীয়া নাট ৰচনা কৰিবলৈ যাওঁতে মূলতে *ভাগৱত পুৰাণ, হৰিবংশ* আৰু *বিষ্ণু পুৰাণৰ* পৰা কথাবস্তু আহৰণ কৰিছিল। *ৰামবিজয় নাটৰ* ক্ষেত্ৰত *ৰামায়ণৰ* আশ্ৰয় লৈছিল । কিন্তু মাধৱদেৱে অসমত 'লীলাশুক' নামেৰে পৰিচিত বিল্বমঙ্গলৰ *কৃষ্ণ কৰ্ণামৃত* গ্ৰন্থৰ কেইটামান শ্লোকৰ পৰা কথাবস্তু আহৰণ কৰি *চোৰধৰা, পিম্পৰা গুছোৱা* আৰু *ভূমি লেটোৱা* নাট ৰচনা কৰে। *অৰ্জুন ভঞ্জন* নাটৰ ক্ষেত্ৰত *ভাগৱত পুৰাণ* (দশম স্কন্ধ) আৰু *হৰিবংশ* (ত্ৰিষষ্ঠিতম অধ্যায়) ৰো সহায় লৈছে। *ভোজন বেহাৰ নাটৰ* বিষয়বস্তু শংকৰদেৱৰ দ্বাৰা অনূদিত *আদি দশমৰ* ৩৮৯-৪১৬ নং পদৰ পৰা আহৰণ কৰিছে।

মাধৱদেৱৰ ঝুমুৰাসমূহৰ সাধাৰণ বৈশিষ্ট্যসমূহ তলত উল্লেখ কৰা হ'ল—

১। প্ৰত্যেক ঝুমুৰাৰে মূল চৰিত্ৰ শিশু কৃষ্ণ। *ভোজনবেহাৰ* বাদ দি বাকীবোৰত যশোদাও এটা কেন্দ্ৰীয় চৰিত্ৰ।

২। ঝুমুৰাসমূহৰ বিষয়বস্তুত বিল্বমঙ্গলৰ *কৃষ্ণকৰ্ণামৃত* গ্ৰন্থৰ প্ৰভাৱ বিদ্যমান। অৱশ্যে *ভোজন বেহাৰত ভাগৱত* আৰু *অৰ্জুন ভঞ্জনত হৰিবংশৰ* প্ৰভাৱ আছে।

৩। প্ৰত্যেক ঝুমুৰাই ঘটনা প্ৰধান। ইয়াত পূৰ্ণাংগ কাহিনী নাই।

৪। ঝুমুৰাবোৰত সংস্কৃত নাটকৰ পঞ্চ অৱস্থা, পঞ্চ সন্ধি, অৰ্থ প্ৰকৃতি আদি নাই। তদুপৰি এইবোৰত সংঘাতো স্পষ্ট নহয়।

৫। *ভোজন বেহাৰৰ* নান্দী শ্লোকৰ বাদে বাকী নাটবোৰত মাধৱদেৱে *কৃষ্ণকৰ্ণামৃত* গ্ৰন্থৰ পৰা অনা শ্লোক ব্যৱহাৰ কৰিছে। নিজে শ্লোক ৰচনা কৰি সংযোগ কৰা নাই।

৬। নাটসমূহত বাৎসল্য ভাৱক আধাৰ কৰি হাস্য আৰু শান্ত ৰস নিষ্পন্ন কৰা হৈছে।

৭। নাটবোৰৰ বক্তব্য নৃত্য-গীতৰ মাজেৰে প্ৰকাশিত হয়।

৮। শংকৰদেৱৰ অংকীয়া নাটৰ দৰে ঝুমুৰাত নিৰ্দ্ধাৰিত স্থানত ভটিমাৰ ব্যৱহাৰ নাই। আনকি মুক্তিমংগল ভটিমাও বৰ্জন কৰা হৈছে। মাত্ৰ *ভোজন বেহাৰ*ৰ আৰম্ভণিতেহে এটা ভটিমা ব্যৱহাৰ কৰিছে।

৯। শংকৰদেৱৰ নাটৰ দৰে প্ৰস্তাৱনা, প্ৰৰোচনা আদি নাটকীয় অন্তৰংগ সমল ঝুমুৰাত নাই।

১০। মাধৱদেৱৰ নাটৰ ব্ৰজবুলি অসমীয়া কথিত ভাষাৰ ওচৰ চপা। বহু সময়ত ই পুৰণি অসমীয়া ঠাঁচত ব্যৱহৃত হৈছে।

আত্মমূল্যায়ন

১। ঝুমুৰা শব্দৰ উৎপত্তি সম্পৰ্কে দহোটা বাক্য লিখক?

.....

.....

.....

২। মাধৱদেৱৰ সন্দেহমুক্ত নাটকেইখনৰ সমাপ্তিসূচক বাক্যকেইটা লিখক?

.....

.....

.....

৩। ঝুমুৰাৰ উপাদানসমূহ চিনাক্ত কৰক?

.....

.....

৪। ঝুমুৰাৰ বিশেষত্বসমূহ লিখক?

.....

.....

২.২.২.৩ *ভোজনবেহাৰ*নাটৰ কথাবস্তু

এদিন কৃষ্ণই লগৰ গোপবালকৰ সৈতে যমুনাৰ পাৰত গৰু চৰাবলৈ গৈছিল। গৰু চৰাবলৈ যাওঁতে তেওঁ আনন্দৰে নৃত্য-গীত কৰি গৈছিল আৰু যমুনাৰ তীৰতো যথেষ্ট আনন্দৰে তাৰ পৰিৱেশ উপভোগ কৰি আছিল। কৃষ্ণই তাৰ মনোৰম পৰিৱেশ দেখি সকলোকে ক'লে যে, এই মনোৰম পৰিৱেশত গৰুবোৰ চৰিবলৈ মেলি দি সকলোৱে আনন্দৰে ভোজন কৰা হওক। সকলোৱে প্ৰস্তাৱটোত আনন্দ পালে আৰু গৰুবোৰক পানী খুৱাই মেলি দি কৃষ্ণক মাজত বহুৱাই লৈ ভোজন কৰিবলৈ ধৰিলে। এনেতে দেৱৰ্ষি নাৰদ আহি তাত উপস্থিত হ'ল আৰু কৃষ্ণৰ মহিমা ব্যাখা কৰি তেওঁৰ প্ৰসাদ প্ৰাৰ্থনা কৰিলে। গোপ শিশুসকলে কৃষ্ণৰ বন্দনা শুনি আপ্লুত হ'ল আৰু নাৰদক কৃষ্ণৰ প্ৰসাদ প্ৰদান কৰিলে। নাৰদে প্ৰসাদ গ্ৰহণ কৰি ওলাই গ'ল। এনেতে শ্ৰীদাম নামৰ গোপ শিশুগৰাকীয়ে জনালে যে, তেওঁলোকৰ গৰুবোৰ আঁতৰলৈ গুছি গৈছে। সেই কথা শুনি শিশুবোৰে ভোজন এৰি গৰু বিচাৰি যাবলৈ বিচাৰিলে। কিন্তু কৃষ্ণই সকলোকে আশ্বস্ত কৰি ক'লে যে, কোনেও ভোজন এৰি যাব নালাগে। তেৱেঁই গৰুবোৰ বিচাৰি আনিব। এনেদৰে তেওঁ গৰুবোৰ বিচাৰিবলৈ গৈ দেখিলে যে, গৰুবোৰ হাবিৰ মাজত নাই। দৰাচলতে গৰুবোৰ ব্ৰহ্মাই লুকুৱাই থৈছিল। আনহাতে গৰু বিচাৰিবলৈ ওলাই যাওঁতেই ব্ৰহ্মাই কৃষ্ণৰ মহিমা পৰীক্ষা কৰিবলৈ সংগী গোপবালকসকলকো লুকুৱাই থৈ দিলে। গৰুবোৰ বিচাৰি নাপাই যমুনাৰ পাৰলৈ উভতি আহি কৃষ্ণই সংগীবিলাককো বিচাৰি নোপোৱাত নানা বিলাপ কৰিবলৈ ধৰিলে। তাৰ মাজতে ধ্যান কৰি তেওঁ জানিব পাৰিলে যে ব্ৰহ্মাই গৰু আৰু গোপবালক সকলোকে লুকুৱাই থৈ দিছে। নাটখনিৰ কাহিনী ইয়াতে শেষ হৈছে।

আত্মমূল্যায়ন

১। কৃষ্ণই গোপবালকসকলৰ সৈতে গৰু চৰাবলৈ আহি কি কৰিছিল লিখক?

.....

.....

২। নাৰদে কি কৰিছিল লিখক?

.....

.....

৩। ভোজন কৰি থাকোতে কি ঘটিল লিখক?

.....

.....

৪। কৃষ্ণই গৰু বিচাৰিবলৈ যোৱাৰ পাছৰ বৰ্ণনাখিনি লিখক?

.....

.....

২.২.২.৪ *ভোজনবেহাৰ* নাটৰ উৎস

ভোজন বেহাৰ নাটখনিৰ মূল উৎস হৈছে শ্ৰীমন্ত শংকৰদেৱৰ দ্বাৰা অনুদিত *ভাগৱতৰ* দশম স্কন্ধৰ ৩৮৯ নং পদৰ পৰা ৪১৬ নং পদলৈকে থকা বৰ্ণনাসমূহ। ইয়াৰে ৪১৭ নং পদৰ পৰা ৫১৩ নং পদলৈকে থকা কথাখিনি মূল আখ্যানৰ লগত সম্পৰ্কিত যদিও মাধৱদেৱে এই অংশ বৰ্জন কৰিছে। মূলত বৰ্ণনা কৰা কাহিনীটো এনেধৰণৰ—

অঘাসুৰক বধ কৰি কৃষ্ণই গোপ শিশু আৰু গৰুবোৰক উদ্ধাৰ কৰি আনি যমুনাৰ তীৰত অৱস্থান কৰিলেহি। সেই সময়ৰ যমুনাৰ মোহনীয় সৌন্দৰ্য লক্ষ্য কৰি তেওঁ সংগীসকলক প্ৰস্তাৱ দিলে যে, তাতে সকলোৱে আনন্দৰে ভোজন কৰা হওক। সেইমতে গৰুবোৰক পানী খুৱাই মেলি দি সকলোৱে কৃষ্ণক মাজত বহুৱাই লৈ আনন্দ মনেৰে ভোজন কৰিবলৈ ল'লে। এইদৰে ভোজন কৰি থাকোঁতেই সকলোৰে অগোচৰে গৰুবোৰ গৈ বনৰ মাজতসোমালগৈ। এই কথা লক্ষ্য কৰি গোপবালকসকলে ভোজন এৰি গৰু বিচাৰি যাবলৈ উদ্যত হ'ল। কিন্তু কৃষ্ণই সকলোকে আশ্বস্ত কৰি ক'লে যে গৰু বিচাৰিবলৈ কোনো যাব নালাগে, তেওঁ নিজেই বিচাৰি আনি দিব। এইদৰে তেওঁ গৰু বিচাৰিবলৈ বনত সোমাল যদিও গৰুবোৰ বিচাৰি নাপালে । আনপিনে তেওঁ যমুনাৰ বালিলৈ উলটি আহি দেখে যে গোপবালকসকলো তাৰ পৰা নাইকিয়া হৈছে। এইবাৰ তেওঁ গৰু আৰু গো-পালক শিশুসকলৰ সন্ধানত পুনৰ বনত সোমাল। দৰাচলতে এই গৰু আৰু গো-পালক শিশুবোৰ ব্ৰহ্মাই যোগবলৰ সহায়ত লুকুৱাই থৈছিল। অঘাসুৰ বধৰ সময়ত কৃষ্ণৰ দৈৱ মায়া প্ৰত্যক্ষ কৰি তেওঁৰ শক্তিৰ পৰীক্ষা ল'বৰ বাবে ব্ৰহ্মাই গৰুবোৰ লকুৱাই থৈছিল। কৃষ্ণই ধ্যানযোগে এই কথা জানিব পাৰি গোৰক্ষ--দামুৰীৰ সন্ধান বাদ দি নিজেই শতেক গোৰক্ষ-দামুৰীৰ ৰূপ ধাৰণ কৰিলে। এই মায়াসৃষ্ট গোৰক্ষ-দামুৰীবোৰে আচল গোৰক্ষ-দামুৰীতকৈ তিলমানো ইফাল-সিফাল নকৰাকৈ নিজ নিজ ঘৰত থাকিবলৈ ল'লে। আনকি গোৱালীসকলে এই গোপবালককে আচল গোপবালক বুলি ধৰি আঁকোৱালি ল'লে আৰু গোৱালসকলেও গৰুবোৰ আচল বুলিয়ে ভাবিলে। অৱশ্যে ইয়াৰ মাজতে বলভদ্ৰই এদিন লক্ষ্য কৰিলে যে এই গৰুবোৰ আৰু গোপশিশুবোৰৰ মাজত স্বয়ং কৃষ্ণ বিৰাজমান হৈ আছে। সিপিনে ব্ৰহ্মাই দেখিলে যে তেওঁ লুকুৱাই থোৱা গৰুবোৰ আৰু গোপবালকসকল নিজৰ নিজৰ ঘৰতে সুকলমে আছে। এই কথা দেখি তেওঁ লুকুৱাই থোৱা গোপবালকসকল আৰু গৰুবোৰ গৈ দেখে যে সিহঁতো তেওঁ লুকুৱাই থোৱাৰ দৰেই শয়নাৱস্থাত পৰি আছে। এই কথাত বিস্মিত হৈ তেওঁ কৃষ্ণৰ সৈতে থকা গৰু আৰু গোপবালকবোৰক পুনৰ চাবলৈ আহি দেখে যে প্ৰকৃততে প্ৰত্যেকেই কৃষ্ণমূৰ্তি হৈ ধৰা দিছে। এনে মায়া দেখি ব্ৰহ্মা মূৰ্চিত হৈ পৰিল। তাকে দেখি কৃষ্ণই হাঁহি হাঁহি নিজৰ ৰূপবোৰ সম্বৰণ কৰাত ব্ৰহ্মাৰ সম্বিত লাহে লাহে ঘূৰি আহিল আৰু তেওঁ কৃষ্ণক স্তুতি কৰিবলৈ ধৰিলে।

আত্মমূল্যায়ন

১। কৃষ্ণই বঘাসুৰ বধ কৰি আহি কি কৰিছিল?

.....

.....

২। বঘাসুৰ বধৰ সময়ত কৃষ্ণৰ মায়া দেখি ব্ৰহ্মাই কি কৰিছিল?

.....

.....

৩। গৰু আৰু গোপবালকসকলক বিচাৰি নাপাই কৃষ্ণই কি কৰিলে?

.....

.....

৪। কৃষ্ণই সৃষ্টি কৰা গৰু আৰু গোপবালকবোৰ দেখি ব্ৰহ্মাই কি কৰিলে?

.....

.....

২.২.২.৫ *ভোজন বেহাৰ* নাটখনৰ অসম্পূৰ্ণতা

মাধৱদেৱৰ *ভোজন বেহাৰ* নাটখনি সম্পূৰ্ণ ৰূপত উদ্ধাৰ হোৱা নাই। যদিও দুই এক প্ৰকাশিত গ্ৰন্থত নাটখনিৰ শেষত সমাপ্তিসূচক বাক্য সংযোগ কৰা হৈছে, তথাপি নাটখনি সম্পূৰ্ণ যেন নালাগে। ব্ৰহ্মাই গোপবালকসকল আৰু গৰুবোৰ লুকুৱাই থোৱা বুলি কৃষ্ণই ধ্যানযোগে জানিব পাৰি বিলাপ কৰি থাকোঁতে হঠাতে নাটখন শেষ হৈছে। এনে কাৰণত নাটখনত কৃষ্ণৰ দেৱত্ব যিটো পৰ্যায়ত প্ৰতিষ্ঠা হ'ব লাগিছিল সেয়া নহ'ল । কাৰণ মূলত কৃষ্ণই যি মায়া গোৰক্ষ-দামুৰীৰ সৃষ্টি কৰিছিল সেয়া কৃষ্ণৰ দেৱত্ব প্ৰতিষ্ঠাৰ বাবে আটাইতকৈ দৰকাৰী কথা আছিল। কিন্তু নাটখনত এই কথাটো নাই। তদুপৰি ব্ৰহ্মাৰ স্তুতি অংশ বাদ দিয়াৰ ফলতো কৃষ্ণৰ দেৱত্ব প্ৰতিষ্ঠাৰ এটা সুযোগ হেৰাল। কিন্তু নাটখনি বৰপেটাৰ ৰঙিয়াল ঘৰ নিৰ্মাণৰ পাছত ঘৰটো মুকলি কৰোঁতে অভিনয় কৰা বুলি দৈত্যাৰী ঠাকুৰৰ চৰিত পুথিত উল্লেখ আছে। বোধহয় নাটখনি মাধৱদেৱে আৰু কিছু কথা সামৰি সম্পূৰ্ণকৈ লিখিছিল, যিসমূহ তেওঁ ইচ্ছা কৰি বাদ দিয়াৰ কাৰণ বিচাৰি পোৱা নাযায়। হয়তো নাটখনিৰ মূল পাণ্ডুলিপিৰ শেষৰ দুটামান পাত কিবা প্ৰকাৰে হেৰাল বা নষ্ট হ'ল। যিটো কাৰণত নাটখনি অসম্পূৰ্ণ ৰূপতহে বৰ্তমান পঢ়িবলৈ পোৱা যায়।

আত্মমূল্যায়ন

১। *ভোজন বেহাৰ* নাটখন কিয় আধাতে শেষ হোৱা যেন লাগে?

.....

.....

২। *ভোজন বেহাৰ* নাটখনিত মূলৰ কোনকেইটা কথা মাধৱদেৱে ইচ্ছা কৰি বাদ দিয়া যেন নালাগে?

.....

.....

২.২.১.৬ *ভোজন বেহাৰ* নাটত *আদি দশম*ৰ প্ৰভাৱ আৰু মাধৱদেৱৰ মৌলিকত্ব

*ভোজন বেহাৰ*নাটখনৰ মূল যে *ভাগৱতৰ* পৰা সংগ্ৰহ কৰা হৈছে সেই কথা ইতিমধ্যে উল্লেখ কৰা হৈছে । এই ক্ষেত্ৰত তেওঁ নান্দীশ্লোকটো (নাটৰ আৰম্ভণিত থকা শ্লোক) নিজে ৰচনা কৰিছে। তাৰ বিপৰীতে বিষয়বস্তু আহৰণৰ ক্ষেত্ৰত তেওঁ মহাপুৰুষ শংকৰদেৱৰ দ্বাৰা অনুদিত *আদি দশম*ৰ দ্বাৰাহে বিশেষভাৱে প্ৰভাৱিত হৈছে। উদাহৰণ স্বৰূপে *আদি দশম*ৰ ৩৯৪ আৰু ৩৯৫ নং পদত উল্লেখ আছে যে, অঘাসুৰ বধৰ পাছত শ্ৰীকৃষ্ণ সংগীসৱৰ সৈতে বনভোজৰ বাবে যমুনাৰ পাৰত গৈ উপস্থিত হ'ল আৰু যমুনাৰ সৌন্দৰ্য প্ৰশংসা কৰিলে। লগতে সকলোকে আহ্বান জনালে যে গৰুবোৰ পানী খুৱাই মেলি দি সকলোৱে আনন্দৰে ভোজন কৰিব লাগে। মাধৱদেৱে নাটখনিত অঘাসুৰৰ কথাখিনি বাদ

দিছে, কিন্তু মূল বৰ্ণনাক পদৰপৰা সংলাপলৈ সলনি কৰিবলৈ যাওঁতে বিশেষ সাল-সলনি কৰা নাই। একেদৰেই মূলৰ ৩৯৬-৩৯৯ পদকেইটাও *আদি দশমৰ* বৰ্ণনাৰ সৈতে সাদৃশ্যপূৰ্ণ। সেই কাৰণে বহু সময়ত *ভোজন বেহাৰ* নাটকখনি *আদি দশমৰ* নিৰ্দ্ধাৰিত পদকেইটাৰ নাট্যৰূপ যেন লাগে। অৱশ্যে তাৰ মাজতো নাট্যকাৰ হিচাপে মাধৱদেৱৰ মৌলিকত্ব যথাযথ ৰূপত প্ৰকাশ পাইছে।

মাধৱদেৱে নাটখনি ৰচনা কৰোঁতে নাটকীয় প্ৰয়োজনৰ প্ৰতি লক্ষ্য ৰাখি বাহুল্য যেন লগা কিছুমান কথা বৰ্জন কৰিছে। আনহাতে কিছু কথা চমুৱাইছে। প্ৰয়োজনত কিছু কথা সংযোগো কৰিছে। ইতিমধ্যে উল্লেখ কৰা হৈছে যে নাটকখনিৰ নান্দী শ্লোকটো মাধৱদেৱৰ নিজৰ ৰচনা। অৱশ্যে এই নান্দী শ্লোকৰ এটা অংশ ছপাকৈ প্ৰকাশিত অঙ্কীয়া নাট-ঝুমুৰাৰ সংকলনকেইটিত কিছু কিছু সুকীয়া সুকীয়াকৈ আছে। পুৰণি পুথিত থকা এনে পাৰ্থক্যক পাঠান্তৰ বোলে আৰু এনে পাঠান্তৰ সাধাৰণতে বহু পুথিৰ ক্ষেত্ৰত দেখা যায়। মাধৱদেৱে ৰচনা কৰা নাটসমূহৰ ভিতৰত মাত্ৰ *ভোজন বেহাৰতহে* এটা ভটিমা সংযোগ কৰা হৈছে। মাধৱদেৱৰ দ্বাৰা ৰচিত এই একমাত্ৰ নাট ভটিমাটিত অতি মনোৰম ভাষাত যশোদাই কৃষ্ণক জগাই সংগীসৱৰ সৈতে গৰু চৰাবলৈ যাবলৈ অনুপ্ৰাণিত কৰা কথা বৰ্ণনা কৰা হৈছে। নাটকখনত ভটিমাটোৰ উপৰিও তিনিটা গীত সংযোগ কৰা হৈছে। এই গীতকেইটাৰ মাজতো মাধৱদেৱৰ মৌলিক কাব্য প্ৰতিভাই সঞ্চাৰি ৰূপ লাভ কৰিছে। নাৰদ চৰিত্ৰটোৰ প্ৰৱেশ আকস্মিক যদিও কৃষ্ণৰ দৈৱ ৰূপটো প্ৰকাশ কৰাত চৰিত্ৰটোৱে যথেষ্ট সহায় কৰিছে। গতিকে মূলৰ বহু বক্তব্য পদৰ পৰা নাটকীয় বক্তব্যলৈ ৰূপান্তৰ কৰা যেন লাগিলেও নাটখনত মাধৱদেৱৰ মৌলিক প্ৰতিভাৰ স্বাক্ষৰ স্পষ্টকৈ ধৰিব পাৰিব।

আত্মমূল্যায়ন

১। *ভোজন বেহাৰ* নাটৰ সৈতে *আদি দশমৰ* সাদৃশ্য কেনে লিখক?

.....

.....

২। মূলৰ কি কি কথা *ভোজন বেহাৰত* বাদ পৰিছে?

.....

.....

৩। মাধৱদেৱে কি কি নতুন কথা *ভোজন বেহাৰত* সংযোগ কৰিছে?

.....

.....

২.২.২.৭ *ভোজন বেহাৰ* নাটকখনিৰ ৰস

সাধাৰণতে সংস্কৃত নাট্য সাহিত্যত নটা ৰসৰ কথা কোৱা হয়। এইকেইটা হৈছে— শৃংগাৰ, কৰুণ, বীৰ, হাস্য, অদ্ভুত, ৰৌদ্ৰ, বীভৎস, ভয়ানক আৰু শান্ত। এইকেইটা নৱৰস নামেৰে বিখ্যাত। একাংশ পণ্ডিতে ভক্তিৰস নামৰ এটা ৰসৰ কথাও উল্লেখ কৰে। কিন্তু ভালদৰে চাই একাংশ পণ্ডিতে ভক্তিক এটা ভাৱহে বুলিছে। এই ভাৱটোৱে উদ্ৰেক ঘটোৱা ৰসৰ নাম শান্ত ৰস। *ভোজন বেহাৰ* নাটত সখিত্বৰ আধাৰত কৃষ্ণৰ প্ৰতি গোপবালকসকলৰ মনৰ ভক্তি ভাৱ প্ৰকাশ কৰা হৈছে। নাট্যকাৰৰ বৰ্ণনায়ো কৃষ্ণৰ প্ৰতি দৰ্শক-পাঠকৰ মনত ভক্তিভাৱ জাগ্ৰত কৰে। আনহাতে কৃষ্ণই গোপবালকসকলক বিচাৰি নাপাই যি বিলাপ জুৰিছে, সিও তেওঁৰ ভক্তবৎসল ৰূপটোকে ফুটাই তোলে। গতিকে গোটেই নাটখনিতে কৃষ্ণভক্তি মাৰ্গৰ যি প্ৰকাশ ঘটোৱা হৈছে, সি শান্তৰস নিষ্পত্তিৰ পথ সুগম কৰে। গতিকে নাটখনিত আপাত দৃষ্টিত প্ৰকাশিত ভক্তি ৰসৰ আঁৰত শান্তৰস প্ৰতিপন্ন হৈছে।

আত্মমূল্যায়ন

১। নৱৰসৰ নাম লিখক?

.....

.....

২। *ভোজন বেহাৰ* নাটত শান্ত ৰস কেনেদৰে প্ৰকাশ পাইছে লিখক?

.....

.....

২.২.২.৮ *ভোজন বেহাৰ* নাটত কৃষ্ণৰ দুতৰপীয়া চৰিত্ৰ

ভোজন বেহাৰ নাটকখনত আন ঝুমুৰাসমূহৰ দৰেই কৃষ্ণৰ দুতৰপীয়া চৰিত্ৰ এটা প্ৰকাশ কৰা হৈছে। ইয়াৰে এটা হৈছে ভগৱান শ্ৰীকৃষ্ণ আৰু আনটো সাধাৰণ মানৱী শিশু। নাটকখনিত শিশু কৃষ্ণই তেনেই সাধাৰণ মানৱী শিশুৰ দৰে আচৰণ কৰিছে। আৰম্ভণিতে যশোদাই সাধাৰণ শিশুৰ দৰেই কৃষ্ণক মৰেমেৰে টোপনিৰ পৰা জগাইছে। তাৰ পাছত কৃষ্ণ লগৰীয়াবোৰৰ লগত গৰু চৰাবলৈ ওলাই গৈছে। এই আচৰণবোৰ দেখাত তেনেই সাধাৰণ মানৱী শিশুসুলভ আচৰণ। যমুনাৰ পাৰ পাই তাৰ সৌন্দৰ্য নিৰীক্ষি তেওঁ কিদৰে আনন্দত উঠলি উঠিছে সেয়া আপোনালোকে নিশ্চয় মন কৰিছে। সেই আনন্দতে তেওঁ গোপবালকসকলৰ এগৰাকী হিচাপে কৈছে যে তেওঁলোকে গৰুবোৰ মেলি দি একেলগে আনন্দ কৰিবলৈ ভাল পাব। কিন্তু সকলোবোৰ মাজত থাকিলেও তেওঁ আনতকৈ অলপ পৃথক। সেইবাবে আন গোপবালকসকলে ভোজন কৰি থাকোঁতে তেওঁক মাজত বিশেষভাৱে বহুৱাই লৈছে। আকৌ যেতিয়া গৰুবোৰ হেৰাল বুলি শ্ৰীদাম নামৰ গৰখীয়াটিয়ে আহি কৈছে, তেতিয়া তেওঁ অকলশৰে গৰুবোৰ বিচাৰিবলৈ ওলাই গৈছে। তাতোতকৈয়ো উজ্জ্বল ৰূপত তেওঁৰ আন এটা ৰূপ ফুটি ওলাইছে নাৰদৰ মুখত। নাৰদ আহি তেওঁলোকৰ মাজত উপস্থিত হোৱাৰ পাছত নাৰদে যি কৃষ্ণৰ বৰ্ণনা কৰিছে, সেয়া তেওঁৰ ভগৱান ৰূপটো ফুটাই তুলিবৰ বাবে যথেষ্ট। তেওঁ গৰুবোৰ বিচাৰি নাপাই উলটি আহি দেখিছে যে গোপবালকসকলো নাইকিয়া হ'ল। এই কথা দেখি তেওঁ যি বিলাপ জুৰিছে তাৰ আগত ভক্তবৎসল ভগৱান শ্ৰীকৃষ্ণগৰাকী লুকাই আছে। তদুপৰি তেওঁ ধ্যানযোগে গোৰক্ষ-দামুৰীবোৰ ব্ৰহ্মাই লুকুৰাই থোৱা বুলি জানিব পৰাটোও তেওঁৰ দেৱত্বৰ সূচক। এনেদৰে নাটখনিৰ মাজত মানৱী শিশু আৰু দেৱতা শ্ৰীকৃষ্ণ— এই দুয়োটা ৰূপতে শ্ৰীকৃষ্ণ চৰিত্ৰটো ফুটি ওলোৱাটো আপোনালোকে দেখিবলৈ পাব। এই দুয়োটা ৰূপৰ আঁত ধৰিয়ে শ্ৰীকৃষ্ণৰ দুতৰপীয়া চৰিত্ৰ নাটকখনত ফুটি ওলোৱা বুলি কোৱা হয়।

আত্মমূল্যায়ন

১। শ্ৰীকৃষ্ণৰ মানৱী ৰূপ কি কি প্ৰসংগত ফুটি ওলায় লিখক?

.....

.....

২। দেৱতাৰূপে শ্ৰীকৃষ্ণৰ কি কি লক্ষণ ফুটি ওলাইছে লিখক?

.....

.....

২.২.৩ সাৰাংশ

মাধৱদেৱৰ ঝুমুৰা অসমৰ বৈষ্ণৱ নাট্য সাহিত্যৰ এক উল্লেখযোগ্য সম্পদ। নাটখনিত শংকৰদেৱৰ *আদি দশম*ৰ ৩৮৯ ৰ পৰা ৪১৬ নং পদলৈকে বৰ্ণিত বিষয়বস্তুৰ নাটকীয় ৰূপ প্ৰদান কৰা হৈছে। গীত-নৃত্য প্ৰধান অভিনয়ৰ বাবে সুচলভাৱে ৰচনা কৰা এই নাটখনিক মাধৱদেৱৰ এখন সন্দেহমুক্ত ঝুমুৰা হিচাপে ধৰা যায়। নাটখনিত মূলৰ অঘাসুৰ বধৰ কথা বৰ্জন কৰি মাত্ৰ যমুনাৰ বালিত গৰু চৰাবলৈ যোৱা কৃষ্ণ আৰু তেওঁৰ সংগীসকলৰ আনন্দময় ধেমালি আৰু তাৰ মাজতে নাৰদক প্ৰৱেশ ঘটাই কৃষ্ণৰ দেৱত্ব প্ৰকাশ কৰা হৈছে। ইয়াৰ উপৰি গৰুবোৰ আৰু কৃষ্ণৰ সংগী গৰখীয়া ল'ৰাবোৰ হেৰোৱা কথাটোৱে কৃষ্ণৰ মনত যি বিৰহৰ জন্ম দিছে সি ভক্তবৎসল কৃষ্ণৰ ৰূপ প্ৰকাশ কৰে। কৃষ্ণই ধ্যানযোগে জানিব পাৰিছে যে গৰুবোৰ আৰু গৰখীয়া ল'ৰাবোৰ ব্ৰহ্মাই লুকুৰাই থৈছে। এয়া তেওঁৰ দৈৱী ক্ষমতাৰ পৰিচায়ক। নাটখনিৰ বিষয়বস্তুৱে পূৰ্ণতা লাভ কৰা নাই, তথাপি এখন ঝুমুৰা হিচাপে নাটখনি মাধৱদেৱৰ মৌলিক প্ৰতিভাৰ সূচক তথা পঞ্চদশ শতিকাৰ অসমীয়া সাহিত্যৰ নিদৰ্শন ই বহন কৰে।

২.২.৪ শব্দটোকা

ভোজনবেহাৰ ঝুমুৰাত থকা কিছুমান শব্দৰ অর্থ তলত দিয়া হ'ল—

চুম্বিত	-	চুমা খাই
জগাৱনকু	-	জগাইছে
বোলাৱনুকু	-	মাতিছে
চঞ্চো/ চঞ্চ	-	গাখীৰ প্রস্তুত কৰা এবিধ খাদ্য
বজাৱনকু	-	বজোৱা
ছোড়ি	-	এৰি
চবিন	-	প্রবীন
উপাদ	-	কৰতাল
কহাৱত	-	কোৱা
নিসান	-	ধ্বনি
নিশি	-	নিশা/ ৰাতি
পীত	-	হালধীয়া
ধৰা	-	কটি বস্ত্র বা ডিঙিত মেৰিয়াই দিয়া কাপোৰ
নেত	-	পাটৰ মিহি কাপোৰ
গুঞ্জ	-	কুণ্ডল, কাণত পিন্ধা এবিধ অলংকাৰ
গেৰু	-	এবিধ অলংকাৰ
সিকিয়া/শিকিয়া	-	দুই মূৰে জৰী লগাই নিব পৰা জৰীৰ যতন
পাশন	-	শিল
কন্নিকা	-	পদুমৰ চকা
বেৰাটিত/বেৰটিত	-	হাতৰ কিলাকূটিৰ ভিতৰত, পেটীত
চৌভিতি	-	চাৰিওদিশে
কতিস্থ	-	কেতিয়াবা
তাসুক	-	তেওঁলোক
ভেট	-	সম্ভেদ
নিহালি	-	ভালকৈ চোৱা
বিদূৰে	-	দূৰলৈ
পৈশল	-	প্রবেশ কৰিলে
অহিতো	-	ইয়াতো
পৰমাদ	-	প্রমাদ বা ভুল
উদিশ	-	উৱাদিহ/সন্ধান
একেশ্বৰা	-	অকলশৰে
বাচৰু/বাছৰু	-	দামুৰি

২.২.৫ অনুশীলনী

২.২.৫.১ বোধজ্ঞানৰ অনুশীলনী

প্রশ্ন ১ ঃ তলৰ প্রশ্নবোৰৰ উত্তৰ কৰক—

ক) ভাৰতবর্ষৰ প্রান্তীয় ভাষাত প্রথম কোনে নাট ৰচনা কৰিছিল?

খ) মাধৱদেৱৰ নাটবোৰক কি বুলি কোৱা হয়?

গ) মাধৱদেৱৰ ৰচনাবোৰ কি কি শ্রেণীত ভগাব পাৰি?

ঘ) 'ঝুমুৰা' শব্দটোৰ সৈতে সাদৃশ্য থকা পৰিবেশটো কেনেকুৱা?
ঙ) ঝুমুৰাৰ মূল উৎস কি? *ভোজনবেহাৰ* নাটৰ মূল কি?
চ) কৃষ্ণই যমুনাৰ তীৰৰ পৰিৱেশ দেখি কি কৰিবলৈ মন কৰিছিল?
ছ) গৰুবোৰ দূৰলৈ আঁতৰি যোৱা বুলি কোনে প্ৰথমে মন কৰিছিল?
জ) কৃষ্ণই গৰুবোৰ বিচাৰি নাপাই উলটি আহি কি দেখিলে?
ঝ) গৰুবোৰ কোনে লুকুৱাই থোৱা বুলি ধ্যানযোগে জানিব পাৰিছিল?

প্ৰশ্ন ২ ঃ তলত দিয়া শুদ্ধ মন্তব্যবোৰ '✓' চিনেৰে আৰু ভুল মন্তব্যবোৰ '×' চিনেৰে চিনাক্ত কৰক—

ক) শংকৰদেৱে শিশু কৃষ্ণক লৈ নাটক লিখিছিল।
খ) ঝুমুৰাবোৰ চুটি আৰু নৃত্য-গীত প্ৰধান।
গ) *ভোজনবেহাৰ* নাটত *আদি দশম* ৰ ৪১৭ ৰ পৰা ৫১৩ নং পদলৈকে বৰ্ণিত বিষয়বস্তুক নাট্যৰূপ দিয়া হৈছে।
ঘ) মূলৰ অঘাসুৰ বধৰ প্ৰসংগ 'ভোজনবেহাৰ'ত বাদ দিয়া হৈছে।
ঙ) শ্ৰীকৃষ্ণই নিজেই হেৰোৱা গৰুবোৰ বিচাৰিবলৈ বনৰ মাজলৈ সোমাই গৈছিল।
চ) *ভোজনবেহাৰ* নাটৰ কথাবস্তু আহৰণত মাধৱদেৱ মূল ভাগৱততকৈ শংকৰদেৱ অনূদিত ভাগৱতৰ দশম স্কন্ধৰহে বেছি ওচৰ চাপি গৈছে।
ছ) নাৰদ চৰিত্ৰটো মাধৱদেৱে মূল ভাগৱতৰ সাদৃশ্য ৰক্ষা কৰি নাটকত অন্তৰ্ভুক্ত কৰিছে।
জ) নাটকখনিৰ নান্দী শ্লোকটো মাধৱদেৱৰ নিজা ৰচনা।
ঝ) নাটকখনিৰ শেষত মুক্তিমংগল ভটিমাৰ ঠাঁচত এটা গীত সংযোগ কৰা হৈছে।

২.২.৫.২ বৈয়াকৰণিক অনুশীলনী

(১) তলৰ বাক্যকেইটাৰ বিশেষ্য শব্দবোৰ চিনাক্ত কৰক—

ক) মুৰুলী লেহু শ্যাম বজাৱনকু
খ) শিঙ্গা উপাঙ্গ বেণু বহু বাজত
গ) দাম সুদাম সখিসৱ মিলত
আনন্দে গোবিন্দ বেলাৱতৰে
ঘ) কৃষ্ণক অসংখ্য বৎস বাটি লৈয়া
চলি গৈলা বৃন্দাবনে।
ঙ) পদ্মক বেঢ়িয়া ভ্ৰমৰে গুঞ্জৰে।
চ) হে স্বামী, ত্ৰিভূৱন বিচাৰি যমুনাক তীৰে তোহাৰি পদচিহ্ন ভেট পাৱলো
ছ) বৃন্দাবন মাজে কৃষ্ণ বসিলা আসনে।
ব্ৰহ্মাই কৰিলা চুৰি জানিলা ধিয়ানে।।

(২) তলৰ শব্দবোৰৰ বিপৰীত অৰ্থবোধক আধুনিক অসমীয়া শব্দ একোটাকৈ লিখক—
ছোৱালী, চৰিন, নিশি, বিদূৰ, একেশ্বৰা, প্ৰাতম, হাঁহি

২.২.৫.৩ পঠন অনুশীলনী

১। (ক) মূল নাটকখনি পঢ়ক আৰু তাত থকা কৃষ্ণৰ মানৱীয় আচৰসমূহ আৰু ভগৱানসুলভ আচৰণবোৰ চিনাক্ত কৰক।
(খ) মূল নাটকখনিৰ ভটিমাটো পঢ়ি বুজিবলৈ চেষ্টা কৰক।
(গ) ঝুমুৰাৰ বিষয়ে পৰিচয় দিয়া খণ্ডটো পঢ়ক আৰু *ভোজনবেহাৰ* ঝুমুৰাখন আন ঝুমুৰাকেইখনতকৈ আন কি কি কথাত পৃথক বাছি উলিয়াওক।
(ঘ) *ভোজনবেহাৰ* নাটত নাট্যকাৰৰ মৌলিকত্ব সম্পৰ্কীয় খণ্ডটো পঢ়ি মৌলিক দিশকেইটা চিনাক্ত কৰক।

২। তলৰ পৰিচ্ছেদটো পঢ়ক আৰু তাৰ মূল কথাখিনি টোকা কৰি লওক—
ভোজন বেহাৰ নাটকখনত আন ঝুমুৰাসমূহৰ দৰেই কৃষ্ণৰ দুতৰপীয়া চৰিত্ৰ এটা প্ৰকাশ কৰা হৈছে। ইয়াৰে এটা হৈছে ভগৱান শ্ৰীকৃষ্ণ আৰু আনটো সাধাৰণ মানৱী শিশু। নাটকখনিত

শিশু কৃষ্ণই তেনেই সাধাৰণ মানৱী শিশুৰ দৰে আচৰণ কৰিছে। আৰম্ভণিতে যশোদাই সাধাৰণ শিশুৰ দৰেই কৃষ্ণক মৰেমেৰে টোপনিৰ পৰা জগাইছে। তাৰ পাছত কৃষ্ণ লগৰীয়াবোৰৰ লগত গৰু চৰাবলৈ ওলাই গৈছে। এই আচৰণবোৰ দেখাত তেনেই সাধাৰণ মানৱী শিশুসুলভ আচৰণ। যমুনাৰ পাৰ পাই তাৰ সৌন্দৰ্য নিৰীক্ষি তেওঁ কিদৰে আনন্দত উঠলি উঠিছে সেয়া আপোনালোকে নিশ্চয় মন কৰিছে। সেই আনন্দতে তেওঁ গোপবালকসকলৰ এগৰাকী হিচাপে কৈছে যে তেওঁলোকে গৰুবোৰ মেলি দি একেলগে আনন্দ কৰিবলৈ ভাল পাব। কিন্তু সকলোবোৰৰ মাজত থাকিলেও তেওঁ আনতকৈ অলপ পৃথক। সেইবাবে আন গোপবালকসকলে ভোজন কৰি থাকোঁতে তেওঁক মাজত বিশেষভাৱে বহুৱাই লৈছে। আকৌ যেতিয়া গৰুবোৰ হেৰাল বুলি শ্রীদাম নামৰ গৰখীয়াটিয়ে আহি কৈছে, তেতিয়া তেওঁ অকলশৰে গৰুবোৰ বিচাৰিবলৈ ওলাই গৈছে। তাতোতকৈয়ো উজ্জ্বল ৰূপত তেওঁৰ আন এটা ৰূপ ফুটি ওলাইছে নাৰদৰ মুখত। নাৰদ আহি তেওঁলোকৰ মাজত উপস্থিত হোৱাৰ পাছত নাৰদে যি কৃষ্ণৰ বর্ণনা কৰিছে, সেয়া তেওঁৰ ভগৱান ৰূপটো ফুটাই তুলিবৰ বাবে যথেষ্ট। তেওঁ গৰুবোৰ বিচাৰি নাপাই উলটি আহি দেখিছে যে গোপবালকসকলো নাইকিয়া হ'ল। এই কথা দেখি তেওঁ যি বিলাপ জুৰিছে তাৰ আগত ভক্তবৎসল ভগৱান শ্রীকৃষ্ণগৰাকী লুকাই আছে। তদুপৰি তেওঁ ধ্যানযোগে গোৰক্ষ-দামুৰীবোৰ ব্রহ্মাই লুকুৱাই থোৱা বুলি জানিব পৰাটোও তেওঁৰ দেৱত্বৰ সূচক। এনেদৰে নাটখনিৰ মাজত মানৱী শিশু আৰু দেৱতা শ্রীকৃষ্ণ— এই দুয়োটা ৰূপতে শ্রীকৃষ্ণ চৰিত্রটো ফুটি ওলোৱাটো আপোনালোকে দেখিবলৈ পাব। এই দুয়োটা ৰূপৰ আঁত ধৰিয়ে শ্রীকৃষ্ণৰ দুতৰপীয়া চৰিত্র নাটকখনত ফুটি ওলোৱা বুলি কোৱা হয়।

২.২.৫.৪ লিখন অনুশীলনী

১। তলৰ পৰিচ্ছেদটোত একোটাকৈ বাক্য এৰি যোৱা হৈছে। বাক্যকেইটা লিখি পৰিচ্ছেদটো সম্পূর্ণ কৰক—

"মাধৱদেৱৰ *ভোজন বেহাৰ*নাটখনি সম্পূর্ণ ৰূপত উদ্ধাৰ হোৱা নাই। যদিও দুই এক প্রকাশিত গ্রন্থত নাটখনিৰ শেষত সমাপ্তিসূচক বাক্য সংযোগ কৰা হৈছে, তথাপি নাটখনি সম্পূর্ণ যেন নালাগে। ব্রহ্মাই গোপবালকসকল আৰু গৰুবোৰ লুকুৱাই থোৱা বুলি কৃষ্ণই ধ্যানযোগে জানিব পাৰি বিলাপ কৰি থাকোঁতে হঠাতে নাটখন শেষ হৈছে। কাৰণ মূলত কৃষ্ণই যি মায়া গোৰক্ষ-দামুৰীৰ সৃষ্টি কৰিছিল সেয়া কৃষ্ণৰ দেৱত্ব প্রতিষ্ঠাৰ বাবে আটাইতকৈ দৰকাৰী কথা আছিল। কিন্তু নাটখনি বৰপেটাৰ ৰঙিয়াল ঘৰ নির্মাণৰ পাছত ঘৰটো মুকলি কৰোঁতে অভিনয় কৰা বুলি দৈত্যাৰী ঠাকুৰৰ চৰিত পুথিত উল্লেখ আছে। যিটো কাৰণত নাটখনি অসম্পূর্ণ ৰূপতহে বর্তমান পঢ়িবলৈ পোৱা যায়।"

২। মূল নাটকৰ পৰা দিয়া তলৰ পৰিচ্ছেদটোত যতিচিহ্নবোৰ উঠাই দিয়া হৈছে। সেইবোৰ সাম্ভাব্য স্থানত পুনৰ ব্যৱহাৰ কৰক—

"আহে সামাজিক লোক যে চৰাচৰ গুৰু নাৰায়ণ যাকেৰি স্রজনা সয়ল সংসাৰ ব্রহ্মা-মহেশ-বন্দিত-পাদপদ্ম পৰমপুৰুষ পুৰুষোত্তম সর্ব্বলোক হিত কাৰণে নন্দক মন্দিৰে বেকত হুয়াকহু কপট গোপবেশে পৰম মঙ্গলৰূপে নানাৰসে খেলনা কয়কহু ব্রজবাসীসৱক যৈছন আনন্দ কৰাৱল তা দেখহ শুনহ নিৰন্তৰে হৰি বোল"

৩। (ক) পাঠটোৰ আধাৰত নাটকখনিত মাধৱদেৱৰ কাব্য প্রতিভা কি কি দিশত ফুটি ওলাইছে লিখক।

(খ) *ভোজনবেহাৰ* নাটকখন কিয় গুৰুত্বপূর্ণ লিখক।

(গ) *ভোজনবেহাৰ* নাটখনিত কৃষ্ণৰ দৈৱী ৰূপৰ বিষয়ে প্রকাশ কৰিবলৈ ব্যৱহাৰ কৰা শব্দবোৰৰ এখন তালিকা প্রস্তুত কৰিবলৈ চেষ্টা কৰক।

(ঘ) *ভোজনবেহাৰ* নাটৰ সৈতে *আদি দশম*ৰ কোন কোন পদৰ সৈতে মিল আছে লিখক।

২.২.৬ উত্তৰ সংকেত

বোধজ্ঞানৰ অনুশীলনী - ১

ভোজনবেহাৰ নাট

ক) শংকৰদেৱে

খ) ঝুমুৰা

গ) ভক্তি তত্ত্বমূলক ৰচনা, আখ্যানমূলক ৰচনা, গীত আৰু ভটিমা আৰু নাটক

ঘ) নৃত্য-গীত মুখৰ পৰিবেশ

ঙ) ঝুমুৰাসমূহৰ মূল বিল্বমঙ্গলৰ *কৃষ্ণকর্ণামৃত* গ্ৰন্থ। *ভোজন বেহাৰ* উৎস *ভাগৱতৰ* আদি দশম।

চ) কৃষ্ণই যমুনাৰ তীৰৰ পৰিৱেশ দেখি গৰুবোৰ চৰিবলৈ মেলি দি ভোজন কৰিবলৈ মন কৰিছিল।

ছ) শ্ৰীদাম

জ) কৃষ্ণই গৰুবোৰ বিচাৰি নাপাই উলটি আহি দেখিলে যে সংগী গোপবালকসকলো তাত নাই।

ঝ) গৰুবোৰ ব্ৰহ্মাই লুকুৱাই থোৱা বুলি ধ্যানযোগে জানিব পাৰিছিল।

বোধজ্ঞানৰ অনুশীলনী - ২

ক) শংকৰদেৱে শিশু কৃষ্ণক লৈ নাটক লিখিছিল। ×

খ) ঝুমুৰাবোৰ চুটি আৰু নৃত্য-গীত প্ৰধান। ✓

গ) *ভোজনবেহাৰ* নাটত আদি দশমৰ ৪১৭ ৰ পৰা ৫১৩ নং পদলৈকে বৰ্ণিত বিষয়বস্তুক নাট্যৰূপ দিয়া হৈছে। ×

ঘ) মূলৰ অঘাসুৰ বধৰ প্ৰসংগ 'ভোজনবেহাৰ'ত বাদ দিয়া হৈছে। ✓

ঙ) শ্ৰীকৃষ্ণই নিজেই হেৰুৱা গৰুবোৰ বিচাৰিবলৈ বনৰ মাজলৈ সোমাই গৈছিল। ✓

চ) *ভোজনবেহাৰ* নাটৰ কথাবস্তু আহৰণত মাধৱদেৱ মূল ভাগৱততকৈ শংকৰদেৱ অনূদিত ভাগৱতৰ দশম স্কন্ধৰহে বেছি ওচৰ চাপি গৈছে। ✓

ছ) নাৰদ চৰিত্ৰটো মাধৱদেৱে মূল ভাগৱতৰ লগত সাদৃশ্য ৰক্ষা কৰি নাটকত অন্তৰ্ভুক্ত কৰিছে। ×

জ) নাটকখনিৰ নান্দী শ্লোকটো মাধৱদেৱৰ নিজা ৰচনা। ✓

ঝ) নাটকখনিৰ শেষত মুক্তিমংগল ভটিমাৰ ঠাঁচত এটা গীত সংযোগ কৰা হৈছে।✓

বৈয়াকৰণিক অনুশীলনী - ১

ক) মুৰুলী, শ্যাম

খ) শিঙ্গা, উপাঙ্গ, বেণু

গ) দাম, সুদাম, সখি, গোবিন্দ

ঘ) কৃষ্ণ, বৎস, বৃন্দাবন

ঙ) পদ্ম, ভ্ৰমৰ

চ) স্বামী, ত্ৰিভূৱন, যমুনা, পদচিহ্ন

ছ) বৃন্দাবন, কৃষ্ণ, আসন, ব্ৰহ্মা

বৈয়াকৰণিক অনুশীলনী - ২

ছোড়ি - ধৰি

চবিন - নবীন

নিশি - দিন

বিদূৰ - ওচৰ

একেশ্বৰা- লগেভাগে

প্ৰাতস - সন্ধ্যা

হাসি - কান্দি

২.২.৭ অতিৰিক্ত পঠন উপদেশ

অঙ্কীয়া নাট, বিৰিঞ্চি কুমাৰ বৰুৱা (সম্পা.)
অঙ্কাৱলী, কালিৰাম মেধি (সম্পা.)
মাধৱদেৱঃ সাহিত্য, কলা আৰু দৰ্শন, কৰবীডেকা হাজৰিকা
ভোজন বেহাৰ নাট, সত্যকাম বৰঠাকুৰ (সম্পা.)

ignou
THE PEOPLE'S
UNIVERSITY

খণ্ড-২ গোট-IIIঃ আনন্দৰাম ঢেকিয়াল ফুকনৰ 'ইংলণ্ডৰ বিৱৰণ'
(Essay: Englandor Bivaran" by Anandaram Dhekial Phukan)

গাঁথনি

২.৩.১ পাতনি
২.৩.১.১ পৰিচয়
২.৩.১.২ উদ্দেশ্যাৱলী
২.৩.২ আধুনিক অসমীয়া গদ্যৰ বিকাশ
২.৩.৩ আনন্দৰাম ঢেকিয়াল ফুকন
২.৩.৩.১ আনন্দৰাম ঢেকিয়াল ফুকনৰ পৰিচয়
২.৩.৩.২ আনন্দৰাম ঢেকিয়াল ফুকনৰ ৰচনাৰাজিৰ পৰিচয়
২.৩.৪ আনন্দৰাম ঢেকিয়াল ফুকনৰ 'ইংলণ্ডৰ বিৱৰণ' প্ৰবন্ধৰ পৰ্যালোচনা
২.৩.৪.১ 'ইংলণ্ডৰ বিৱৰণ' প্ৰবন্ধৰ বিষয়বস্তু
২.৩.৪.২ আনন্দৰাম ঢেকিয়াল ফুকনৰ 'ইংলণ্ডৰ বিৱৰণ' প্ৰবন্ধৰ গদ্যৰ বৈশিষ্ট্য
২.৩.৫ শব্দটোকা
২.৩.৬ অনুশীলনী
২.৩.৬.১ বোধজ্ঞান অনুশীলনী
২.৩.৬.২ বৈয়াকৰণিক অনুশীলনী
২.৩.৬.৩ পঠন অনুশীলনী
২.৩.৬.৪ লিখন অনুশীলনী
২.৩.৭ উত্তৰ সংকেত
২.৩.৮ অতিৰিক্ত পঠন উপদেশ

২.৩.১ পাতনি

২.৩.১.১ পৰিচয়

অসমীয়া ভাষাটো এক সমৃদ্ধিশালী ভাষা। জন্মলগ্নৰেপৰা বৰ্তমানলৈকে অসমীয়া ভাষা-সাহিত্যই এক দীঘলীয়া ইতিহাস অতিক্ৰম কৰি আহিব লগা হৈছে। অসমীয়া লিখিত সাহিত্যয়ো প্ৰথমে ছন্দোবদ্ধ ৰূপত আত্মপ্ৰকাশ কৰি পৰৱৰ্তী সময়ত গদ্য ৰূপত বিকাশ লাভ কৰিছে। আপোনালোকে ইতিমধ্যে জানিব পাৰিছে যে, চৰ্যাপদতেই অসমীয়া ভাষাৰ প্ৰাচীনতম নিদৰ্শন পোৱা যায়। অসমীয়া সাহিত্যই মৌখিক সাহিত্য, চৰ্যাপদ, শ্ৰীকৃষ্ণ কীৰ্তনৰ ভাষাৰ মাজেৰে অতিক্ৰম কৰি প্ৰাক্‌শংকৰী যুগত পদ্যৰ মাধ্যমেৰে সাহিত্যিক ৰূপ লাভ কৰে। আনহাতে, ষোড়শ শতিকাৰ আদিভাগত মহাপুৰুষ শংকৰদেৱৰ ৰচিত নাটতেই অসমীয়া গদ্যৰ বীজ অঙ্কুৰিত হয়। পৰৱৰ্তী সময়ত ভট্টদেৱৰ হাতত অসমীয়া গদ্যই বিকাশ লাভ কৰে। ভট্টদেৱৰ হাতত জন্ম লাভ কৰা অসমীয়া গদ্যই বিকাশ আৰু ভিন্নমুখী পৰিৱৰ্তনৰ মাজেৰে আহি ঊনবিংশ শতিকাত আধুনিক গদ্যৰ ৰূপ লাভ কৰে। বুৰঞ্জীৰ গদ্য, চৰিত পুথিৰ গদ্য, ব্যৱহাৰিক পুথিৰ গদ্য আদিৰ মাজেৰে বিকশিত হৈ আহি মিছনেৰীসকলৰ আগমনৰ পিছত ১৮৪৬ চনত প্ৰকাশিত 'অৰুনোদই' কাকতৰ জৰিয়তে আত্মপ্ৰকাশ কৰা অসমীয়া গদ্যই এক আধুনিক ৰূপ পৰিগ্ৰহ কৰে। ষোড়শ শতিকাৰ আদি ভাগৰপৰা প্ৰায় ঊনবিংশ শতিকাৰ আৰম্ভণিলৈকে এই সময়ছোৱাক অসমীয়া গদ্যৰ প্ৰসাৰণৰ যুগ বুলি ধৰা হয়।

'অৰুনোদই' কাকতৰ মাজেৰে সাহিত্যিক জীৱনৰ পাতনি মেলা গদ্য ৰচকসকলৰ ভিতৰত আনন্দৰাম ঢেকিয়াল ফুকন, নিধি লিৰাই ফাৰোৱেল, হেমচন্দ্ৰ বৰুৱা, গুণাভিৰাম বৰুৱা আদি অন্যতম। 'অৰুনোদই'ৰ কোলাত ডাঙৰ-দীঘল হোৱা থুনুক-থানাক আধুনিক অসমীয়া গদ্যই আনন্দৰাম ঢেকিয়াল ফুকন, গুণাভিৰাম বৰুৱা, হেমচন্দ্ৰ বৰুৱা আদিৰ হাতত বিশুদ্ধ অসমীয়া গদ্যৰ চানেকি ৰূপে প্ৰতিষ্ঠিত হয়।

এনেধৰণেৰে বিকশিত হোৱা অসমীয়া গদ্য ৰচনাই নানা বিৱৰ্তনৰ মাজেৰে আহি কালক্ৰমত আজিৰ এই বিশ্বায়ন প্ৰভাৱিত স্তৰত উপনীত হৈছেহি। অসমীয়া গদ্যৰ ক্ৰমবিকাশ আৰু পৰিৱৰ্তনৰ অন্তৰালত সামাজিক-সাংস্কৃতিক-বৌদ্ধিক পটভূমি, পটভূমিৰ পৰিৱৰ্তিত ৰূপ, লেখকৰ ব্যক্তিগত প্ৰতিভা আৰু স্বকীয় দৃষ্টিভংগী, বিষয়বস্তুৰ বিভিন্নতা আদিয়ে সক্ৰিয় ভূমিকা গ্ৰহণ কৰি আহিছে। এই পাঠত এই সময়ছোৱাক প্ৰতিনিধিত্ব কৰা বিশিষ্ট সাহিত্যিক আনন্দৰাম ঢেকিয়াল ফুকনৰ এটা উল্লেখযোগ্য লেখা 'ইংলণ্ডৰ বিৱৰণ'ৰ বিষয়ে প্ৰাসংগিক আলোচনা আগবঢ়োৱা হৈছে।

২.৩.১.২ উদ্দেশ্যাৱলী

- আধুনিক আসমীয়া গদ্যৰ বিকাশৰ সম্পৰ্কে আভাস দিয়া।
- আনন্দৰাম ঢেকিয়াল ফুকনৰ বিষয়ে আৰু তেওঁৰ ৰচনাৰাজিৰ বিষয়ে পৰিচিত কৰা।
- আনন্দৰাম ঢেকিয়াল ফুকনৰ 'ইংলণ্ডৰ বিৱৰণ' প্ৰবন্ধটিৰ গুৰুত্ব আৰু এই প্ৰবন্ধটিৰ জৰিয়তে অসমীয়া জাতিৰ বাবে কেনেধৰণৰ নীতিমূলক উপদেশ প্ৰদান কৰিছে এই বিষয়ে বিস্তৃতভাৱে আলোচনা কৰা।

২.৩.২ আধুনিক অসমীয়া গদ্যৰ বিকাশ

ঊনবিংশ শতিকাৰ প্ৰথমাৰ্দ্ধৰ প্ৰায় চাৰিটা দশক অসমীয়া গদ্যই এক দুৰ্যোগপূৰ্ণ অৱস্থা অতিক্ৰম কৰিব লগা হয়। এই সময়ছোৱাত ইংৰাজ শাসকগোষ্ঠীৰ দ্বাৰা ১৮৩৭ চনত অসমৰ কাৰ্যালয়, আদালত আৰু বিদ্যালয়সমূহত বঙলা ভাষা প্ৰৱৰ্তন কৰাৰ ফলত অসমীয়া ভাষা-সাহিত্যই অতি শোচনীয় অৱস্থাৰ সন্মুখীন হ'ব লগা হয়। কিন্তু সৌভাগ্যৰ কথা যে, অসমত খ্ৰীষ্টধৰ্ম প্ৰচাৰৰ বাবে ১৮৩৬ চনৰ মাৰ্চ মাহত আমেৰিকান বেপ্টিষ্ট মিছনেৰীসকলে পদাৰ্পণ কৰে। এই লোকসকলৰ ভিতৰত ৰেভাৰেণ্ড নাথান ব্ৰাউন, ও. টি. কাট্টাৰ, মাইলছ ব্ৰন্সন, এ. এইচ. ডেনফোৰ্ড, এ. কে. গাৰ্নী আদি আছিল মূল ব্যক্তি। মিছনেৰীসকলে অসমলৈ আহিয়েই অসমীয়া ভাষাৰ সমস্যাই অসমীয়া জনসাধাৰণৰ জীৱনযাত্ৰাত যে বেমেজালি ঘটাইছে এই কথা উপলব্ধি কৰিছিল। তদুপৰি মিছনেৰীসকলে অসমত বঙলা ভাষাৰ প্ৰভাৱৰ ফলত অসমীয়া জনসাধাৰণৰ মনত সৃষ্টি হোৱা অস্থিৰতাৰ কথাও চিন্তা কৰি অসমীয়া ভাষা পুনৰ উদ্ধাৰৰ চেষ্টা চলায়। এই উদ্দেশ্যে তেওঁলোকে শিৱসাগৰত মিছন প্ৰেছ স্থাপন কৰি ১৮৪৬ চনত 'অৰুনোদই সম্বাদ পত্ৰ' প্ৰকাশ কৰে। অসমীয়া ভাষাৰ পুনৰ উদ্ধাৰৰ ক্ষেত্ৰত 'অৰুনোদই' কাকতে বহু পৰিমাণে সহায় কৰিছিল। বিশেষকৈ দেশ-বিদেশৰ জ্ঞান, বিজ্ঞান, খ্ৰীষ্ট ধৰ্ম সম্পৰ্কীয় অনেক বিষয়, বিভিন্ন দেশৰ সংবাদ, নৈতিক শিক্ষা, বুৰঞ্জী বিষয়ক লিখনী, জীৱনী আৰু নানা সাৰুৱা কথা ভাঙনি কৰি গদ্যৰ মাধ্যমত 'অৰুনোদই' কাকতত প্ৰকাশ পাইছিল। 'অৰুনোদই'ত বিবিধ বিষয়ক ৰচনা গদ্য আৰু পদ্য উভয় মাধ্যমতে প্ৰকাশ পাইছিল; অৱশ্যে পদ্যতকৈ গদ্যৰ সংখ্যা বেছি আছিল। মিছনেৰী লেখক ৰেভাৰেণ্ড নাথান ব্ৰাউন, ও. টি. কাট্টাৰ, মাইলছ ব্ৰন্সন, এ. এইচ.ডেনফোৰ্ড, এ. কে. গাৰ্নী আদি আৰু অসমীয়া লেখকসকলৰ ভিতৰত আনন্দৰাম ঢেকিয়াল ফুকন, নিধি লিৰাই ফাৰোৱেল, হেমচন্দ্ৰ বৰুৱা, গুণাভিৰাম বৰুৱা আদি অসমীয়া গদ্যৰ ভেটি নিৰ্মাতাসকলৰ ভিতৰত অন্যতম। 'অৰুনোদই' কাকতে আধুনিক অসমীয়া গদ্যৰ বিকাশৰ সুঁতিটোত এক উল্লেখযোগ্য বৰঙণি আগবঢ়ালে। 'অৰুনোদই'ৰ গদ্য উজনি অসমৰ প্ৰচলিত তদানীন্তন কথিত ভাষাৰ ভেটিত গঢ় লৈ উঠিছিল। জনসাধাৰণৰ বোধগম্যতাৰ কাৰণেই মিছনেৰীসকলে সৰলীকৃত গদ্যৰ প্ৰসাৰত অধিক গুৰুত্ব দিছিল। 'অৰুনোদই'ৰ গদ্য ভাব প্ৰকাশৰ বাহকহে, সেয়ে ইয়াত চুটি চুটি অথচ গহীন ভাব প্ৰকাশক বাক্যৰ প্ৰয়োগ পোৱা যায়। তদুপৰি 'অৰুনোদই'ৰ বাক্য আড়ম্বৰহীন পোনপটীয়া, সহজ-সৰল আৰু বোধগম্য। 'অৰুনোদই'ৰ গদ্যত মিছনেৰীসকলে অসমীয়া ভাষাৰ জতুৰা ঠাঁচটো নিখুঁতভাৱে আয়ত্ত কৰিব পৰা নাছিল। 'অৰুনোদই'ৰ গদ্যৰ ভাষাৰ লগত জনসাধাৰণৰ কথিত ভাষাৰ মিল আছে যদিও বাক্যগঠন ৰীতিত নিভাঁজ অসমীয়া ঠাঁচটোৰ পৰিৱৰ্তে ইংৰাজী সাহিত্যৰ মাজেৰে প্ৰৱেশ ঘটা এক সহজ-সৰল ভাব প্ৰকাশক ৰীতি পোৱা যায়।

ইংলণ্ডৰ বিৱৰণ

মিছনেৰীসকলৰ গদ্য ৰচনাৰ বৰ্ণবিন্যাস ৰীতি আছিল উচ্চাৰণভিত্তিক। উদাহৰণস্বৰূপে মিছনেৰীসকলে অসমীয়া উচ্চাৰণত হ্ৰস্বস্বৰ আৰু দীৰ্ঘস্বৰৰ পাৰ্থক্য নথকাৰ বাবে কেৱল হ্ৰস্বস্বৰ 'ই' ব্যৱহাৰ কৰিছিল। 'শ', 'ষ', 'স' উচ্চাৰণত পাৰ্থক্য পৰিলক্ষিত নহয় বাবে কেৱল 'স' হে ব্যৱহাৰ কৰিছিল, 'ন' আৰু 'ণ'ৰ ঠাইত 'ন' ৰ ব্যৱহাৰ কৰিছিল। 'ক্ষ' আৰু 'খ'ৰ মাজত উচ্চাৰণৰ প্ৰভেদ পোৱা নাছিল বাবে কেৱল 'খ', 'চ' আৰু 'ছ'ৰ ঠাইত 'চ' ৰ ব্যৱহাৰ কৰিছিল। 'ঙ'ৰ ঠাইত 'ঙ্গ' ব্যৱহাৰ মন কৰিবলগীয়া বৈশিষ্ট্য।

'অৰুনোদই'ৰ জৰিয়তে সাহিত্যিক জীৱনৰ পাতনি মেলা গদ্য ৰচকসকল — আনন্দৰাম ঢেকিয়াল ফুকন, নিধিলিৰাই ফাৰোৱেল, হেমচন্দ্ৰ বৰুৱা, গুণাভিৰাম বৰুৱা আদিয়ে 'অৰুনোদই'ৰ কোলাত ডাঙৰ-দীঘল হোৱা আধুনিক অসমীয়া গদ্যক পৰিপক্ক ৰূপত তুলি ধৰিবলৈ চেষ্টা কৰিছিল।

আধুনিক গদ্যৰ প্ৰাৰম্ভিক স্তৰত অসমীয়া গদ্যক এক সুনিৰ্দিষ্ট ৰূপ দিবলৈ যত্ন কৰা ব্যক্তিসকলৰ ভিতৰত অন্যতম প্ৰধান ব্যক্তি হৈছে— আনন্দৰাম ঢেকিয়াল ফুকন। দুটা খণ্ডত ৰচিত *অসমীয়া ল'ৰাৰ মিত্ৰ* আৰু *অৰুনোদই*ত প্ৰকাশিত প্ৰবন্ধসমূহত ঢেকিয়াল ফুকনৰ গদ্যৰ পৰিচয় পোৱা যায়। এই ৰচনাৰাজিৰ মাজেৰে ঢেকিয়াল ফুকনৰ গদ্যই পূৰ্ণতা লাভ কৰিছিল বুলি একেযাৰে ক'ব নোৱাৰি যদিও তেওঁক আধুনিক অসমীয়া গদ্য সৃষ্টিৰ পথ প্ৰদৰ্শক বুলি ক'ব পাৰি। 'অৰুনোদই'ৰ গদ্য আৰু ঢেকিয়াল ফুকনৰ গদ্য সমান্তৰাল গতিত আগবাঢ়িছিল যদিও দুয়োবিধ গদ্যৰ মাজত পাৰ্থক্য পৰিলক্ষিত হয়। মিছনেৰীসকলৰ সৃষ্ট গদ্যত আনন্দৰাম ঢেকিয়াল ফুকনে সাৰ-পানী যোগাই নতুন ৰূপত প্ৰতিষ্ঠা কৰিলে। ঢেকিয়াল ফুকনৰ পাছতেই হেমচন্দ্ৰ বৰুৱা আৰু গুণাভিৰাম বৰুৱাক আধুনিক গদ্য সাহিত্যৰ মাৰ্জিত ৰূপ দিওঁতা বুলি অভিহিত কৰিব পাৰি।

আত্মমূল্যায়ন

আধুনিক অসমীয়া গদ্যৰ বিকাশত 'অৰুনোদই' কাকতৰ অৱদান সম্পৰ্কে লিখক।

.....

.....

.....

.....

.....

.....

.....

.....

২.৩.৩ আনন্দৰাম ঢেকিয়াল ফুকন

২.৩.৩.১ আনন্দৰাম ঢেকিয়াল ফুকনৰ পৰিচয়

ঊনবিংশ শতিকাৰ প্ৰথমাৰ্দ্ধৰ অসমীয়া ভাষা-সাহিত্যৰ অন্ধকাৰাছন্ন পৰিৱেশত পোহৰ বিলোৱা অসমীয়া লোকসকলৰ ভিতৰত আনন্দৰাম ঢেকিয়াল ফুকন অন্যতম। অসমৰ ৰাজনৈতিক, সামাজিক, বৌদ্ধিক আৰু সাংস্কৃতিক দিশত অস্থিৰতাৰ সময়ছোৱাতেই আনন্দৰাম ঢেকিয়াল ফুকনে নিজৰ প্ৰতিভাৰে আত্মপ্ৰকাশ কৰি অসমীয়া ভাষা-সাহিত্যত এক নৱজাগৰণৰ সূচনা কৰে।

ঊনবিংশ শতিকাৰ দ্বিতীয়, তৃতীয় আৰু চতুৰ্থ দশকছোৱা অসম বুৰঞ্জীত এক সংকটময় কাল ৰূপে অভিহিত কৰিব পাৰি। ১৭৫১ শকৰ ৭ আহিন (ইংৰাজী ১৮২৯ চনৰ ২৪ ছেপ্তেম্বৰ) মঙ্গলবাৰে হলিৰাম ঢেকিয়াল ফুকনৰ ঔৰসত আৰু প্ৰসূতী দেৱীৰ গৰ্ভত মঙ্গলবাৰে পুষ্যা কৰ্কট নক্ষত্ৰত আনন্দৰাম ঢেকিয়াল ফুকনৰ জন্ম হয়। আনন্দৰামে আনুষ্ঠানিক শিক্ষা আৰম্ভ হোৱাৰ আগতেই তিনি বছৰ বয়সতেই দেউতাক হলিৰাম ঢেকিয়াল ফুকনক হেৰুৱায়। দেউতাকৰ মৃত্যুৰ পাছত দদায়েক যজ্ঞৰাম খাৰঘৰীয়া ফুকনে আনন্দৰাম ঢেকিয়াল ফুকনৰ চোৱা-চিতা আৰু পঢ়া-শুনাৰ দায়িত্ব বহন কৰে। হলিৰাম ফুকনৰ পুত্ৰ অৰ্থাৎ আনন্দৰাম ঢেকিয়াল ফুকনৰ গুপ্ত নাম হেমকণ্ঠ আৰু প্ৰকাশ্যে নাম আছিল আনন্দৰাম।

উমানন্দৰ যশোধৰ অধ্যাপকৰ ওচৰত পাঁচ বছৰ বয়সত আনন্দৰাম ঢেকিয়াল ফুকনৰ শিক্ষা আৰম্ভ

হয়। আনন্দৰাম ঢেকিয়াল ফুকনে ১৮৩৭ খৃষ্টাব্দত ইংৰাজী শিক্ষাৰ পাতনি মেলে। মিছনেৰী জেম্‌ছ্‌ মেথি আৰু জেন্‌কিন্সৰ সহায়ত ইংৰাজী ভাষাত বিশেষ ব্যুৎপত্তি লাভ কৰে আৰু পিছত কলিকতাৰ হিন্দু কলেজত অধ্যয়ন কৰেগৈ। ১৮৪১ খৃষ্টাব্দত জেমচ্‌ মেথী চাহাবৰ অনুপ্রেৰণাত উচ্চশিক্ষাৰ কাৰণে কলিকতালৈ যাত্রা কৰিছিল। সেই সময়ছোৱাত কলেজত তিনিটা ভাগ আছিল— জুনিয়ৰ, চিনিয়ৰ আৰু কলেজ। ১৮৪৪ খৃষ্টাব্দত তেওঁ চিনিয়ৰ বিভাগৰ তৃতীয় শ্রেণীলৈ প্রমোচন পায় যদিও বিশেষ ঘৰুৱা অসুবিধাৰ বাবে সিমানতেই শিক্ষা সমাপ্ত কৰি ঘৰলৈ ঘূৰি আহিব লগা হয়। পাশ্চাত্য জ্ঞান আৰু ৰীতি-নীতি আহৰণ কৰি সেই বছৰতে কলেজ এৰি ঘৰলৈ ঘূৰি আহে। গুৱাহাটীলৈ আহি ফার্ছী-উর্দূ ভাষাৰো শিক্ষা লয়। কলিকতাত থাকোঁতেই তেওঁ ইংৰাজী, বঙলা, পার্চী, আৰবী, উর্দ্দু আদি ভাষাৰ জ্ঞান লাভ কৰিছিল। কলিকতাৰপৰা ঘূৰি অহাৰ পাছত ১৮৪৬ খৃষ্টাব্দত মাক আৰু আন আত্মীয় স্বজনৰ অনুৰোধত পশুপতি ফুকনৰ কন্যা মাহিন্দ্রীক বিয়া কৰায়। তেওঁ বিজনীৰ দেৱান, জিম্বাদাৰ, বৰপেটাৰ চব এচিষ্টেন্ট, এচিষ্টেন্ট কমিচনাৰ, সদৰ আমীন আৰু গুৰুত্বপূর্ণ পদত অধিষ্ঠিত হৈ অতি পাৰদর্শিতাৰে কাম সম্পন্ন কৰিছিল। তেওঁৰ মৃত্যু হয় ১৮৫৯ খৃষ্টাব্দৰ ১৬ জুনত।

অসমত নৱজাগৰণৰ সোঁত প্রৱাহিত হোৱাত আনন্দৰাম ঢেকিয়াল ফুকনৰ ভূমিকা উল্লেখনীয়। ভাষা-সাহিত্যৰ এক দুর্যোগপূর্ণ কালতে জন্ম হোৱা আনন্দৰাম ঢেকিয়াল ফুকনে অসমীয়া ভাষাৰ এনে দুর্যোগপূর্ণ অৱস্থাত নিজকে ত্রাণকর্তাৰূপে নিয়োগ কৰিছিল। মানৰ আক্রমণৰ উপৰিও গৃহযুদ্ধ সদৃশ পৰিস্থিতিত জুৰুলা হোৱা অসমীয়াবাসীয়ে নিজৰ ভাষা-সাহিত্য-সংস্কৃতিৰ বিষয়ে পাহৰি গৈছিল। ইংৰাজ শাসনৰ প্রৱর্তনে অসমবাসীক দুর্যোগপূর্ণ অৱস্থাৰপৰা উদ্ধাৰ কৰিছিল। আধুনিক অসমীয়া ভাষা-সাহিত্য আৰু জাতীয়তাবোধ গঢ়ি তোলাত আনন্দৰাম ঢেকিয়াল ফুকনৰ বিশেষ অৱদান অনস্বীকার্য। তেওঁ সোতৰ বছৰ বয়সত ১৮৪৭ চনৰ পৰা 'অৰুনোদই' আলোচনীত লিখিবলৈ আৰম্ভ কৰে।

অসমৰ গৱর্নৰ জেনেৰেলৰ এজেণ্ট আৰু কমিচনাৰ কর্ণেল হপকিনচনে (১৮৬১-৭৪) আনন্দৰাম ঢেকিয়াল ফুকনক বংগদেশৰ ভাৰতীয় নৱজাগৰণৰ ঋত্বিক ৰাজা ৰামমোহন ৰায়ৰ সৈতে তুলনা কৰিছে— "বঙ্গদেশৰ ৰামমোহন ৰায় যেনে আসামত আনন্দৰাম ফুকনো তেনে আছিল, কিন্তু সেই দুই দেশৰ অৱস্থাৰ প্রভেদলৈ, আৰু আনন্দৰাম ফুকনৰ নিজৰ উন্নতিৰ নিমিত্তে যিমান সুচল আছিল, তালৈ চাই তেওঁক ৰামমোহন ৰায়তকৈ অসাধাৰণ লোক বোলা উচিত।"

অসমীয়া ভাষা-সাহিত্যলৈ আনন্দৰাম ঢেকিয়াল ফুকনৰ অৱদান কেৱল সাহিত্যিক ৰূপৰ পিনৰ পৰা বিচাৰ কৰিব নোৱাৰি, গুণগত মাপকাঠিৰে জোখাহে সম্ভৱ। নন্দ তালুকদাৰে কোৱাৰ দৰে— "অসমীয়া মানুহৰ মনৰ দিগন্ত প্রসাৰিত কৰিবলৈ আৰু বহিঃবিশ্বৰ সম্যক পৰিচয় দান কৰাটোৱে তেওঁৰ ৰচনাৰ অন্যতম উদ্দেশ্যে।"

২.৩.৩.২ আনন্দৰাম ঢেকিয়াল ফুকনৰ ৰচনাৰাজিৰ পৰিচয়

আধুনিক অসমীয়া ভাষা-সাহিত্যৰ প্রতিষ্ঠা আৰু অসমীয়া জাতীয়তাবোধ গঢ়ি তোলাত আনন্দৰাম ঢেকিয়াল ফুকনৰ বৰঙণি অসীম। ইংৰাজ ৰাজত্ব কালত অসমীয়া ভাষা-সাহিত্যলৈ যি দুর্যোগ আহিছিল, সেই দুর্যোগৰ পৰা উদ্ধাৰ কৰিবলৈ ঢেকিয়াল ফুকনে যথেষ্ট কষ্ট স্বীকাৰ কৰিব লগা হৈছিল। নিজৰ বিদ্যা-বুদ্ধিৰ জৰিয়তে ইংৰাজৰ লগত হাত মিলাই অসমীয়া জাতি আৰু অসমীয়া ভাষা-সাহিত্যক পুনৰ উদ্ধাৰ কৰা ঢেকিয়াল ফুকনৰ জীৱনৰ ব্রত আছিল। এনে দুর্যোগপূর্ণ সময়ছোৱাত ঢেকিয়াল ফুকনে অতি কষ্টেৰে সাহিত্য চর্চা কৰি অসমীয়া ভাষাটোক মৃত্যুৰ মুখৰ পৰা উদ্ধাৰ কৰিছিল। আনন্দৰাম ঢেকিয়াল ফুকনৰ ৰচনাৰাজিক তলত দিয়াৰ ধৰণে ভাগ কৰি আলোচনা কৰিব পাৰি—

১. পাঠ্যপুথি
২. 'অৰুনোদই'ত প্রকাশিত প্রবন্ধ
৩. অনুবাদমূলক ৰচনা
৪. প্রকাশিত প্রতিবেদন আৰু পুস্তিকা
৫. অভিধান প্রণয়ন

পাঠ্যপুথি ঃ

আনন্দৰাম ঢেকিয়াল ফুকনে লেখক জীৱনৰ পাতনি মেলিছিল *অৰুনোদই* কাকতৰ জৰিয়তে। অসমীয়া গদ্য-সাহিত্যলৈ ঢেকিয়াল ফুকনৰ এক উল্লেখযোগ্য অৱদান হ'ল — *অসমীয়া ল'ৰাৰ মিত্র* আৰু *অৰুনোদই* কাকত-আলোচনীত প্রকাশিত বিভিন্ন প্রবন্ধসমূহ। *অসমীয়া ল'ৰাৰ মিত্রত* অন্তর্ভুক্ত কেইবাখনো ৰচনা বা প্রবন্ধ *অৰুনোদই* কাকত-আলোচনীতো প্রকাশ পাইছিল। ঢেকিয়াল ফুকনে লিখা আটাইবোৰ গ্রন্থৰ ভিতৰত অসমীয়া ভাষাত লিখা *অসমীয়া লৰাৰ মিত্র* খন প্রথম। আনন্দৰাম ঢেকিয়াল ফুকনৰ জীৱনী লেখক গুণাভিৰাম বৰুৱাই ঢেকিয়াল ফুকনৰ *অসমীয়া ল'ৰাৰ মিত্র* সম্পর্কে এনেদৰে লিখিছে —

ইংলণ্ডৰ বিৱৰণ

> "যি দেশৰ যি ভাষা ব্যৱহাৰ নহ'লে দেশৰ মঙ্গল নহয়। প্রথমে এই দেশত অসমীয়া ভাষাৰে সকলো কার্য্য-কর্ম্ম হৈছিল। পাছে বঙ্গলা ভাষাই যে এই দেশৰ প্রকৃত ভাষা কর্তৃপক্ষৰ পৰা এইটো সিদ্ধান্ত হোৱাত বঙ্গলা ভাষা সকলো বিষয়ত চলিবলৈ ধৰিলে। আদালত আৰু লোকৰ অৱস্থা দেখি অসমীয়া ভাষা চলাবৰ নিমিত্তে ফুকনৰ যত্ন হ'ল। নানা উপদেশ-গর্ভ ইংৰাজী প্রস্তাৱৰ পৰা সংগ্রহ কৰি 'অসমীয়া লৰাৰ মিত্র' নামে দুই কাণ্ড পুস্তক ফুকনে অসমীয়াত প্রচাৰ কৰিলে।"

১৮৪৯ খৃষ্টাব্দত *অসমীয়া লৰাৰ মিত্র* মুদ্রিত হয়। সেই বছৰৰ অক্টোবৰ সংখ্যা *অৰুনোদইত* এই গ্রন্থৰ পৰিচয় প্রকাশ পাইছিল। এই কিতাপখনত ঢেকিয়াল ফুকনে নিজৰ নাম দিয়াৰ সলনি *The Friend of Young Assam* বুলিহে শিৰোনামত উল্লেখ কৰিছিল। ১৮৭৩ খৃষ্টাব্দত গুণাভিৰাম বৰুৱাই পুনৰ গ্রন্থখনৰ দ্বিতীয় ভাগৰ পৰা কেইটামান পাঠ নির্বাচন কৰি সম্পাদনা কৰে। *অসমীয়া ল'ৰাৰ মিত্র* গ্রন্থখনৰ প্রথম সংস্কৰণ দুষ্প্রাপ্য হোৱাৰ বাবে ১৯৯২ খ্রীষ্টাব্দত পুনৰ পুথিখন 'আনন্দৰাম বৰুৱা কলা-সংস্কৃতি সংস্থা'ই পুৰণি গ্রন্থ পুনৰ মুদ্রণ আঁচনিৰ আধাৰত পুনৰ প্রকাশ কৰে। পুথিখন সম্পাদনা কৰে যোগেন্দ্রনাৰায়ণ ভূঞাই।

ঢেকিয়াল ফুকনৰ *অসমীয়া ল'ৰাৰ মিত্রৰ* দ্বিতীয় কাণ্ডৰ বিষয়বস্তুত বিভিন্ন বিষয় সন্নিৱিষ্ট কৰা হৈছে। ইয়াত সন্নিৱিষ্ট বিষয়সমূহৰ ভিতৰত— নীতিশিক্ষামূলক, আখ্যানমূলক, ভগৱানৰ শ্রেষ্ঠত্ব, জ্ঞান, ধর্ম, জীৱ-জন্তু, বিজ্ঞানৰ নব্য আৱিষ্কাৰ, ইংলেণ্ড আৰু ভাৰতৰ বিভিন্ন নগৰৰ বিৱৰণ আদি। শিক্ষার্থীসকলৰ উপযোগীকৈ গ্রন্থখনিৰ বিষয়বোৰ উপস্থাপন কৰা হৈছে। গ্রন্থখনিত সন্নিৱিষ্ট বিভিন্ন পাঠৰ শিৰোনামবোৰেই বিষয়-বৈচিত্র্যৰ পৰিচয় দিয়ে। উদাহৰণস্বৰূপে— দানশীল তিৰোতাৰ আখ্যান, পণ্ডিত আৰু ৰজাৰ কোঁৱৰৰ কথা, ঈশ্বৰৰ প্রতি আমাৰ কর্ত্তব্য কর্ম্ম, মাতৃভক্তি, সদানন্দ হোৱাৰ সঙ্কেত, ধন সোন ঐশ্বর্য্য একোৱে দোষী মনক সুখী কৰিব নোৱাৰে, সোণতকৈ শ্রম ভাল, কেতিয়াও নহঁহা মানুহৰ কথা, ৰোম দেশৰ পাত্সাহ তীতচ, মকৰ মাচৰ বিবৰণ, লণ্ডন নগৰৰ বিবৰণ, সভ্য আৰু অসভ্য মানুহৰ কথা, দ্বিপচক, ঘড়ি, বায়ু ভাৰ মাপক যন্ত্র আৰু তাপ মাপক যন্ত্রৰ বিবৰণ, সূক্ষ্ম দর্শন যন্ত্র, দূ�ৰদর্শন যন্ত্র, বাষ্পীয় অর্থাৎ ভাপৰ কল, বাষ্পীয় গাৰি, বাষ্পীয় নাও, বালুন অর্থাৎ আকাশলৈ উঠা যন্ত্র, বায়ুৰ জাহাজ, নাবিকৰ কম্পাচ অর্থাৎ দিগ নিৰূপন যন্ত্র ইত্যাদিৰ বিবৰণ, কলিকতা নগৰৰ কথা, মক্কা আৰু মদিনা নগৰৰ কথা, ভাৰতবর্ষৰ সংক্ষেপ বুৰঞ্জি, অসম দেশৰ বুৰঞ্জি, ইংৰাজ কর্ত্তৃক অসম দেশৰ ৰাজ্য শাসনৰ বিবৰণ ইত্যাদি।

'অৰুনোদই'ত প্রকাশিত প্রবন্ধ ঃ

'অৰুনোদই' কাকতৰ বিভিন্ন সংখ্যাত প্রকাশিত আনন্দৰাম ঢেকিয়াল ফুকনৰ ৰচিত প্রবন্ধসমূহ হ'ল— ইংলেণ্ডৰ বিবৰণ, নানা সম্বাদ, পৰিভ্রমৰ ফল, ৰাতিৰ বিবৰণ, দায়া, অচম দেস সত্রুত্র আক্রমণ কৰা কথা, হিন্দুস্থানৰ নানা প্রদেস, ইস্বৰ তেওঁৰ স্রিষ্টিতকৈ গৌৰবন্ত, উঁইৰ কথা, গিয়ানৰ পুত্র অর্থাৎ মনুষ্য, সোণতকৈ স্রম ভাল, ইস্বৰৰ চকু সকলো ঠাইতে আচে, চিপিও সেনাপতিৰ চৰিত্রৰ কথা, ইস্বৰৰ আগ্যা ইত্যাদি।

অনুবাদমূলক ঃ

অসমীয়া ভাষা-সাহিত্যৰ বহু অভাৱ পূৰণ কৰাৰ উপৰিও আইন-আদালত সম্পর্কীয় পুথিৰো অভাৱ ঢেকিয়াল ফুকনে দূৰ কৰিছিল। তেওঁ আইন আৰু শাসন সম্পর্কীয় দিশত গুৰুত্ব দিয়াৰ উপৰি

অসমীয়া ভাষা চৰকাৰী আৰু শিক্ষানুষ্ঠানৰ মাধ্যমৰূপে প্ৰতিষ্ঠা কৰিবৰ বাবে অহোপুৰুষাৰ্থ কৰিছিল। অসমীয়া ভাষাৰ উপৰি ইংৰাজী, বাংলা আৰু সংস্কৃত ভাষাত তেওঁৰ বুৎপত্তি আছিল।

আনন্দৰাম ঢেকিয়াল ফুকনৰ অনুবাদমূলক লেখাবোৰ আইন সম্পৰ্কীয়। আইন সম্পৰ্কীয় পুথি বাংলা ভাষাতো ৰচনা কৰিছিল। সেইকেইখন গ্ৰন্থ হ'ল— ফুকন দেৱান কায়দা বন্দি (১৮৪৯-৫০), সদৰ দেৱানী নিষ্পত্তি (১৮৫০), আইন ও ব্যৱস্থা সংগ্ৰহ (১৮৫৫)।

প্ৰকাশিত প্ৰতিবেদন আৰু পুস্তিকা ঃ

আনন্দৰাম ঢেকিয়াল ফুকনে মফাট্ মিলছৰ ওচৰত দাখিল কৰা আবেদন পত্ৰ ইংৰাজীত লিখিছিল। অসম সম্বন্ধে যুগুত কৰা পুস্তিকা আৰু মিলছৰ ওচৰত দাখিল কৰা স্মাৰক পত্ৰ, তেওঁ প্ৰতিবেদন আৰু পুস্তিকাকেইখন হ'ল—

১. Observations on the Administration of province of Assam (অসমীয়া ভাষা সম্পৰ্কে মিল্চ চাহাবৰ ওচৰত দাখিল কৰা প্ৰতিবেদন— ১৮৫৩)

২. A few Remarks on the Assamese Language and Vernacular Education in Assam (1855).

অভিধান প্ৰণয়ন ঃ

আনন্দৰাম ঢেকিয়াল ফুকনৰ অভিধান প্ৰণয়নৰ প্ৰচেষ্টা 'অৰুনোদই'ৰ পাতত দেখিবলৈ পোৱা যায়। 'ইংৰাজি আৰু অসমীয়া অভিধান' নামৰ অভিধানৰ এটা অংশহে প্ৰকাশ পাইছিল।

আত্মমূল্যায়ন

আনন্দৰাম ঢেকিয়াল ফুকনৰ পৰিচয় দাঙি ধৰা।

.....

.....

.....

.....

.....

.....

২.৩.৪ আনন্দৰাম ঢেকিয়াল ফুকনৰ 'ইংলণ্ডৰ বিৱৰণ' প্ৰবন্ধৰ পৰ্যালোচনা

২.৩.৪.১ 'ইংলণ্ডৰ বিৱৰণ' প্ৰবন্ধৰ বিষয়বস্তু

আনন্দৰাম ঢেকিয়াল ফুকনে 'অৰুনোদই' কাকততে প্ৰথম প্ৰবন্ধ ৰচনাৰ পাতনি মেলিছিল। ঢেকিয়াল ফুকনৰ 'ইংলণ্ডৰ বিৱৰণ' শীৰ্ষক প্ৰবন্ধটি 'অৰুনোদই' কাকতৰ দ্বিতীয় বছৰৰ (১৮৪৭খৃষ্টাব্দত) চতুৰ্থ (এপ্ৰিল) সংখ্যাত প্ৰকাশ পায়। ঊনবিংশ শতিকাত ৰচিত এই প্ৰবন্ধটিত মুঠ ১৩টা পৰিচ্ছেদ আছে। প্ৰথম পৰিচ্ছেদত 'ইংলণ্ডৰ বিবৰণ' প্ৰবন্ধটিৰ ভূমিকা দাঙি ধৰিছে। আৰু পাছৰ সাতোটাপৰিচ্ছেদত ইংলণ্ডৰ বিৱৰণ পুংখানুপুঙ্খভাৱে দাঙি ধৰিছে। বাকী পাঁচোটা পৰিচ্ছেদত স্বদেশানুৰাগী আনন্দৰাম ঢেকিয়াল ফুকনে অসমবাসীসকলক সভ্য, জ্ঞানী, বিদ্যাৱন্ত হ'বলৈ কিছুমান দিশত মনোযোগ দিবলৈ আহ্বান জনোৱা কথা পোৱা যায়।

ইতিহাস অধ্যয়নে এটা জাতিক আত্মজ্ঞানেৰে সচেতন কৰি তোলে; এনে উদ্দেশ্য আগত ৰাখিয়ে বোধকৰোঁ আনন্দৰাম ঢেকিয়াল ফুকনে অসমৰ জনগণৰ মনত আত্মসচেতনতা জাগ্ৰত কৰিবলৈ 'ইংলণ্ডৰ বিবৰণ' প্ৰবন্ধটিত ইংলণ্ডৰ সভ্যতা-সংস্কৃতিৰ, এই দেশৰ মানুহৰ আত্মসচেতনতা আদিৰ বিষয়ে উল্লেখ কৰিছে। প্ৰবন্ধটোৰ প্ৰথম পৰিচ্ছেদতে এই কথাৰ আভাস দাঙি ধৰিছে—

> ..... প্ৰিথিবিত আন আন জি সকল বৰ বৰ আচে তাৰ একো কথাৰ ভু নে পাই, সেই হেতুকে সিবিলাকে আপোনাৰ দেস অতি দুৰ অৱস্থাত আচে বুলি নেজানে; এতেকে সম্প্ৰতি প্ৰিথিবিৰ

ভিতৰত অতি আচৰিত জে ইংলণ্ড দেস তাৰে সংখেপ বিৱৰন তলত লেখিলোঁ, তাক পৰ্হি মানিলে অনেক উপকাৰ দৰ্সিব।

(অৰুনোদই পৃঃ ১২৮)

ইংলণ্ডৰ বিৱৰণ

প্রবন্ধটোৰ প্রথমতে ইংলণ্ড দেশখন অসমৰ উত্তৰ-পশ্চিম দিশত অৱস্থিত আৰু এই দেশখনৰ দীঘলে ৪৪৪ মাইল আৰু আৰু প্রস্থে ২৮০ মাইল বুলি উল্লেখ কৰিছে। অতীতত ইংলণ্ড দেশখনৰ ভালেমান ঠাই হাবি-বননিয়ে ভৰা, দুর্গম আলি-পদুলি আৰু একোখনি সৰু সৰু নগৰহে আছিল। এটা সময়ত এই দেশত পঢ়াশলি, জ্ঞানৰ সভা চিকিৎসালয়, দুখীয়া লোকক উপকাৰ কৰিবলৈ কোনো সুবিধা নাছিল। কিন্তু আজি এই দেশ হাবি গুচি ফুলনিৰ দৰে মনোহৰ হ'ল। বর্তমান এই দেশখনৰ নানাবিধ শস্যৰে ভৰি আছে, আলি-পদুলি উন্নত হ'ল, অনেক অট্টালিকা, শিল ইটাৰে সজোৱা পকী ঘৰ, নৈবোৰত বৰ বৰ জাহাজ চলে, দেশৰ ঠায়ে ঠায়ে পঢ়াশলি, চিকিৎসালয়, জ্ঞানৰ সভা আছে, দুখীয়া লোকক উপকাৰ বাবে নানা ঠাই আছে, নৰীয়া লোকক বিনা ধনে শুশ্রূষা কৰি দুখীয়া লোকৰ দুখ মোচন কৰাৰ ব্যৱস্থা কৰা হয়। টেম্চ নদীৰ ওপৰত ডাঙৰ দলং হ'ল, লিবৰপুল, ব্রিষ্ট.... আদি ডাঙৰ ডাঙৰ নগৰ আছে। হাতেৰে কাপোৰ বোৱাৰ পৰিৱর্তে ভিন ভিন কপাহৰ পৰা ভাপৰ কলেৰে কাপোৰ তৈয়াৰ কৰে। খেতি-বাতি কৰা মাচিবোৰৰ উর্বৰা শক্তি কম যদিও খেতিয়কসকলে অধিক পৰিশ্রম কৰি খেতি কৰাৰ বাবে অধিক শস্য উৎপাদন কৰে। বাণিজ্যতো অধিক পার্গত। ইংলণ্ড দেশৰ এনেবোৰ উন্নতিৰ কথা এই প্রবন্ধটিত উল্লেখ আছে।

ঢেকিয়াল ফুকনে অসমৰ জনগণক বিদ্যা শিক্ষাত মন দিবলৈ আৰু বিদ্যা শিক্ষাৰ দ্বাৰা যাতে জীৱনত নিজকে একোজন সভ্য আৰু গুণী ব্যক্তিৰূপে গঢ়ি তুলিব পাৰি তাৰ বিধান প্রবন্ধটিৰ জৰিয়তে দিব বিচাৰিছে এনেদৰে —

> হে মোৰ অসমীয়া মিত্র সকল, বিদ্যা জেনেকৈ ইহকালত উপকাৰক আন একো তেনে ন হই; কিন্তু জদি সভ্য আৰু সুখি হব খোজা তেন্তে ক্রিসি আৰু সিল্প কৰমত ইংৰাজৰ দৰে পার্গত হবলৈ পুৰুসার্থ কৰা। তোমালোক নিচই অগিয়ান আৰু সেই বিদ্যা ভু নো পোআ, আৰু জানিবলৈকো স্রম ন কৰা।

(অৰুনোদই, পৃ.১২৮)

প্রবন্ধটোত ঢেকিয়াল ফুকনে পাশ্চাত্য শিক্ষা আৰু আধুনিক প্রমূল্যক আন্তৰিকতাৰে আদৰণি জনালেও কিন্তু তেওঁ অসমৰ প্রাচীন ঐতিহ্যক উপলুঙা কৰা নাই। এই সম্পর্কে পাঠটিত এনেদৰে উল্লেখ আছে—

> তোমালোকৰ পূর্ব পুৰুষসকলে এক প্রকাৰ বিদ্যাৰ আলোচনা কৰিছিল আৰু সেই নিমিতে সিবিলাকৰ অনেক গিয়ানি আচিল কিন্তু এতিয়া তোমালোকে কি সংস্কিত কি ইংৰাজি একো বিদ্যা ন পর্হি পুবৰ হোজা স্বভাও এৰি অগিয়ান আৰু টেঙ্গৰ স্বভাও লবৰ উপক্রম কৰিচা।

অসমৰ দুৰৱস্থাৰ কাৰণ হৈছে— অসমৰ নিৱাসীসকল। অসমৰ নিৱাসীসকলে বিদ্যা-শিক্ষা ল'বলৈ অৱহেলা কৰে, দেশৰ লোকসকলে নিজ দেশৰ হিতৰ বাবে চিন্তা নকৰি কেৱল নিজৰ ভালৰ কথাহে সদায় চিন্তা কৰে। আমাৰ দেশত যথেষ্ট সংখ্যক ধনৱন্ত লোক আছে যদিও তেওঁলোকে ধন খৰচ নকৰি মাটিৰ তলত পুতি থয়, আনকি দেশৰ হিতৰ বাবে অলপো ধন ভাঙিব নোখোজে। সেয়ে ফুকনে অসমৰ নিৱাসীসকলক জ্ঞানী হ'বলৈ কৈছে আৰু নিজ নিজ সাধ্যানুসাৰে আনক উপকাৰ কৰিবলৈ উপদেশ দিছে এনেদৰে—

> 'হে ধনৱন্ত সকল তোমালোকে নিচই জানিবা জে ইস্বৰে ধন সাঁচি থবলৈ, নাইবা আপোন সুখলৈ দিয়া নাই, কিন্তু তাৰে পৰৰ উপকাৰ কৰিবলৈহে দিচে; এই ভর্তসনা বাক্য সুনি অনেক সদ লোকৰ চিতে উত্সাহ পাই, দেসৰ দুর্ভাগ্য গুচাবলৈ উঠিব পাৰে, কিন্তু অকলে কি কৰিম বুলি, নৈৰাস ন হৈ স্ব স্ব সাধ্যানুসাৰে হিত কৰিব, এতেকে আনেও সিবিলাকক দেখি সেই ৰূপে হিত কৰিব।

ফুকনে বিদ্যাক অমূল্য ৰতন বুলিছে আৰু বিদ্যা-শিক্ষাক বন্ধুৰ লগত তুলনা কৰিছে। বিদ্যাৰ দ্বাৰা

জ্ঞানী হয় আৰু জ্ঞানী হ'লে আদৰ সন্মানৰ অধিকাৰী হ'ব পাৰে বুলিও প্ৰবন্ধটিত উল্লেখ কৰিছে—

> এই জগতত বিদ্যাৰ সমান মিত্ৰ নাই, কিয়নো তাক জানিলে আমি গিয়ান পাওঁ, আৰু গিয়ানি হলে ইহকালত আদৰ সন্মান পাম এনে যে অমূল্য ৰতন বিদ্যা তাৰ তোমালোকে একো মুল নে পাই নিচইকৈ অবহেলা কৰিচা।

আনন্দৰাম ঢেকিয়াল ফুকনে অসমখন আধুনিকীকৰণ কৰাৰ সপোন দেখিছিল আৰু এখন আধুনিক অসম গঢ়ি তুলিবলৈ ইংলণ্ড দেশলৈ গৈ তাৰ দৰে তাৰ আৰ্হি ল'বলৈ উপদেশ দিছে এনেদৰে —

> 'ইংলণ্ড দেসলৈ গৈ চোআ, গোটেই খন দেসেই ফুল বাৰি খনৰ নিচিনা মনোহৰ, এখামোচ হাৰিও নো পোআ, নানা বিধৰ সস্য হোআ পথাৰে ঢাকি আচে; পৰ্বত জি আচে তাতো মানুহৰ বসতি, আৰু জত হাবি সিও আপুনি হোআ ন হই, কিন্তু বৰ লোকসকলৰ ম্ৰিগয়াৰ নিমিত্তে ভালেমান পুৰুসার্থ কৰি মানুহে ৰুইচে।' .....

এনেদৰে ঢেকিয়াল ফুকনে ইংলণ্ড দেশখনৰ কিয় আৰু কেনেদৰে উন্নতি কৰিছে, তেনে দিশসমূহ চালি-জাৰি চাই অসমৰ লোকসকলকো তেনেবোৰ কামত প্ৰবৃত্ত হ'বলৈ উদগনি জনাইছিল। আনন্দৰাম ঢেকিয়াল ফুকনে অসমৰ শিক্ষাৰ উন্নতিৰ বাবে যৎপৰোনাস্তি চেষ্টা কৰিছিল। অসমৰ গাঁৱে গাঁৱে হেজাৰ হেজাৰ পঢ়াশালি গঢ়ি উঠাৰ কল্পনা কৰিছিল, চিকিৎসালয় পতা আৰু অসমৰ তথা অসমীয়া লোকসকলক শিক্ষা আৰু সাংস্কৃতিক দিশত আগুৱাই যাবলৈ আহ্বান কৰিছিল। অসম হাবি গুচি ফুল বাৰি হ'ব, নদীত জাহাজ চলিব, এনেধৰণেৰে বহু আশাব্যঞ্জক তথা এখন সপোনৰ অসমৰ কথা আনন্দৰাম ঢেকিয়াল ফুকনৰ 'ইংলণ্ডৰ বিৱৰণ'ত পোৱা যায়। তেওঁ উল্লেখ কৰিছে —

> 'যি সময়ত অসম হাবি গুচি, ফুলবাৰি হব, নৈত ডোঙ্গা গুচি জাহাজ হব, ঘৰ বাঁহৰ গুচি সিল ইটাৰ হব, গাঁৱে গাঁৱে হেজাৰ হেজাৰ পৰ্হা সালি, গিয়ানৰ সভা, চিকিতসালাই, দুখীয়া দৰিদ্ৰ পৰিত্ৰাণৰ আলই হব, আৰু যি কালত লোকসকলে পৰস্পৰ হিংসা ন কৰি, আটায়ে আটাইক ভাত্ৰিবত চেনেহ কৰিব, কেৱে দুটকা কানিৰ সলনি মিচা সাখি নিদি, লাখ টকাকো কাতি কৰি থব, কোটি টকা ভেঁটি পাইও কাৰো অন্যাই ন কৰিব, বেস্যা, কানি আৰু সুৰা এই কথা দেস লোকে ভূ নো পোআ হব, সেই সমই, হে পৰম পিতা, জাগদিস্বৰ, সিয়ে ঘটোআ।'

(অৰুনোদই পৃঃ১৩১)

ঢেকিয়াল ফুকনৰ 'ইংলণ্ডৰ বিৱৰণ' নামৰ প্ৰবন্ধৰ সন্দৰ্ভত বীৰেন্দ্ৰ কুমাৰ ভট্টাচাৰ্যই মন্তব্য কৰিছে যে— নতুন আমোলা শ্ৰেণীৰ পুৰোধা ঢেকিয়াল ফুকনে এই প্ৰবন্ধৰ মাজেদি 'অসমৰ এক উদাৰনৈতিক পুঁজিবাদৰ বিকাশ কৰাৰ বাবে অসমীয়া মানুহলৈ এক উদাত্ত আহবান জনাইছিল।'

ঢেকিয়াল ফুকনে ইচ্ছা কৰিছিল অসমীয়া ল'ৰা জ্ঞানী হওক, কৃষি আৰু উদ্যোগত যন্ত্ৰৰ প্ৰয়োগ কৰি উন্নতি সাধিব লাগে। বাণিজ্য কৰ্ম বঢ়াবলৈও ধনৰন্তসকলৰ সঞ্চিত ধন খটুৱাবলৈ কৈছে। পুৰুষার্থক তেওঁ ঈশ্বৰ বিশ্বাসৰ পৰা নিলগাই চোৱা নাছিল। সেয়ে ঢেকিয়াল ফুকনে 'ইংলণ্ডৰ বিবৰণ' প্ৰবন্ধত ঈশ্বৰলৈ মিনতি জনাইছিল এইবুলি —

> 'হে ক্ৰিপামই জগদিস্বৰ, এই অসম দেসৰ লোকসকলক স্বদেস সভ্য গিয়ানি আৰু ধাৰ্মিক কৰিবলৈ মতি দিয়া, সিবিলাকৰ অভাব আৰু দুৰঅৱস্থা জানিবলৈ সিবিলাকক গিয়ান দিয়া, আৰু তোমাৰ বিচিত্ৰ সক্তিৰে সিবিলাকক সভ্য কৰা আৰু তোমাক জানিবৰ আৰু আগ্যা পালিবৰ জোগ্য কৰা।

(অৰুনোদই পৃঃ১...)

আনন্দৰাম ঢেকিয়াল ফুকনৰ ৰচনাৰাজিয়ে এহাতেদি যেনেদৰে জাতীয় স্বাৰ্থ পূৰণ কৰিছে আনহাতেদি তেওঁৰ ৰচানাসমূহে স্বদেশপ্ৰীতি, অসমীয়া ভাষা-প্ৰীতি আৰু অধ্যয়নলব্ধ জ্ঞানৰ প্ৰকাশ ঘটাইছে। ঢেকিয়াল ফুকনে অসমত জন্ম লাভ কৰিও অসমীয়া ভাষাৰ মাধ্যমৰ বিপৰীতে বাংলা ভাষাৰ মাধ্যমেৰে শিক্ষা গ্ৰহণ কৰিবলগীয়া হোৱাৰ বাবেও তেওঁ মৰ্মাহত হৈছিল আৰু মনত এটা ক্ষোভ আছিল। সেয়ে ফুকনে অসমত অসমীয়া ভাষাক পুনৰ প্ৰতিষ্ঠাৰ বাবে যৎপৰোনাস্তি চেষ্টা কৰিছিল আৰু অসমীয়া ভাষাৰ হকে লগা যুঁজখনত মিছনেৰীসকলৰ লগতে ফুকনেও জঁপিয়াই পৰিছিল। এফালেদি চৰকাৰী বিষয়া হৈও চাকৰিৰ দায়িত্ব সুচাৰুৰূপে পালন কৰাৰ লগতে অসমীয়া ভাষা-সাহিত্য চৰ্চাকো জীৱনৰ ব্ৰতৰূপে গ্ৰহণ কৰিছিল। ফুকনে ঊনত্ৰিশ বছৰীয়া জীৱন কালত অসম আৰু অসমীয়া ভাষা-সাহিত্যৰ বাবে যিখিনি দি গ'ল, দীৰ্ঘ জীৱন পায়ো বহুতে সেইখিনি কৰিব পৰা নাছিল। এনে কম সময়ছোৱাত

ইংলণ্ডৰ বিৱৰণ

অসমীয়া জাতি আৰু অসমীয়া ভাষা-সাহিত্যলৈ আগবঢ়োৱা অৱদানৰ পৰা ফুকনৰ জাতীয় প্ৰীতি আৰু ভাষা-প্ৰীতি কিমান প্ৰগাঢ় আছিল, তাক সহজে অনুমান কৰিব পাৰি। এনে অৱদানৰ এক স্বাক্ষৰ বহন কৰি আহিছে তেওঁৰ অতি মূল্যৱান 'ইংলণ্ডৰ বিৱৰণ' প্ৰবন্ধটিয়ে। অসমীয়া ভাষা-সাহিত্যৰ প্ৰাণ-প্ৰতিষ্ঠাৰূপে ঢেকিয়াল ফুকনৰ গুৰুত্ব অসমীয়া লোকে মৰ্মে মৰ্মে উপলব্ধি কৰিব। সেয়ে ঢেকিয়াল ফুকনক আধুনিক অসম আৰু অসমীয়া ভাষাৰ এগৰাকী যুগনায়ক বুলি অভিহিত কৰিব পাৰি।

আত্মমূল্যায়ন

'ইংলণ্ডৰ বিবৰণ' শীৰ্ষক পাঠটিত উল্লেখ থকা কেইটিমান নীতি শিক্ষা সম্পৰ্কে লিখা।

.....

.....

.....

.....

.....

২.৩.৪.২ আনন্দৰাম ঢেকিয়াল ফুকনৰ 'ইংলণ্ডৰ বিৱৰণ' প্ৰবন্ধৰ গদ্যৰ বৈশিষ্ট্য

আনন্দৰাম ঢেকিয়াল ফুকনে অসমীয়া ভাষা-সাহিত্যৰ সংকটৰ কালছোৱাত পাঠ্যপুথি, বিভিন্ন প্ৰবন্ধ, প্ৰতিবেদন আদি লিখি অসমীয়া ভাষা-সাহিত্যক সেই সংকটাপন্ন অৱস্থাৰপৰা উদ্ধাৰৰ চেষ্টা কৰিছিল। তদুপৰি এই ৰচনাসমূহে আধুনিক অসমীয়া গদ্যৰ বিকাশতে ইন্ধন যোগাইছে। তেওঁৰ গদ্যসমূহৰ বৈশিষ্ট্য সম্পৰ্কে তলত আলোচনা কৰা হ'ল।

- অনাড়ম্বৰ আৰু যথাযথ বিষয়ৰ উপস্থাপন আনন্দৰাম ঢেকিয়াল ফুকনৰ গদ্যৰ অতি উল্লেখযোগ্য বৈশিষ্ট্য। তেওঁৰ ৰচনাৰাজিত সহজ-সৰল পোনপটীয়াকৈ উপস্থাপন কৰা বক্তব্যই পাঠকৰ মনত সাঁচ বহুৱাইছে। জটিলতাবিহীন অনাড়ম্বৰ গদ্যবোৰ সকলো পাঠকৰে বোধগম্য। উদাহৰণস্বৰূপে—

  "এই দেস জি দৰৱ ইংলণ্ড দেস সেই দৰৱ ন হই আৰু আটাই কথাতে লৰ। এই দেসৰ ভালেমান ঠায়েই হাবি আৰু পৰ্বতিয়া; অনেত আঁতৰে আংতৰে একোখনি সৰু সৰু নগৰ; আলি-বিলাক প্ৰায়েই বেয়া আৰু অগম্য; লোকবিলাকো থকা ঘৰবোৰ প্ৰায়েই পজা একুটিৰ দৰে খেৰে বাঁহেৰে সজা;.....।

  (অৰুনোদই , পৃ. ১২৮)

  "অসমিয়া সকল, ইংৰাজতকৈ অসভ্য হোআৰ ত্ৰিতিয় হেতু কঁও সুনা। তোমালোকৰ ভিতৰত বানিজ্যৰ অনুসিলন নিচইকৈ নাই, সকলে ধন মাটিত পুতি থৈ ভাল পাই, কিন্তু জিহৰ পৰা সেই ধনেৰেই ধন হই, তাক নিচিন্তে। ইংৰাজৰ সভ্যতাৰ ঘাই এক হেতু বানিজ্য, এতেকে জদি ধনৱন্ত হব খোজা, তেন্তে সম্প্ৰতি বানিজ্যত প্ৰবৰ্ত হোআ।"

  (অৰুনোদই, পৃ. ১৩০)

- সৰল, পোনপটীয়া গদ্যৰ উপৰিও ঢেকিয়াল ফুকনৰ গদ্যত কোনো কোনো ক্ষেত্ৰত অলংকাৰযুক্ত ৰসাশ্ৰয়ী গদ্যও দেখিবলৈ পোৱা যায়। উদাহৰণস্বৰূপে—

  "জি সময়ত অসম হাবি গুচি ফুলবাৰি হব, নৈত ডোঙ্গ গুচি জাহাজ হ'ব, ঘৰ বাঁহৰ গুচি সিল ইটাৰ হব, গাঁৱে গাৱে হেজাৰ হেজাৰ পৰ্হা সালি, গিয়ানৰ সভা, সিকিতসালই, দুখিয়া দৰিদ্ৰ পৰিত্ৰানৰ আলাই হ'ব আৰু যি কালত লোকসকলে পৰস্পৰ হিংসা নকৰি, আটাইয়ে আটাইক ভাত্ৰিবত চেনেহ কৰিব, কেৰে দুটকা কানিৰ সলনি মিচা সাখি নিদি, লাখ টকাকো কাতি কৰি থব, কোটি টকা আৰু সুৰা এই কথা দেসত লোকে ভূ নোপোআ হব, সেই সমই হে পৰমপিতা জগদিস্বৰ সিগ্ৰে ঘটোআ।"

  (অৰুনোদই, পৃ. ১৩০)

- আনন্দৰাম ঢেকিয়াল ফুকনৰ সময়ছোৱাত যদিও অসমীয়া ভাষা এটা সংকটাপন্ন অৱস্থাত আছিল, তথাপিও বলিষ্ঠ ঘৰুৱা প্ৰকাশভংগী ঢেকিয়াল ফুকনৰ গদ্যত পোৱা যায়। উদাহৰণস্বৰূপে—

  "তোমালোকৰ পুৰ্বপুৰুস সকলে এক প্ৰকাৰ বিদ্যাৰ আলোচনা কৰিচিল আৰু সেই নিমিতে সিবিলাকৰ অনেক গিয়ানি আচিল, কিন্তু এতিয়া তোমালোকে কি সংস্ক্ৰিত কি ইংৰাজি

একো বিদ্যা ন পৰ্হি পুৰ্বৰ হোজা স্বভাও এৰি অগিয়ান আৰু টেঙ্গৰ স্বভাও লবৰ উপক্রম কৰিচা।"

(অৰুনোদই, পৃ. ১৩০)

- আনন্দৰাম ঢেকিয়াল ফুকনৰ গদ্যৰ বেছিভাগতেই উপদেশমূলক বাক্য পোৱা যায়। যিহেতু ছাত্রসকলৰ উদ্দেশ্যেই 'অসমীয়া লৰাৰ মিত্র' ৰচনা কৰিছিল সেয়ে অধিকাংশ গদ্যই উপদেশমূলক। উদাহৰণস্বৰূপে—

"দুতিয়তে হে মোৰ অসমীয়া মিত্র সকল, বিদ্যা জেনেকৈ ইহকালত উপকাৰক আন একো তেনে ন হই; কিন্তু জদি সভ্য আৰু সুখি হব খোজা তেন্তে ক্রিসি আৰু সিল্প কৰমত ইংৰাজৰ দৰে পাৰ্গত হবলৈ পুৰুসার্থ কৰা।"

(অৰুনোদই, পৃ. ১৩০)

"হে ধনৱন্ত সকল তোমালোকে নিচই জানিবা জে ইস্বৰে ধন সাঁচি থবলৈ, নাইবা আপোন সুখলৈ দিয়া নাই, কিন্তু তাৰে পৰৰ উপকাৰ কৰিবলৈহে দিচে; এই ভর্তসনা বাক্য সুনি অনেক সদ লোকৰ চিতে উত্সাহ পাই, দেসৰ দুর্ভাগ্য গুচাবলৈ উঠিব পাৰে, কিন্তু অকলে কি কৰিম বুলি, নৈৰাস ন হৈ স্ব স্ব সাধ্যানুসাৰে হিত কৰিব, এতেকে আনেও সিবিলাকক দেখি সেই ৰূপে হিত কৰিব।"

(অৰুনোদই, পৃ. ১৩১)

- আনন্দৰাম ঢেকিয়াল ফুকনৰ গদ্যত মাজে মাজে ব্যাখ্যাত্মক গদ্যৰ নিদর্শন পোৱা যায়। যুক্তিৰ স্পষ্টতা আৰু আন্তৰিক ভাবাপন্ন অনুচ্ছেদবোৰে চিন্তাশীল গদ্যৰ নির্দশনো দাঙি ধৰে। যিহেতু ছাত্রসকলৰ উদ্দেশ্যেই 'অসমীয়া লৰাৰ মিত্র' ৰচনা কৰিছিল সেয়ে অধিকাংশ গদ্যই উপদেশমূলক। উদাহৰণস্বৰূপে—

"হে প্রিয় মিত্র সকল, জদি সভ্য আৰু গিয়ানি আৰু সুখি হবৰ বাঞ্ছা কৰা তেন্তে টোপনিৰ পৰা উঠা। লৰা সকল, তোমালোকে আটায়ে একে বাক্য হৈ কাৰো হাক নু সুনি বিদ্যাত আটায়ে চিত আৰু সক্তি দিয়া ! জি হেতুকে ধনে সোনে গিয়ান দিব নোআৰে।"

(অৰুনোদই, পৃ. ১৩০)

- গভীৰ চিন্তা আৰু যুক্তি অন্তর্নিহিত হৈ থকা বহু বাক্য ঢেকিয়াল ফুকনৰ ৰচনাত ব্যৱহাৰ হোৱা দেখিবলৈ পোৱা যায়। উদাহৰণস্বৰূপে—

"ধনৱন্ত লোক সকল, তোমালোকেও আজিৰে পৰা উঠা, পুর্বৰ প্রতিগ্যা এৰা, তোমালোকৰ ধন মাটিৰ তলত মামৰে নষ্ট কৰিব নি দিবা, কিন্তু দেসত বিদ্যা ব্রিধিলৈ ধন ভাঙ্গা এই উপাই লোআ দেস অৱস্যে, সভ্য আৰু গিয়ানি হব।"

(অৰুনোদই, পৃ. ১৩০)

- 'অৰুনোদই' যুগৰ অসমীয়া ভাষাৰ বর্ণবিন্যাস ৰীতি আছিল উচ্চাৰণকেন্দ্রিক। আনন্দৰাম ঢেকিয়াল ফুকনৰ ৰচনাত বহু পৰিমাণে 'অৰুনোদই'ৰ বর্ণবিন্যাস ৰীতি গ্রহণ কৰা দেখিবলৈ পোৱা যায় যদিও ফুকনে সংস্কৃত ব্যাকৰণ অনুকৰণ কৰাৰ বাবে মিছনেৰীসকলৰ ব্যৱহৃত বর্ণবিন্যাসৰ লগত কিছু পার্থক্য পৰিলক্ষিত হয়। উদাহৰণস্বৰূপে—

১. 'ঈ' ৰ ঠাইত 'ই' ৰ ব্যৱহাৰ পোৱা যায় । যেনে ঃ অসমিয়া, দুখিয়াৰ, দিঘল, পানি, দুখিয়া, হাতি, জিয়েক ইত্যাদি।

২.'ছ' ৰ ঠাইত 'চ' ৰ ব্যৱহাৰ। যেনে ঃ কৰিচা, পিচে, ছাত্র, আচে, হৈচে ইত্যাদি।

৩. 'শ' আৰু 'ষ' ৰ পৰিৱর্তে 'স' ৰ ব্যৱহাৰো পোৱা যায়। যেনে ঃ বিসয়া, সক্তি, সুনা, প্রদেস, পসুক, স্বদেসত, দেস, সিল, অনুসিলন আদি।

৪. 'য'ৰ ঠাইত 'জ' ৰ ব্যৱহাৰ পোৱা যায়। যেনে ঃ জাই, জায়, জি, জিহৰ আদি।

৫. 'ণ' পৰিৱর্তে 'ন' ৰ ব্যৱহাৰ পোৱা যায়। যেনে ঃ দিন, নগৰ, সুনা, নুশুনি প্রান, গুন, বিবৰন আদি।

৬. 'ং' ৰ ঠাইত 'ঙ' ৰ ব্যৱহাৰ কৰিছে। যেনে ঃ চুঙ্গা, ডাঙ্গৰ, সঙ্গ, ডোঙ্গা আদি।

৭. 'ৎ' ৰ ঠাইত 'ত' ৰ ব্যৱহাৰ কৰিছে। যেনে ঃ মহত, বিদ্যোত, চিকিতসালই আদি।

৮. সংযুক্ত ব্যঞ্জনৰ ব্যৱহাৰ কম। যেনে ঃ নিচইকৈ,পচিমে, পর্বতিয়া, নকচাৰ, উত্পন, দুতিয়তে আদি।

৯. 'য়' আৰু 'ই' ৰ দুয়োটাৰে ব্যৱহাৰ পোৱা যায় যদিও মাজে মাজে 'য়' ৰ পৰিৱর্তে 'ই' ৰ ব্যৱহাৰ হৈছিল। যেনে— অসমিয়া, নিচইকৈ, জাই, অন্যাই আদি।

- আনন্দৰাম ঢেকিয়াল ফুকনৰ গদ্যত শব্দসম্ভাৰৰ প্রয়োগ মন কৰিবলগীয়া। ঢেকিয়াল ফুকনৰ গদ্যত সংস্কৃতমূলীয় (তৎসম, অর্ধতৎসম, তদ্ভৱ) শব্দৰ প্রয়োগ অতি বেছি। প্রয়োজনত তেওঁ ইংৰাজী, আৰৱী-পার্চী আদি শব্দ যথেষ্ট পৰিমাণে ব্যৱহাৰ কৰিছে। উদাহৰণস্বৰূপে—

তৎসম শব্দ ঃ ইস্বৰ, পৃথিৱী, পিতৃ-মাতৃ, আজ্ঞা, স্বর্গ, মনুষ্য, পুষ্প, সুঘ্রান, চিত্ত, কর্ম্ম, ধর্ম্ম, ধার্ম্মিক, প্রিয়, অনন্ত, অনাদি, সর্ব্বজ্ঞ আদি।

অর্ধতৎসম শব্দ ঃ আতমা, যতন, চেনেহ, ভগিনী, ৰতন, মৰম, মৰণ আদি।

তদ্ভৱ শব্দ ঃ হাত, চকু, লৰা, চৰাই, দিন, ৰাতি, আঠ, চুমা,ঘৰ আদি।

ইংৰাজী শব্দ ঃ ইস্কুল, পার্লিমেণ্ট, কাপ্তান, পোলিচ, দুৰ্বীণ, ৰেইলৰোড, কম্পাচ, কম্পানি, সুপ্রিম কোর্ট, গবর্নৰ ইত্যাদি।

আৰৱী ফার্চী শব্দ ঃ উকীল, খাজানা, মক্কা, মহম্মদ, জিম্মাদাৰ, খাদিজা, নমাজ (নামাজ), মসীদ (মছ্জিদ), চিপাহী, জমা, কবৰ ইত্যাদি।

আহোম ভাষাৰ শব্দ ঃ স্বর্গদেও, নামচং (নামচাং), গৰগাঁও (গড়গাঁও), ৰঙ্গপুৰ (ৰংপুৰ) ইত্যাদি।

- আনন্দৰাম ঢেকিয়াল ফুকনৰ গদ্যত 'হে' সম্বোধনাত্মক অব্যয়ৰ প্রয়োগ অতি বেছি। ছাত্রসকল আৰু অসম দেশৰ লোকসকলক উদ্দেশ্যি ৰচনা কৰা প্রবন্ধবোৰৰ বেছিভাগতেই এনে প্রয়োগ দেখা যায়। যেনে— 'হে প্রিয় লৰাবিলাক', 'হে অসম দেস নিবাসি লোক সকল', 'হে মোৰ অসমিয়া মিত্র সকল', 'হে মোৰ স্বদেসিয় বান্ধব সকল' — ইত্যাদি।
- আনন্দৰাম ঢেকিয়াল ফুকনৰ 'ইংলণ্ডৰ বিবৰন' প্রবন্ধৰ বাহিৰে আন কিছুমান কাহিনীধর্মী লেখাৰ শেষত তেওঁ তাৎপর্য্য অন্তর্ভুক্ত কৰিছিল। ছাত্রসকলৰ সহজ বোধগম্য কৰি তোলাৰ উদ্দেশ্যেই তাৎপর্য অন্তর্ভুক্ত কৰা হৈছে। উদাহৰণস্বৰূপে—

পাঠ— 'এক লৰা আৰু কুলি চৰাইৰ কথা'

লেখাটোৰ তাৎপর্য্য— "কটুভাষীক কেৱে আদৰ নকৰে, মিষ্টভাষীক সকলোৱে ভাল পায়।"

(এক লৰা আৰু কুলি চৰাইৰ কথা, অ.ল.মি.,পৃ. ১৬)

- 'ইংলণ্ডৰ বিৱৰণ' প্রবন্ধৰ উপৰি কিছুমান প্রবন্ধৰ শিৰোনামত ইংৰাজী আৰু অসমীয়া দুয়োটা ভাষাৰ সমান্তৰাল প্রয়োগ দেখা যায়। প্রথমে অসমীয়াত আৰু তাৰ পিছতহে ইংৰাজীত শিৰোনামবোৰ লিখা হৈছে। 'ইংলণ্ডৰ বিৱৰণ' প্রবন্ধটিত লেখকৰ নাম শ্রীজুত বাবু আনন্দিৰাম ফুকন কর্ত্রিক বুলি উল্লেখ আছে। প্রবন্ধবোৰৰ শিৰোনামবোৰ এনে ধৰণৰ—

ইংলণ্ডৰ বিবৰন

An Account of England

পণ্ডিত আৰু বলী মানুহৰ কথা

The Wise and the Strong Man

ভাল হোৱা লৰাৰ কথা

The Reformed Boy

বাক্যৰীতি ঃ

আনন্দৰাম ঢেকিয়াল ফুকনৰ গদ্যৰ কোনো মেৰপাক নাই, ই যথার্থ সহজ-সৰল, বাহুল্যবর্জিত আৰু বাক্যবিন্যাস সুসংহত। সৰল পোনপটীয়া বাক্যৰ ব্যৱহাৰ ঢেকিয়াল ফুকনৰ ৰচনাত অতি বেছি যদিও দীঘলীয়া যৌগিক বাক্যৰ প্রয়োগো দেখা যায়। দীঘলীয়া বাক্যৰ প্রয়োগে আনন্দৰাম ঢেকিয়াল ফুকনৰ গদ্যৰ এক বিশেষ শৈলী সৃষ্টি কৰিছে। উদাহৰণস্বৰূপে 'ইংলণ্ডৰ বিবৰন' প্রবন্ধটিৰ পৰা এটা বাক্য তুলি দিয়া হৈছে।

‘এই দেসৰ ভালেমান ঠায়েই হাবি আৰু পৰ্বতিয়া; অনেক আঁতৰে আঁতৰে একোখনি সৰু সৰু নগৰ; আলি-বিলাক প্ৰায়েই বেয়া আৰু অগম্য; লোক থকা ঘৰবোৰ প্ৰায়েই পজা একুটিৰ দৰে খেৰে বাঁহেৰে সজা; নৈত জি নাওবোৰ থাকে সিও ডোঙ্গা একুটিৰ দৰে সৰু, আৰু দহ দিনৰ বাট বিচাৰি ফুৰিলেও এখনি পৰ্হাসালি, গিয়ানৰ সভা, চিকিতসালই, দুখিয়া দৰিদ্ৰ আৰু দেসৰ উপকাৰৰলৈ কোনো উপাই পোআ নে জাই।

আনন্দৰাম ঢেকিয়াল ফুকনৰ হাতত নতুন ভাব আৰু কথনৰীতিৰ সমন্বয়ত নতুন সাহিত্যৰ সৃষ্টি হৈছিল। মিছনেৰীৰ গদ্যৰ দৰে ঢেকিয়াল ফুকনৰ গদ্যৰ ভাষাতো ইংৰাজী ভাষাৰ প্ৰভাৱ পৰিলক্ষিত হয়। তেওঁৰ শব্দগঠন আৰু বাক্যবিন্যাসত ইংৰাজী বাক্যবিন্যাসৰ সৈতে সাদৃশ্য পোৱা যায়। উদাহৰণ—

‘এই দেস জি দৰৰ ইংলণ্ড দেস সেই দৰৰ ন হই আৰু আটাই কথাতে লৰ নহয়।’

‘দেসত বৰ বিসয়া আৰু বিস্যপ নামে জি ধৰম অধিপতি সকল আচে সিবিলাকৰ এক সভা, আৰু প্ৰজা সকলৰ প্ৰতি নিধিবিলাকৰ এক সভা, এই দুই সভাই পাৰ্লিমেণ্ট।”

আনন্দৰাম ঢেকিয়াল ফুকনে মিছনেৰীসকলৰ সৃষ্ট গদ্যক সাৰ-পানী যোগাই নতুন ৰূপত প্ৰতিষ্ঠা কৰিলে। ডিম্বেশ্বৰ নেওগে আনন্দৰাম ঢেকিয়াল ফুকনৰ গদ্য সম্পৰ্কে দাঙি ধৰা মন্তব্য এই ক্ষেত্ৰত প্ৰণিধানযোগ্য—

“আনন্দৰাম অকল বৰ্তমান অসমীয়া গদ্যৰ প্ৰথম প্ৰৱৰ্ত্তকেই নহয়, বৰ্তমান অসমীয়া ভাষাৰ আদি অৱস্থাৰ অনেক অপায়-অমঙ্গলৰ বিৰুদ্ধে যুজা প্ৰথম আগৰণুৱা তেওঁ, অসমীয়া সাহিত্যৰ আৰু জাতিৰ নতুন আদৰ্শ দাঙি ধৰোতা তেওঁ।”

(ডিম্বেশ্বৰ নেওগ, নতুন পোহৰত অসমীয়া সাহিত্যৰ বুৰঞ্জী, পৃ. ২৯৮)

ফুকনে ‘অৰুনোদই’ কাকতৰ জৰিয়তে সাহিত্যিক ৰূপে আত্মপ্ৰকাশ কৰিছিল যদিও তেওঁ ‘অৰুনোদই’ৰ বৰ্ণবিন্যাস নীতি মানি চলা নাছিল। অৰুনোদইৰ গদ্য আৰু ঢেকিয়াল ফুকনৰ গদ্য সমান্তৰাল গতিত আগবাঢ়িছিল যদিও দুয়োবিধ গদ্যৰ মাজত পাৰ্থক্য পৰিলক্ষিত হয়। ডিম্বেশ্বৰ নেওগে দাঙি ধৰা এটা মন্তব্য উল্লেখ কৰা হৈছে ।

“ঘাইকৈ তেওঁলোকে অসমীয়া জন-গণৰ মাত-কথা অনুকৰণ কৰি লিখাৰ বাবে তেওঁলোকৰ (মিছনেৰীৰ গদ্যৰ) ভাষা কেঁচুৱাৰ থুনুক-থানাক মাতৰ দৰে মিঠা আৰু স্বাভাৱিক, কিন্তু ইংৰাজী ভাব ভাষা যেতিয়াই কোনোজনে গোটে-পাতে অসমীয়াত ভৰাবলৈ গৈছে, তেতিয়াই সেই সাহিত্যৰ পৰা এটা অঁহীয়া গোন্ধ ওলাইছে।”

(ডিম্বেশ্বৰ নেওগ, নতুন পোহৰত অসমীয়া সাহিত্যৰ বুৰঞ্জী, পৃ. ৩০২)

কিন্তু নেওগে উল্লেখ কৰা মতে মিছনেৰী গদ্যৰ দৰে আনন্দৰাম ঢেকিয়াল ফুকনৰ গদ্য ভাষাত কেঁচুৱাৰ থুনুক-থানাক মাতৰ পৰিৱৰ্তে পূৰ্ঠ অসমীয়া ভাষাৰ নিদৰ্শন পোৱা যায়। মিছনেৰীসকলে আধুনিক অসমীয়া গদ্যৰ প্ৰতিষ্ঠাৰ বাবে যি চেষ্টা কৰিছিল ঢেকিয়াল ফুকনে সেই চেষ্টাত সহায় কৰিছিল।

আত্মমূল্যায়ন-৪

আনন্দৰাম ঢেকিয়াল ফুকনৰ গদ্যৰ বৈশিষ্ট্য ‘ইংলণ্ডৰ বিৱৰণ’ শীৰ্ষক পাঠটিৰ আধাৰত বিচাৰ কৰা।

.....

.....

.....

.....

.....

.....

.....

২.৩.৫ শব্দটোকা

ইংলণ্ডৰ বিৱৰণ

'ইংলণ্ডৰ বিৱৰণ' পাঠটিৰ অন্তৰ্গত তলত উল্লেখ কৰা শব্দবোৰৰ বৰ্তমান প্ৰচলিত আধুনিক ৰূপবোৰ হৈছে —

প্ৰিথিবি	>	পৃথিৱী	চিকিতসালই	>	চিকিৎসালয়
পৰ্হাসালি	>	পঢ়াশালি	বিচখ্যন	>	বিচক্ষণ
অগিয়ান	>	অজ্ঞান	গিয়ানি	>	জ্ঞান
দুতিয়তে	>	দ্বিতীয়তে	প্ৰতিগ্যা	>	প্ৰতিজ্ঞা
নিচইকৈ	>	নিশ্চয়কৈ	অৱস্যে	>	অৱশ্যে
ভৰ্তসনা	>	ভৎসনা	জগদিস্বৰ	>	জগদিশ্বৰ
পৰ্হা	>	পঢ়া	ক্রিসি	>	কৃষি

২.৩.৬ অনুশীলনী

২.৩.৬.১ বোধজ্ঞান অনুশীলনী

১) আনন্দৰাম ঢেকিয়াল ফুকনৰ গদ্য আৰু 'ইংলণ্ডৰ বিৱৰণ' পাঠভিত্তিত তলত দিয়া প্ৰশ্নবোৰৰ উত্তৰ দিয়ক। প্ৰতিটো প্ৰশ্নৰ বাবে তিনিটাকৈ বিকল্প দিয়া আছে, শুদ্ধটো বাচি (√) চিনটো দিয়ক।

ক) আনন্দৰাম ঢেকিয়াল ফুকনৰ জন্মৰ চনটো হৈছে —

১) ১৮২৬
২) ১৮২৮
৩) ১৮২৯

খ) আনন্দৰাম ঢেকিয়াল ফুকনে তলত দিয়া কোনখন গ্ৰন্থ ছদ্মনামত লিখিছিল?

১) অসমীয়া লৰাৰ মিত্ৰ
২) A Few Remarks on the Assamese Language and on Vernacular Education of Assam
৩) আইন ও ব্যৱস্থা সংগ্ৰহ।

গ) মফাট্ মিলছৰ প্ৰতিবেদনখনৰ প্ৰকাশৰ চনটো হৈছে—

১) ১৮৫৪
২) ১৮৫৫
৩) ১৮৫৬

ঘ) আনন্দৰাম ঢেকিয়াল ফুকনৰ 'ইংলণ্ডৰ বিবৰন' প্ৰবন্ধটি 'অৰুনোদই' কাকতত কোন চনত প্ৰকাশ পাইছিল?—

১) ১৮৪৬
২) ১৮৪৭
৩) ১৮৪৮

২) তলত দিয়া প্ৰশ্নবোৰৰ উত্তৰ চমুকৈ দিয়ক।

ক) আমাৰ পুৰ্বপুৰুষসকল কিয় জ্ঞানী আছিল?
খ) সভ্য আৰু সুখী হ'বলৈ কি কি কাম কৰিবলৈ উপদেশ দিছিল?
গ) অসমীয়াসকল ইংৰাজতকৈ অসভ্য হোৱাৰ তৃতীয় কাৰণটো কি আছিল?

৩) তলৰ শাৰীবোৰ 'ইংলণ্ডৰ বিৱৰণ' প্ৰবন্ধটিৰ পৰা তুলি দিয়া হৈছে। প্ৰবন্ধটিৰ সহায়ত বাক্যবোৰৰ খালী ঠাই পূৰণ কৰক।

ক) ইংলণ্ড দেসক ..... প্ৰদেস কৰি ভাগ কৰা হৈচে; তাৰ সকলো ..... প্ৰধান ৰাজধানি ..... নগৰ।

খ) হে প্ৰিয় মিত্ৰ সকল, জদি ..... আৰু ..... আৰু সুখি হবৰ বাঞ্ছা কৰা তেন্তে ..... পৰা উঠা।

গ) অসম দেস হাবি গুচি .....বাৰি হব, পজাৰ ঠাইত ..... হব, ডোঙ্গা গুচি ..... নাও হব, আৰু গোটেই দেস ধনমই হব।

ঘ) হে ..... জগদিস্বৰ, এই অসম দেসৰ লোকসকলক স্বদেস সভ্য ..... আৰু ..... কৰিবলৈ মতি দিয়া।

ঙ) কোটি টকা ভেঁটি পাইও কাৰো ..... ন কৰিব, বেস্যা, ... আৰু ..... এই কথা দেসত লোকে ভু নো পোআ হব।

২.৩.৬.২ বৈয়াকৰণিক অনুশীলনী

ক) 'ইংলণ্ডৰ বিৱৰণ' পাঠটিৰ পৰা নঞৰ্থক ৰূপসমূহ বাছি উলিয়াওক।

খ) তলৰ শব্দবোৰৰ সন্ধি ভাঙক।

সাধ্যানুসাৰে, সংস্ক্রিত, জগদিস্বৰ, স্বদেসিয়, ধনৱন্ত, ভাত্রিবত্

২.৩.৬.৩ পঠন অনুশীলনী

১) আনন্দৰাম ঢেকিয়াল ফুকনৰ 'ইংলণ্ডৰ বিৱৰণ' শীৰ্ষক পাঠটি ভালদৰে পঢ়ক আৰু কোনবোৰ অংশ ভাল লাগিল আৰু কিয় ভাল লাগিছে বিচাৰ কৰক।

২) বৰ্তমান ব্যৱহৃত আখৰ জোঁটনিৰ লগত আনন্দৰাম ঢেকিয়াল ফুকনে ব্যৱহাৰ কৰা আখৰ জোঁটনিৰ মাজত থকা পাথৰ্ক্যবোৰ বাছি উলিৱাওক।

৩) 'ইংলণ্ডৰ বিৱৰণ' শীৰ্ষক পাঠটিত ব্যক্ত কৰা উপদেশমূলক আৰ্হিযুক্ত বাক্যবোৰ বাছি উলিওৱাক আৰু জাতীয়-জীৱনত এইবোৰৰ গুৰুত্ব বিচাৰ কৰক।

৪) 'ইংলণ্ডৰ বিৱৰণ' শীৰ্ষক পাঠটি পঢ়ি ফুকনৰ গদ্যৰ বৈশিষ্ট্য বিচাৰ কৰি কি কি দিশত নতুনত্ব আছে বিচাৰ কৰাৰ লগতে 'অৰুনোদই'ৰ গদ্যৰ লগত এটি তুলনা কৰিবলৈ যত্ন কৰক।

২.৩.৬.৪ লিখন অনুশীলনী

১) আধুনিক অসমীয়া গদ্যৰ বিকাশত আনন্দৰাম ঢেকিয়াল ফুকনৰ গদ্যৰ ভূমিকা সম্পৰ্কে লিখক।

.....

.....

.....

.....

.....

.....

.....

.....

২) 'ইংলণ্ডৰ বিৱৰণ' প্ৰবন্ধটিৰ পৰা আনন্দৰাম ঢেকিয়াল ফুকনে দেশবাসীৰ দুৰৱস্থাৰ বাবে কাক জগৰীয়া কৰিছে?

.....

.....

.....

.....

.....

.....

.....

৩) আনন্দৰাম ঢেকিয়াল ফুকনে অসমখন আধুনিকীকৰণ কৰাৰ বাবে কেনে সপোন দেখিছিল?

.....

.....

.....

.....

.....

.....

.....

.....

৪) আনন্দৰাম ঢেকিয়াল ফুকনৰ বৰ্ণবিন্যাস ৰীতি সম্পৰ্কে লিখক।

.....

.....

.....

.....

.....

.....

.....

২.৩.৭ উত্তৰ সংকেত

ক) বোধজ্ঞান অনুশীলনীৰ উত্তৰ

(ক) (৩)

(খ) (২)

(গ) (১)

(ঘ) (২)

ঘ) **বৈয়াকৰণিক অনুশীলনীৰ উত্তৰ**

ক) 'ইংলণ্ডৰ বিৱৰণ' পাঠটিৰ পৰা নঞৰ্থক ৰূপসমূহ বাছি তলত উল্লেখ কৰা হৈছে।

ন পৰ্হি, নো পোআ, নে বাহে, নো খোজে, নি দিবা, নে বাৰ্হিলে, ন কৰা ইত্যাদি।

খ) তলৰ শব্দবোৰৰ সন্ধি ভাঙি দেখুওৱা হৈছে।

সাধ্য	+	অনুসাৰে	= সাধ্যানুসাৰে
সম	+	স্ক্রিত	= সংস্ক্রিত
জগত	+	ইস্বৰ	= জগদিস্বৰ
স্ব	+	দেসিয়	= স্বদেসিয়
ধন	+	অন্ত	= ধনৱন্ত
ভাত্রি	+	বত্	= ভাত্রিবত্

২) তলত দিয়া প্রশ্নবোৰৰ উত্তৰ দুটা বা তিনিটা বাক্যত দিয়া হৈছে।

ক) আমাৰ পুৰ্বপুৰুষসকল বিদ্যা অৰ্জনৰ জৰিয়তে এক প্রকাৰৰ জ্ঞানী হৈছিল।

খ) সভ্য আৰু সুখী হ'বলৈ কৃষি আৰু শিল্প কৰ্মত ইংৰাজৰ দৰে পাৰ্গত হ'বলৈ পুৰুষাৰ্থ কৰিব লাগিব। আমাৰ লোকসকল অজ্ঞানী আৰু তেওঁলোকে কেনেদৰে জ্ঞানী হ'ব পাৰি এই সম্পৰ্কে নাজানে আৰু সেই বিদ্যা জানিবলৈকো কোনে শ্রম কৰা নাই । সেয়ে সভ্য আৰু সুখী হ'বলৈ বিদ্যা আহৰণ কৰাৰ লগতে শ্রম কৰিবলৈ ফুকনে উপদেশ দিছিল।

গ) অসমীয়াসকলে বাণিজ্যৰ অনুশীলন কৰা নাই, তেওঁলোকে ধন মাটিত পুতি থৈ ভাল পায়। কিন্তু ধন কেনেকৈ আৰ্জিব পাৰি সেইটো তেওঁলোকে নাজানে। ইংৰাজৰ সভ্যতাৰ বিকাশৰ

ঘাই কাৰণ হৈছে বাণিজ্য। সেয়ে ফুকনে অসমীয়াসকলক ধনৱন্ত হ'বৰ বাবে ইংৰাজৰ দৰে বাণিজ্য কৰিবলৈ উপদেশ দিছে।

৩) প্ৰবন্ধটিৰ পৰা তুলি দিয়া তলৰ শাৰীবোৰৰ পাঠটি অধ্যয়ন কৰি শব্দবোৰ বিচাৰি খালি ঠাই পূৰণ কৰি দেখুওৱা হৈছে।

ক) ইংলণ্ড দেসক চলিচ প্ৰদেস কৰি ভাগ কৰা হৈচে; তাৰ সকলো নগৰতকৈ প্ৰধান ৰাজধানি লণ্ডন নগৰ।

খ) হে প্ৰিয় মিত্ৰ সকল, জদি সভ্য আৰু গিয়ানি আৰু সুখি হবৰ বাঞ্ছা কৰা তেন্তে টোপনিৰ পৰা উঠা।

গ) অসম দেস হাবি গুচি ফুল বাৰি হব, পজাৰ ঠাইত অট্টালিকা হব, ডোঙ্গা গুচি ভাপৰ নাও হব, আৰু গোটেই দেস ধনমই হব।

ঘ) হে ক্ৰিপামই জগদিস্বৰ, এই অসম দেসৰ লোকসকলক স্বদেস সভ্য গিয়ানি আৰু ধাৰ্মিক কৰিবলৈ মতি দিয়া।

ঙ) কোটি টকা ভেঁটি পাইও কাৰো অন্যাই ন কৰিব, বেস্যা, কানি আৰু সুৰা এই কথা দেসত লোকে ভু নো পোআ হব।

২.৩.৮ অতিৰিক্ত পঠন উপদেশ

আপোনালোকে আধুনিক অসমীয়া গদ্যৰ বিকাশ, আনন্দৰাম ঢেকিয়াল ফুকনৰ ৰচনাৰাজি আৰু ফুকনৰ 'ইংলণ্ডৰ বিৱৰণ' প্ৰবন্ধটিৰ সম্পৰ্কে বহলাই জানিবলৈ হ'লে তলৰ কিতাপকেইখন পঢ়িব।

১) কটকী, প্ৰফুল্ল, *ক্ৰমবিকাশত অসমীয়া কথাশৈলী,* বীণা লাইব্ৰেৰী, গুৱাহাটী, ১৯৯২।

২) কোঁৱৰ, অৰ্পণা, (সম্পা.) *প্ৰাচীন অসমীয়া গদ্যশৈলী,* বনলতা, ডিব্ৰুগড়, ২০০৫।

৩) ..... (সম্পা.) *আধুনিক অসমীয়া গদ্যশৈলী,* বনলতা, ডিব্ৰুগড়, ২০১২।

৪) গোস্বামী, উপেন্দ্ৰনাথ, *অসমীয়া ভাষাৰ উদ্ভৱ সমৃদ্ধি আৰু বিকাশ,* বৰুৱা এজেঞ্চি, গুৱাহাটী, ১৯৯৪।

৫) তালুকদাৰ, নন্দ (সংক. আৰু সম্পা.), *আনন্দৰাম ঢেকিয়াল ফুকনৰ ৰচনা সংগ্ৰহ,* লয়ার্ছ বুক ষ্টল, গুৱাহাটী, ১৯৯৭।

৬) নেওগ, ডিম্বেশ্বৰ, *নতুন পোহৰত অসমীয়া সাহিত্যৰ বুৰঞ্জী,* শুৱনী প্ৰকাশন পৰিষদ, গুৱাহাটী, ১৯৯৯।

৭) নেওগ, মহেশ্বৰ (সম্পা.), *অৰুনোদই সম্বাদ পত্ৰ,* অসম প্ৰকাশন পৰিষদ, গুৱাহাটী, ১৯৯৩।

৮) তালুকদাৰ, নন্দ (সংক. আৰু সম্পা.), আনন্দৰাম ঢেকিয়াল ফুকনৰ *অসমীয়া ল'ৰাৰ মিত্ৰ* (দ্বিতীয় কাণ্ড) আনন্দৰাম বৰুৱা ভাষা-কলা-সংস্কৃতি সংস্থা, গুৱাহাটী, পুনৰ্মুদ্ৰণ, ১৯৯৯।

খণ্ড-২ গোট-৪ঃ তান্ত্রীকুচিত ৰাজ্যচর্চা
(A non-fictional writing from Lakshminath Bezbaroa)

গাঁথনি

২.৪.১ পাতনি
২.৪.১.১ পৰিচয়
২.৪.১.২ উদ্দেশ্য
২.৪.২ লেখকৰ পৰিচয়
২.৪.২.১ বেজবৰুৱা মানুহজন
২.৪.২.২ বেজবৰুৱাৰ শংকৰদেৱ চর্চা
২.৪.৩ "তান্ত্রীকুচি ৰাজ্যচর্চা" পাঠটোৰ আলোচনা
২.৪.৩.১ পাঠটোৰ বিষয়বস্তু
২.৪.৩.২ আলোচনা
২.৪.৪ শব্দটোকা
২.৪.৫ অনুশীলন
২.৪.৫.১ বোধজ্ঞান অনুশীলন
২.৪.৫.২ বৈয়াকৰণিক অনুশীলন
২.৪.৫.৩ পঠন অনুশীলন
২.৪.৫.৪ লিখন অনুশীলন
২.৪.৬ উত্তৰ সংকেত
২.৪.৭ শব্দজ্ঞান
২.৪.৮ অতিৰিক্ত পঠন উপদেশ

২.৪.১ পাতনি

২.৪.১.১ পৰিচয়

ঊনবিংশ শতিকাত যিকেইগৰাকী ব্যক্তিৰ ঐকান্তিক প্রচেষ্টাৰ বাবে অসমীয়া ভাষা প্রাণ সঞ্জীৱনী সুধাৰে নতুনকৈ প্রাণৱন্ত হৈ উঠিছিল আৰু বিংশ শতিকাৰ আৰম্ভণিতে যিকেইগৰাকী ব্যক্তিৰ আশাসুধীয়া প্রয়াসত অসমীয়া ভাষা-সাহিত্যই ন ৰূপেৰে সাজি কাছি সমৃদ্ধ হৈ জগত সভালৈ বাট বুলিবলৈ আৰম্ভ কৰিছিল, সেইকেইগৰাকী ব্যক্তিৰ ভিতৰত সাহিত্যৰথী লক্ষ্মীনাথ বেজবৰুৱা আছিল অন্যতম অগ্রণী ব্যক্তি। ১৮৮৯ চনত প্রকাশিত *জোনাকী* আলোচনী আছিল এইসকল ভাষা-সাহিত্যৰ কাণ্ডাৰীৰ ভাষা-সাহিত্য আৰু জ্ঞান চর্চাৰ ঘাই মঞ্চ স্বৰূপ। এই আলোচনীক কেন্দ্র কৰি গঢ় লোৱা 'জোনাকী যুগ'ত অসমীয়া ভাষাক আধুনিক ভাব-চিন্তা-কল্পনাৰ উপযোগী কৰি ভাষাটোৰ নিজস্ব জতুৱা ৰূপটোক মনোজ্ঞ ৰূপ সজাই তোলাত বেজবৰুৱাৰ অৱদান অপৰিসীম। তেখেতৰ বুৰঞ্জীমূলক নাটকৰ ভাষাত যিদৰে অসমীয়া জাতীয় ঐতিহ্য জিলিকি উঠে, একেদৰে শঙ্কৰদেৱৰ জীৱনীত আমাৰ বৈষ্ণৱ পৰম্পৰাৰ ৰং-ৰূপ-গোন্ধে তল্‌মল্ কৰি থাকে। কৃপাবৰী ৰচনাত চোৰাত পাতে ডকাৰ দৰে শাণিত ব্যঙ্গই যিদৰে যাক ডাকিব লাগে ডাকে, একেদৰে নির্মল হাস্যৰসে নিচলা অসমী আইৰ সন্তানবোৰৰ ওঁঠত হাঁহিৰ খলকনি তোলে। এই দক্ষতাৰ মূলতে বেজবৰুৱাৰ ভাষা। সেয়ে বাণীকান্ত কাকতিয়ে কৈছে যে বেজবৰুৱাৰ ভাষালৈ মন নিদিয়াকৈ কোনেও অসমীয়া ভাষা শিকিব নোৱাৰে। অসমীয়া ভাষাক বন্ধ পুখুৰী কৰি ৰখাত বেজবৰুৱাৰ আপত্তি আছিল। নতুন দিনৰ ভাব-চিন্তা প্রকাশ কৰিবলৈ ভাষাক মুকলি কৰি দিব লাগিব; প্রয়োজনত নতুন শব্দ সাজিব লাগিব বা আন ভাষাৰ পৰাও ল'বলগীয়া হ'ব। বেজবৰুৱাৰ এক মহত্তম বৰঙণি আছিল শংকৰদেৱৰ বিষয়ে আধুনিক চিন্তাৰ বাট মুকলি কৰাটো। একপ্রকাৰে ক'বলৈ গ'লে বেজবৰুৱায়ে শংকৰদেৱক আধুনিক দৃষ্টিৰে পুনৰাৱিস্কাৰ কৰি আমাৰ মাজত এই যুগস্রষ্টা

অসমীয়াগৰাকীক নতুনকৈ প্ৰতিষ্ঠা কৰি অসমীয়াৰ দৃষ্টিক এটা নতুন গতি প্ৰদান কৰিছিল। বেজবৰুৱাই কাটি দিয়া বাটেৰেই পৰৱৰ্তী সময়ত শঙ্কৰদেৱৰ মহত্ত্ব আৰু গুৰুত্বৰ ব্যাপক চৰ্চা হ'বলৈ লয়। সেয়ে আপোনালোকৰ পাঠ্যক্ৰমত এটা পাঠ বেজবৰুৱাৰ শঙ্কৰদেৱ চৰ্চাৰ আৰ্হি হিচাপে পঢ়িবলৈ দিয়া হৈছে। ইয়াৰ মাজেদি আপোনালোকে বেজবৰুৱাৰ শঙ্কৰদেৱ চৰ্চাৰ গভীৰ জগতখনত প্ৰৱেশ কৰিবলৈ অনুপ্ৰাণিত হ'ব। লগতে বেজবৰুৱাৰ আকৰ্ষণীয় গদ্য আৰু অসমীয়া ভাষা ব্যৱহাৰৰ ধাৰণা কৰিব পৰা পাৰিব।

২.৪.১.২ উদ্দেশ্য

- বেজবৰুৱাৰ শঙ্কৰদেৱ চৰ্চাৰ বৈশিষ্ট্য আৰু গুৰুত্ব সম্পৰ্কে এটা ধাৰণা দিয়া।
- শঙ্কৰদেৱৰ জীৱনীকাৰ বেজবৰুৱাৰ লেখাৰ জৰিয়তে শঙ্কৰদেৱৰ জীৱনৰ এছোৱা সময়ৰ বিষয়ে জানিবলৈ দিয়া।
- বেজবৰুৱাৰ গদ্যভাষাৰ বিষয়ে এটা আভাষ দিয়া।

২.৪.২ লেখকৰ পৰিচয়

২.৪.২.১ বেজবৰুৱা মানুহজন

সাহিত্যৰথী লক্ষ্মীনাথ বেজবৰুৱাৰ জন্ম হয় ১৮৬৪ চনত নগাঁৱৰ আঁহতগুৰিত। দেউতাক দীননাথ বেজবৰুৱা আছিল আহোম ৰজাই নিযুক্তি দিয়া বেজ (আয়ুৰ্বেদিক চিকিৎসক)। ব্ৰিটিছ শাসন কালত তেওঁ প্ৰথমে দেৱানী চিৰস্তাদাৰ নিযুক্ত হৈ পাছলৈ মুঞ্চিফ পদলৈ উত্তৰণ ঘটে। চৰকাৰী কামত এঠাইৰ পৰা আন ঠাইলৈ তেওঁ সপৰিয়ালে ঘূৰি ফুৰিবলগীয়া হৈছিল আৰু এনেকৈ ঘূৰি ফুৰোঁতে আঁহতগুৰি নামে ঠাইত নাৱতে লক্ষ্মীনাথৰ জন্ম হৈছিল। সেয়ে বেজবৰুৱাই আত্মজীৱনী 'মোৰ জীৱন সোঁৱৰণ'ত নিজৰ জন্মকথা ক'বলৈ গৈ ভূমিষ্ঠ নহৈ নৌকাষ্ঠ হোৱা বুলি কৈছে।

কমলাবাৰী সত্ৰৰ নিষ্ঠাৱান শিষ্য দীননাথ বেজবৰুৱা আছিল শংকৰী পৰম্পৰাৰ এজন কৰ্তৃত্বশীল ব্যক্তি। সেয়ে দীননাথ বেজবৰুৱাৰ তত্ত্বাৱধানত শৈশৱতে লক্ষ্মীনাথ বেজবৰুৱাই মহাপুৰুষীয়া পৰম্পৰাৰ উপাসনা ৰীতি, নাট-ভাওনা, বৰগীত, খোল, নাম-প্ৰসংগ, পুথিৰ পদ-ঘোষা আদিৰ লগত নিবিড় সম্পৰ্ক গঢ়ি তুলিছিল। ইয়েই পৰৱৰ্তী সময়ৰ অসমীয়া বৈষ্ণৱ পৰম্পৰাৰ আধুনিক প্ৰতিষ্ঠাতা বেজবৰুৱাজনৰ পৃষ্ঠভূমি গঢ়ি তুলিছিল। তদুপৰি ভৰপূৰ পৰিয়াল এটাত ডাঙৰ-দীঘল হৈ অসমৰ গ্ৰাম্য জীৱন প্ৰবাহক নিবিড়ভাৱে আত্মস্থ কৰিছিল। অসমৰ বিনন্দীয়া প্ৰকৃতি আৰু লোক-জীৱনৰ সজীৱতাৰ মাজত শৈশৱৰ সোণালী সময় অতিবাহিত কৰিবলৈ পোৱাৰ বাবে বেজবৰুৱাৰ চিন্তা-চেতনাত 'অ' মোৰ আপোনাৰ দেশ'ৰ সুৰীয়া আৱেগ চিৰস্থায়ী হৈ ৰৈ গৈছিল। সেয়ে আজীৱন কলিকতা, সম্বলপুৰ আদি ঠাইত প্ৰবাস খাটি থাকিও অসমৰ প্ৰতি গভীৰ আকৰ্ষণৰ অলপো হীন-ডেঢ়ি হোৱা নাছিল।

১৮৮৬ চনত কলিকতাত উচ্চ শিক্ষা ল'বলৈ যোৱাৰে পৰা বেজবৰুৱাৰ অভিজ্ঞতাৰ জগতখন বহল হৈ পৰিল। সেই সময়ত ভাৰতৰ সাংস্কৃতিক প্ৰাণকেন্দ্ৰ কলিকতা পাশ্চাত্যৰ পৰশ পোৱা আধুনিক শিক্ষাৰ পোহৰত তল্‌মল্ কৰি আছিল। ভাৰতৰ আধুনিকতাৰ অগ্ৰদূত ৰাজা ৰামমোহন ৰায়, বিদ্যাসাগৰ, ডিৰজিঅ', দেৱেন্দ্ৰনাথ ঠাকুৰ আদিৰ সংস্কাৰ আন্দোলন, ব্ৰাহ্ম আন্দোলন আদিৰে যি বংগীয় নৱজাগৰণৰ সূচনা হৈছিল তাৰো প্ৰাণকেন্দ্ৰ আছিল কলিকতা। কলিকতাৰ বৌদ্ধিক আৰু সামাজিক-সাংস্কৃতিক পৰিৱেশত বেজবৰুৱা আৰু তেওঁৰ সমসাময়িক অন্যান্য অসমীয়া ছাত্ৰসকলৰ আধুনিক মনটো বিকশিত হৈ উঠিছিল।

এইখিনিতে মনত ৰাখিব লাগিব যে বেজবৰুৱাই স্কুলীয়া শিক্ষা গ্ৰহণৰ কালছোৱাত অসমৰ স্কুল-কাছাৰীত বাংলা ভাষাহে চলিছিল। ১৮৩৭ চনত ব্ৰিটিছ প্ৰশাসনে বাংলা ভাষাক অসমৰ স্কুল-কাছাৰী আৰু প্ৰশাসনৰ ভাষা কৰিছিল আৰু ১৮৭৩ চনলৈ এইমতেই চলি আছিল। সেই সময়ত অসমত পাশ্চাত্য আৰ্হিৰ আধুনিক শিক্ষাপ্ৰাপ্ত লোক প্ৰায় নাছিলেই। গতিকে প্ৰশাসনৰ কাম-কাজ চলাবলৈ বাঙালী মানুহ অনা হৈছিল। পুৰণিকলীয়া অসমৰ গ্ৰাম্য জীৱনত আধুনিক বা-বতাহ লগাই নাছিল। এনেবোৰ কাৰণত সকলোতে আগবঢ়া বাঙালী মানুহখিনিয়েই নতুনকৈ শিক্ষা লোৱা অসমীয়া নতুন চামৰ বাবে আৰ্হি হৈ পৰিছিল। বেজবৰুৱায়ো আত্মজীৱনীত লিখিছে— 'বঙ্গলা ভাষা, বঙ্গলা গান,

বঙ্গালীৰ নিচিনা চুলি-কটা, চুৰিয়া-চোলা পিন্ধা, মুঠতে বঙ্গালী ফেশ্যন আৰু অৰ্থাৎ যি কি নহওক সকলো বঙ্গালী আমাৰ অসমীয়াতকৈ যে শ্ৰেষ্ঠ, এই ৰোগে তেতিয়াৰ ডেকা তৰপৰ গাত ভালকৈয়ে ধৰিছিল।' এইবোৰ কথাই কলিকতাত পঢ়িবলৈ যোৱা বেজবৰুৱা আৰু আনসকলক দুখ দিছিল। সেয়ে তেওঁলোকে অসমীয়া ভাষা-কলা, সংস্কৃতি-সাহিত্যৰ উন্নতিৰ মাজেদি অসম দেশৰ উন্নতিৰ বাবে চেষ্টা কৰিবলৈ ধৰিলে আৰু সেই উদ্দেশ্যে ১৮৮৮ চনত প্ৰতিষ্ঠা কৰিলে 'অসমীয়া ভাষা উন্নতি সাধিনী সভা।' এই সভাৰ তত্ত্বাৱধানতে ১৮৮৯ চনৰ পৰা প্ৰকাশ পালে অসমীয়া সাহিত্যৰ যুগস্ৰষ্টা আলোচনী 'জোনাকী'।

১৮৮৯ চনত 'জোনাকী' আলোচনী ওলোৱাৰ পৰা বেজবৰুৱাৰ মৃত্যু (১৯৩৮) পৰ্যন্ত এই কালছোৱাত 'জোনাকী'ৰ উপৰি 'ঊষা', 'বাঁহী', 'আৱাহন', 'মিলন' আদি কেইবাখনো আলোচনী প্ৰকাশ পাইছিল আৰু এই সকলোবোৰ আলোচনীৰ সৈতে বেজবৰুৱা প্ৰত্যক্ষ অথবা পৰোক্ষভাৱে জড়িত আছিল। ১৯০৯ চনত প্ৰকাশিত 'বাঁহী' আলোচনীৰো সম্পাদক আছিল বেজবৰুৱা নিজে। কলিকতাত পঢ়া সামৰি প্ৰথমে ভোলানাথ বৰুৱাৰ লগত বিভিন্ন ব্যৱসায় কৰা বেজবৰুৱাই পাছলৈ নিজাকৈ ব্যৱসায় কৰিবলৈ লয়। কাঠৰ ব্যৱসায় কৰি বেজবৰুৱাই জীৱনৰ বহুসময় সম্বলপুৰৰ হাবিয়ে-জংঘলে কটাবলগীয়া হৈছিল। কিন্তু তাৰ মাজতো 'বাঁহী' সম্পাদনা কৰিছিল, বাঁহীৰ বেছিভাগ লেখা তেওঁ নিজেই লিখিছিল। অসমৰ পৰা ইমান দূৰৈত থাকি, নানা ব্যৱসায়িক ব্যস্ততাৰ মাজত, কাৰো পৰা প্ৰত্যক্ষ সহায় নোপোৱাকৈ আনকি 'বাঁহী'ৰ মূল্যটোও গ্ৰাহকৰ পৰা সঠিক সময়ত নোপোৱাকৈ বেজবৰুৱাই 'বাঁহী' উলিয়াই আছিল কেৱল অসমীয়া ভাষা-সাহিত্যৰ উন্নতিৰ চিন্তাৰে।

বেজবৰুৱাই কৃপাবৰ বৰবৰুৱা ছদ্মনামেৰে 'জোনাকী', 'ঊষা' আৰু 'আৱাহন' আলোচনীত এলানি হাস্য-ব্যঙ্গ ৰচনা লিখিছিল। এইবোৰত অসমীয়া সমাজখনৰ বিভিন্ন চৰিত্ৰৰ ফোপোলা ভেম, ভণ্ডামি, পেট-কপটীয়া আচৰণ, কুসংস্কাৰ আদিৰ তীব্ৰ ব্যঙ্গাত্মক সমালোচনাৰ পৰা তৎকালীন ৰাজনৈতিক ঘটনাপ্ৰবাহৰো ৰসাল সমালোচনা আছে। কেতিয়াবা ধেমেলীয়া কথাৰে হাঁহিব নজনা অসমীয়া মানুহক হাঁহিবলৈ শিকাইছে। ১৯১৫ চনত প্ৰকাশ পোৱা 'চক্ৰধ্বজ সিংহ', 'জয়মতী কুঁৱৰী' আৰু 'বেলিমাৰ' নামৰ ঐতিহাসিক ঘটনাক লৈ ৰচনা কৰা উপন্যাসকেইখনৰ মাজত আমি প্ৰবল স্বদেশানুৰাগী বেজবৰুৱাৰ অমল সৃষ্টিশীলতা দেখা পাওঁ। বেজবৰুৱা আছিল অসমীয়া চুটিগল্পৰ জন্মদাতা। 'ভদৰী', 'কাশীবাসী', 'পাটমুগী', 'ধোঁৱাখোৱা' আদি কেইটামান গল্প অসমীয়া সাহিত্যৰ নজহা-নপমা সম্পদ। 'কদমকলি' বেজবৰুৱাৰ একমাত্ৰ কবিতাৰ পুথি। অসমীয়া সাধুকথা সংগ্ৰহৰো বাটকটীয়া বেজবৰুৱা। 'বুঢ়ী আইৰ সাধু' নপঢ়া অসমীয়া শিশু নোলাব নিশ্চয়। মুঠৰ ওপৰত, অসমীয়া সাহিত্যৰ এনে এটা শাখা নাই য'ত বেজবৰুৱাৰ অৱদান পোৱা নাযায়। ড° মহেশ্বৰ নেওগে সেয়ে লিখিছে— "তেওঁ এফালে যেনেকৈ ধৰ্ম, দৰ্শন, থলুৱা ৰাজনীতি আদিৰ চৰ্চাৰ যোগেদি আমাৰ চিন্তা-নেতা হৈছিল; আনফালে সেইদৰে অসমীয়া ভাষা আৰু সাহিত্যৰ শত্ৰু দমন কৰাৰ বেলিকা সকলোৱে তেওঁকে নেতাৰূপে পাইছিল। ভাষা বা আন সিদ্ধান্তৰ বিষয়ত তেওঁলৈকে সকলো সাহিত্যিকে অনুপ্ৰেৰণা আৰু অনুশাসনৰ বাবে মূৰ তুলি চাইছিল। যদি কোনোবাই তেওঁৰ অনুশাসন অমান্য কৰিবৰ যত্ন কৰিছিল, তেওঁৰ ওচৰত সেই অনুশাসন কিবা নহয় কিবা প্ৰকাৰে কঠোৰ হৈ বৰ্তিছিল। ১৮৮৯ ৰ পৰা ১৯৪০ চনলৈকে এই আধা শতিকা কালক সেই দেখি বেজবৰুৱাৰ যুগ নাম দিছোঁ।"

আত্মমূল্যায়নঃ

১। বেজবৰুৱাই অসমীয়া সংস্কৃতিৰ সংস্পৰ্শ শৈশৱতেই কিদৰে লাভ কৰিছিল লিখক।

.....

.....

২। অসমৰ বিদ্যালয়, আদালত আদিত কেতিয়াৰ পৰা কেতিয়ালৈ বাংলা ভাষা চলিছিল?

.....

.....

৩। এই অংশ পঢ়াৰ পাছত প্ৰাসংগিক গ্ৰন্থৰ সহায় লৈ বেজবৰুৱাৰ সাহিত্যকৰ্মৰ এখন তালিকা কৰক।

.....

.....

২.৪.২.২ বেজবৰুৱাৰ শংকৰদেৱ চৰ্চা

বেজবৰুৱাৰ ৰচনাৰ এক বুজন অংশ আগুৰি আছে বৈষ্ণৱধৰ্ম আৰু শঙ্কৰদেৱকেন্দ্রিক ৰচনাই। ঊনবিংশ শতিকাৰ দ্বিতীয়াৰ্ধত এফালে ঔপনিবেশিক আগ্রাসনৰ পৰিণতিত অসমীয়া ভাষাই নিজৰ স্থানৰ পৰা বিচ্যুত হোৱা পৰিস্থিতি আৰু আনফালে অসমীয়া মানুহৰ হীনমন্যতাই অসমীয়া জাতীয় জীৱনৰ আধুনিকতামুখী গতিক দুর্বল কৰি ৰাখিছিল। সেয়ে নব্যশিক্ষিত ডেকাদলে অসম আৰু অসমীয়াৰ প্রাচীন ঐতিহ্যৰ গৌৰৱময় কথাবোৰ আধুনিক দৃষ্টিৰে উত্থাপন কৰি অসমীয়া মানুহৰ জাতীয় চেতনাক জাগ্রত কৰিব বিচাৰিছিল। এনে প্রচেষ্টাৰ অংশ স্বৰূপেই বেজবৰুৱাই শঙ্কৰদেৱ চৰ্চাত মনোনিৱেশ কৰিছিল।

বেজবৰুৱাৰ শঙ্কৰদেৱ চৰ্চাৰ প্রধান দিশসমূহ হ'ল—

ক) শঙ্কৰদেৱ-মাধৱদেৱৰ জীৱনী ৰচনা।

খ) বৈষ্ণৱ সাহিত্যৰ তত্ত্ব-দর্শন আৰু ইতিহাসৰ আলোচনা।

গ) চৈতন্যপন্থী আৰু অসমৰে একাংশৰ দ্বাৰা শঙ্কৰদেৱক হেয় কৰা মনোভাৱৰ বিৰুদ্ধে প্রতিবাদী ৰচনা।

ঘ) সত্রৰ মাজেদি প্রবাহিত শঙ্কৰী পৰম্পৰাটোৰ বিকৃতিৰ প্রতি ব্যঙ্গাত্মক সমালোচনা।

ঙ) অন্যান্য ৰচনাৰ মাজত গৌণৰূপত বৈষ্ণৱ ভাব-ভাষা প্রসঙ্গৰ উপস্থাপন।

১৯১১ চনত প্রকাশ পায় 'শ্রীশ্রীশঙ্কৰদেৱ' গ্রন্থ। গ্রন্থখনৰ পাতনিত গ্রন্থখন ৰচনাৰ উদ্দেশ্য সম্পর্কে বেজবৰুৱাই কৈছে— "শঙ্কৰদেৱৰ জীৱনৰ কিছুমান কথা আলচ কৰি মুকলি কৰিবৰ চেষ্টা কৰা আৰু তেওঁৰ অমূল্য গ্রন্থবোৰত থকা ৰচনাৰ সৌন্দর্য, ওখ জ্ঞানোপদেশ আৰু শিক্ষা আদিলৈ আঙুলিয়াই দি পাৰিলে সেইবোৰলৈ লোকৰ মনোযোগ আকর্ষণ কৰা।" এই গ্রন্থখন প্রকাশৰ আগলৈকে চৰিত পুথি (বা চৰিত তোলা) পৰম্পৰাৰ বাহিৰে গ্রন্থ আকাৰে শঙ্কৰদেৱৰ আধুনিক জীৱনী নাছিল। গ্রন্থখনত অতি সংক্ষিপ্তভাৱে শঙ্কৰদেৱৰ জীৱনটো বর্ণনা কৰা হৈছে। আকৌ শঙ্কৰদেৱৰ সাহিত্যকৃতিকো আধুনিক সমালোচনাৰ দৃষ্টিৰে আলোচনা কৰা হৈছে। ক'বলৈ গ'লে বেজবৰুৱাৰ এই গ্রন্থখনৰ মাজেদিয়েই অসমীয়া ভাষাত পুৰণি সাহিত্য সমালোচনাৰ শুভাৰম্ভ ঘটে।

১৯১৪ চনত প্রকাশ হয় মহাপুৰুষ *শ্রীশঙ্কৰদেৱ আৰু শ্রীমাধৱদেৱ*। এইখন গ্রন্থ আগৰখনতকৈ বহল আৰু বহুবোৰ কথা পূর্বৰ *শ্রীশ্রীশঙ্কৰদেৱ* গ্রন্থতকৈ নতুন আৰু বেলেগ। ইয়াৰ কাৰণ এইখন গ্রন্থত বেজবৰুৱাই বিভিন্ন চৰিতপুথি, মুখ পৰম্পৰা, বুৰঞ্জী আদিৰ আধাৰত বৈজ্ঞানিক পদ্ধতিৰে ইতিহাস অধ্যয়ন কৰিছে। প্রথমখনত বর্ণনা কৰা শঙ্কৰদেৱৰ জীৱনী মাত্র *ৰৰদোৱা চৰিত*ৰ ওপৰত প্রতিষ্ঠিত।

এই দুখন গ্রন্থৰ উপৰি *জোনাকী, বাঁহী, ঊষা* আলোচনীত বেজবৰুৱাৰ শঙ্কৰদেৱ-মাধৱদেৱ, তথা অসমৰ বৈষ্ণৱ ধর্ম-সংস্কৃতিৰ তত্ত্ব, দর্শন, সাহিত্য গুণৰ বিচাৰ-বিশ্লেষণ আৰু ভাৰতীয় বৈষ্ণৱবাদৰ ইতিহাস আদি সম্পর্কীয় ভালেমান প্রবন্ধ প্রকাশ হয়। শ্রীকৃষ্ণৰ মাহাত্ম্য আৰু নামধর্মৰ প্রাধান্য স্থাপন বেজবৰুৱাৰ ৰচনাৰ দুটা প্রধান বিষয়। আনহাতে ভক্তি তত্ত্বমূলক কথাবোৰ সর্বসাধাৰণেও পঢ়ি আনন্দ পাব পৰাকৈ প্রাঞ্জল ভাষাৰে বিশ্লেষণ কৰি শঙ্কৰদেৱে আন্দোলনটো জনচিত্তৰ শ্রদ্ধা-ভক্তিৰ বিষয়ৰ পৰা প্রিয় বিষয়লৈ আৰু তত্ত্বৰ বিষয়ৰ পৰা ৰসৰ বিষয়লৈ পৰিণত কৰিব পাৰিছিল।

আত্মমূল্যায়ন ঃ

১। বেজবৰুৱাৰ শংকৰদেৱ চৰ্চাৰ দিশসমূহ লিখক।

.....

.....

২। *শ্রীশ্রীশঙ্কৰদেৱ* গ্রন্থৰ মূল কি আছিল?

.....

.....

৩। *শ্রীশঙ্কৰদেৱ আৰু শ্রীমাধৱদেৱ* গ্রন্থৰ মূল কি আছিল?

.....

.....

২.৪.৩ "তান্তীকুচি ৰাজ্যচর্চা" পাঠটোৰ আলোচনা

২.৪.৩.১ পাঠটোৰ বিষয়বস্তু

তান্তীকুচিত ৰাজ্যচর্চা

"তান্তীকুচিত ৰাজ্যচর্চা" বেজবৰুৱাৰ *মহাপুৰুষ শ্রীশঙ্কৰদেৱ আৰু শ্রীমাধৱদেৱ* গ্রন্থখনৰ ষোড়শ সংখ্যক অধ্যায়।

পাঠটোৰ শিৰোনামটো তাৎপর্যপূর্ণ। বৰপেটা অঞ্চলৰ তাঁতীকুচিয়েই প্রাচীন তান্তীকুচি। 'ৰাজ্যচর্চা' কৰে ৰজাই। শঙ্কৰদেৱ কোনো শাসক নাছিল, তেন্তে 'ৰাজ্যচর্চা' কিয়? নৰনাৰায়ণ ৰজাই শঙ্কৰদেৱক তাঁতীকুচি অঞ্চলটোৰ শাসক পাতিছিল; কিন্তু শঙ্কৰদেৱে ৰাজকীয়-প্রশাসনিক অর্থত শাসন কৰা নাছিল। বৰং তেওঁ যিখন ধর্মীয় ৰাজ্য নতুন প্রমূল্যবোধেৰে নির্মাণ কৰিছিল, সেই ধর্মৰাজ্যহে কিছুদিনৰ বাবে 'শাসন' কৰিছিল। অর্থাৎ ৰজাৰ অনুগ্রহ লাভ কৰা কথাটোৱে শঙ্কৰদেৱক তাঁতীকুচিত ধর্ম প্রচাৰৰ ক্ষেত্রত সহায় কৰিছিল।

পাঠটিত শঙ্কৰদেৱ পাটবাউসীত থাকোঁতে (মাধৱদেৱ তেতিয়া পাটবাউসীৰ ওচৰৰে গণককুচিত থাকে) বেহাৰৰ ৰজা নৰনাৰায়ণৰ সান্নিধ্য লাভ, বৃন্দাবনী বস্ত্র নির্মাণ, মাধৱদেৱৰ দ্বাৰা *জন্মৰহস্য* পুথি ৰচনা আদি ঘটনা বর্ণিত হৈছে।

ৰামৰায় আছিল শঙ্কৰদেৱৰ সম্বন্ধীয় ভায়েক। ৰামৰায়ৰ জীয়ৰী ভুৱনেশ্বৰীক বিয়া কৰাইছিল কোচ ৰজা নৰনাৰায়ণৰ পৰাক্রমী ভাতৃ চিলাৰায়ে (শুক্লধ্বজ)। এই ভুৱনেশ্বৰীৰ কণ্ঠতে শঙ্কৰদেৱৰ ৰৰগীত শুনি চিলাৰায়ে শঙ্কৰদেৱক লগ পাব বিচাৰিলে আৰু তেওঁক সন্মানসহকাৰে পাটবাউসীৰ পৰা লৈ গ'ল। চিলাৰায়ৰ জৰিয়তে শঙ্কৰদেৱৰ লগত নৰনাৰায়ণৰ সাক্ষাৎ হয়। শঙ্কৰদেৱৰ ব্যক্তিত্বই নৰনায়াৰণক মুগ্ধ কৰে। শঙ্কৰদেৱৰ জ্ঞান-প্রজ্ঞা আৰু ব্যক্তিত্বত মোহিত হৈ নৰনাৰায়ণে কৃষ্ণলীলা দৃশ্যমান ৰূপত চাবলৈ আশা কৰিলে। শঙ্কৰদেৱে সন্মতি জনোৱাত ৰজাই তেওঁৰ ৰাজ্যৰ এক অংশ তাঁতীকুচি অঞ্চলৰ ওপৰত শঙ্কৰদেৱক কর্তৃত্ব প্রদান কৰিলে। শঙ্কৰদেৱে তাঁতীকুচিৰ (তাঁতী - তাঁত বৈ কাপোৰ তৈয়াৰ কৰা বৃত্তিয়াল লোকৰ অঞ্চল) তাঁতীসকলক শিকাই-বুজাই বৈকুণ্ঠৰ বিৱৰণ গকুল-মথুৰা বৃন্দাবনৰ কৃষ্ণলীলা আদি সূতাৰে বোৱাই পট প্রস্তুত কৰি ৰজাৰ হাতত অর্পণ কৰিলেহি। ৰাজসভাত পটখন দেখি ৰজা মুগ্ধ হ'ল। কিন্তু শঙ্কৰদেৱৰ নৱবৈষ্ণৱ ধর্মৰ সৰল-গণতান্ত্রিক আদর্শই যিসকল উচ্চবর্ণৰ স্বার্থত আঘাত কৰিছিল সেইসকলৰে একাংশই ৰাজসভাত সেই পটখনত নানা ভুল উলিয়াই তর্ক কৰিলে। কিন্তু শঙ্কৰদেৱক জিনিব নোৱাৰিলে।

'বৃন্দাবনী বস্ত্র' বোৱাই থাকোঁতে মাধৱদেৱৰ দক্ষতাৰ প্রমাণ পাই শঙ্কৰদেৱে মাধৱদেৱক 'বঢ়াৰ-পো' নাম দিছিল। এই প্রসংগতে মাধৱদেৱৰ গুৰু ভটিমা (জয় গুৰু শঙ্কৰ/সর্বগুণাকৰ)টিৰ ৰচনাৰ পটভূমি দাঙি ধৰা হৈছে।

ৰজাৰ ওচৰত শঙ্কৰদেৱৰ মহত্ত্ব স্বীকৃত হোৱাত ভতিজী ভুৱনেশ্বৰী অতিশয় আদিত হৈ পৰিল। তেওঁ বৰদেউতাক শঙ্কৰদেৱক এখন শাস্ত্র ৰচনা কৰি দিবলৈ অনুৰোধ জনালে। শঙ্কৰদেৱে এই ভাৰ মাধৱদেৱক দিলে। ফলত মাধৱদেৱৰ কাপৰ পৰা সৃষ্টি হ'ল *জন্ম ৰহস্য* নামৰ ভক্তি কাব্যখনৰ। এয়াই পাঠটোৰ বিষয়বস্তুৰ আভাস।

আত্মমূল্যায়নঃ

১। তান্তীকুচিত শংকৰদেৱে ৰাজ্যচর্চা ককৰা বুলি কিয় কোৱা হৈছিল?

.....

.....

২। চিলাৰায় আৰু শংকৰদেৱৰ পাৰিবাৰিক সম্পর্কৰ সবিশেষ লিখক?

.....

.....

৩। তান্তীকুচিত শংকৰদেৱৰ দ্বাৰা সম্পাদিত গুৰুত্বপূর্ণ কামটো কি আছিল?

.....

.....

২.৪.৩.১ আলোচনা

এই পাঠটোত শঙ্কৰদেৱৰ জীৱনকেন্দ্রিক কেইবাটাও গুৰুত্বপূৰ্ণ কথাই স্থান পাইছে। প্রথম কথা, শঙ্কৰদেৱৰ ৰৱগীতবোৰৰ জনচিত্ত আকর্ষণকাৰী গুণ। বাণীকান্ত কাকতিয়ে এযাৰ কথা কৈছিল— "পাখি লগা কাঁড়ৰ দৰে শঙ্কৰ আৰু মাধৱদেৱৰ গীতবোৰ উৰি য'তে পৰিছিল ত'তেই নৰ আধ্যাত্মিক ভাবৰ গুটি সিঁচিছিল।" এই পাঠটোতো আমি দেখিছোঁ ভুৱনেশ্বৰীৰ মুখত শঙ্কৰদেৱৰ গীত শুনি তৎকালীন নামনি অসমৰ সকলোতকৈ প্রভাৱশালী-ক্ষমতাশালী ব্যক্তি চিলাৰায় শঙ্কৰদেৱৰ প্রতি আকর্ষিত হয়। নৰনাৰায়ণ চিলাৰায়ৰ সান্নিধ্য আৰু শ্রদ্ধা পোৱা কথাটো সেই সময়ত শঙ্কৰদেৱৰ বাবে তথা সমগ্র বৈষ্ণৱ ভক্তিধাৰাটোৰ বাবেই তাৎপর্যপূৰ্ণ কথা। ৰজাৰ আদৰ লাভ কৰিব পৰাৰ বাবেই শঙ্কৰদেৱৰ শেষ জীৱনটো আগৰছোৱাৰ তুলনাত যথেষ্ট নিৰাপদে পাৰ হৈছিল আৰু একাণপতীয়াকৈ সৃষ্টিশীল কামত লাগিব পাৰিছিল।

দ্বিতীয়তে, 'বৃন্দাবনী বস্ত্র'ৰ সৃষ্টি বৃত্তান্ত। এই বৃন্দাবনী বস্ত্র আমাৰ জাতীয় ঐতিহ্যৰ এটি মহৎ সম্পদ। বর্তমান লণ্ডনৰ ব্রিটিছ মিউজিয়ামত সংৰক্ষিত হৈ আছে আমাৰ এইবিধ সম্পদ। এই বস্ত্র প্রস্তুতৰ মাজত অসমীয়া বয়ন শিল্পৰ মহত্ত্ব, অসমীয়া শিল্পীৰ দক্ষতা আৰু থলুৱা সূতাৰ মানৰ প্রসংগও বিবেচনালৈ আহে। আনহাতে, ধর্মপ্রচাৰক, সংস্কাৰক, সুকুমাৰ কলাৰ নিপুণ ৰসিক শঙ্কৰদেৱৰ কাৰিকৰী দক্ষতা আৰু অবিস্মৰণীয় সৃষ্টিশীলতাৰ কথা ভাবি শ্রদ্ধাত আমাৰ শিৰ নত হৈ পৰে। এইখন কাপোৰত ভিন্নৰঙী সূতাৰে কি কি তুলিলে? কৃষ্ণ জন্ম হোৱা সূতিকা-গৃহ, বসুদেৱে কৃষ্ণক লৈ যোৱা, যমুনা নৈ পাৰ কৰোঁৱা, নন্দৰ ঘৰত কৃষ্ণ ডাঙৰ হোৱা, পুতনা বধ, শকট ভঞ্জন, চক্রৱাত বধ, যশোদাৰ সৈতে কৃষ্ণৰ নানা দুষ্টামি, অর্জুন ভঞ্জন, বন ভোজ, বনাগ্নি পান, ধেনুকাসুৰ বধ, কালিয় দমন, গোপীৰ বস্ত্র হৰণ, বিপ্র পত্নীসকলৰ প্রসাদ লাভ, গোবর্ধন ধাৰণ, ইন্দ্রৰ দর্প চূর্ণ কৰি বৃষ্টি নিবাৰণ, শঙ্খচূড় বধ আৰু গোপী উদ্ধাৰ, প্রলম্ব বধ, অক্রূৰৰ দ্বাৰা কৃষ্ণক মথুৰালৈ নিয়া, কুঁজীক অনুগ্রহ দান, কুবলয় হস্তী বধ, চানুৰ মুষ্টিকক নিধন, কংসবধ আদি ভাগৱত আধাৰিত বিচিত্র কাহিনীক নিপুণভাৱে বৈ তুলি ধৰা হৈছিল।

তৃতীয়তে সাধাৰণ মানুহৰ মাজতো শঙ্কৰদেৱৰ জীৱনকালতে কীর্তনৰ পদবোৰ যিদৰে জনপ্রিয় হৈছিল, তাঁতীকুচি ৰাজ্যখণ্ডত শঙ্কৰদেৱৰ ধর্ম যিদৰে বহুল প্রচাৰিত হৈছিল তাৰো আভাস পাঠটিৰ পৰা আমি পাব পাৰোঁ। পাটবাউসীৰ পৰা তাঁতীকুচিলৈ নিতৌ অহা-যোৱা কৰোঁতে শঙ্কৰদেৱে শুনিবলৈ পালে ভীম বায়নৰ পত্নীয়ে সৰ্ব্সৰ্ব্কৰে কীর্তনৰ পদ গাইছে। আপ্লুত হৈ শঙ্কৰদেৱে নাও ৰাখি সেই পদ শুনে। চৰিত সাহিত্যত আছে ভীম বায়নৰ পত্নীগৰাকী আছিল কুঁজী, মানে কঁকাল পৰা মানুহ। শঙ্কৰদেৱৰ কৃপাত তেওঁ সুস্থ হৈ উঠিল।

চতুর্থতে মনকৰিবলগীয়া শঙ্কৰদেৱৰ ছত্রছায়াত তেওঁৰ ভকতসকলৰ মাজত সৃষ্টিশীল প্রতিযোগিতা হৈছিল। এনে সৃষ্টিশীল অনুশীলনৰ ফলতে অসমীয়া বৈষ্ণৱ সাহিত্যৰ বিশাল ভাণ্ডাৰ আমি পাইছোঁ। তাঁতীকুচিত তাঁত ব'বলৈ যাওঁতে নাৱতে শঙ্কৰদেৱে নাৰায়ণ দাস আৰু মাধৱদেৱক কবিতা লিখিবলৈ উৎসাহিত কৰিছিল। তাৰ ফলতে নাৰায়ণ দাস ঠাকুৰ আতাৰ পৰা এটা তোটয় আৰু মাধৱদেৱৰ পৰা বিখ্যাত 'গুৰুভটিমা' পোৱা গ'ল।

পঞ্চমতে আজীৱন একাংশ বর্ণহিন্দুৰ পৰা প্রতিবন্ধকতা আনকি বিপদৰ মুখামুখি হ'বলগীয়া হোৱাৰ পাছতো শঙ্কৰদেৱ কোনো সম্প্রদায়ৰ প্রতি বিদ্বেষী হৈ পৰা নাছিল। ব্রাহ্মণ ৰামৰাম গুৰুৰ পদস্পর্শ হোৱাৰ বাবে তেওঁ নাৱৰ পানী সিঁচাইহে নাৱত উঠিছিল। ৰাজসভাৰ ব্রাহ্মণসকলে কেৱল ঈর্ষাপৰায়ণ হৈ বা বিদ্বেষভাৱেৰে শঙ্কৰদেৱৰ পটখনৰ ভুল ধৰিছিল। শঙ্কৰদেৱে যুক্তি আৰু শাস্ত্রীয় তথ্যৰে সেইবোৰ কথা গুৰুত্বহীন কৰি তুলিছিল। প্রকৃত পাণ্ডিত্য অহংকাৰহীন জ্ঞানচর্চা, যুক্তি আৰু তথ্যৰ বিশ্লেষণৰ মাজতহে থাকে, কোনো জাতি, পদবী বা আন কথাত নাথাকে। পাঠটোৰ পৰা আমি এইখিনি কথাও জানিব পাৰোঁ।

ষষ্ঠতে পাঠটোত মাধৱদেৱৰ প্রতিভা আৰু দক্ষতাৰো পৰিচয় পোৱা যায়। ইমান এখন প্রকাণ্ড কাপোৰত সূতাৰে চিত্র তুলিবলৈ যাওঁতে শঙ্কৰদেৱে প্রতিদিনে এবেগেতহে বোৱাব পাৰে। মাধৱদেৱে কিন্তু শঙ্কৰদেৱতকৈ এক আঙুল বেছি বোৱাব পাৰিলে। ইয়াৰ দ্বাৰা শঙ্কৰদেৱ ঈর্ষান্বিত নহ'ল, বৰং মাধৱদেৱক উৎসাহিত কৰি 'বঢ়াৰ পো' নাম দিলে। সেইজন মাধৱদেৱে শঙ্কৰদেৱৰ নির্দেশত ভুৱনেশ্বৰীৰ

বাবে *জন্ম ৰহস্য* পুথি ৰচনা কৰিলে। সেই পুথি পুনৰ শঙ্কৰদেৱৰ নির্দেশত বাহুল্য আঁতৰাই ৭০০ পদৰ পৰা ৩০০ পদলৈ চমু কৰিলে। পুনৰ শঙ্কৰদেৱে প্রশংসাৰে প্রিয় শিষ্য মাধৱদেৱক উৎসাহিত কৰিলে— "তুমি বঢ়াক টুটাব পাৰা, টুটাক বঢ়াব পাৰা। মই কিন্তু বঢ়াবহে পাৰোঁ।"

আত্মমূল্যায়ন ঃ

১। চিলাৰায় শংকৰদেৱৰ প্রতি কেনেকৈ আকর্ষিত হৈছিল?

.....

.....

২। বৃন্দাবনী বস্ত্রত কি কি ছবি প্রকাশ কৰা হৈছিল ?

.....

.....

৩। মাধৱদেৱক কিয় শংকৰদেৱে বঢ়াৰ পো বুলি কৈছিল?

.....

.....

৪। শংকৰদেৱৰ অহংকাৰহীন জ্ঞানচর্চাৰ উদাহৰণ কিদৰে পোৱা যায় লিখক?

.....

.....

২.৪.৪ শব্দটোকা

ছোটৰাজা ঃ ছোট মানে সৰু, কনিষ্ঠ। পাঠত ছোটৰাজা শব্দই নৰনাৰায়ণৰ ভায়েক চিলাৰায়ক বুজাইছে। নৰনাৰায়ণ ৰজা আছিল যদিও কোচৰাজ্যৰ শক্তি-সামর্থ্য বৃদ্ধিত বীৰ চিলাৰায়ৰ ভূমিকা আছিল তাৎপর্যপূর্ণ।

নাৰায়ণ ঠাকুৰ ঃ এসময়ত নামনিৰ পৰা উজনিলৈ বণিজ কৰি ফুৰা বৰপেটা অঞ্চলৰ ধনবান লোক আছিল। বণিজ কৰি ফুৰোঁতেই শংকৰদেৱক লগ পাই শংকৰদেৱৰ শিষ্যত্ব গ্রহণ কৰি পৰৱর্তী সময়ত নৱৰৈষ্ণৱ ধর্মৰ এজন প্রধান ভক্ত হৈ পৰে।

ৰামৰায় ঃ শংকৰদেৱৰ ভায়েক, খুৰাকৰ পুতেক। ৰামৰায়ৰ জীয়ৰী ভুৱনেশ্বৰীক চিলাৰায়ে বিয়া কৰাইছিল।

টোটয় ঃ প্রতি শাৰীত বাৰটাকৈ আখৰ থকা এবিধ ছন্দ আৰু সেই ছন্দত ৰচিত পুৰণি কবিতা বিশেষ।

সর্বগুণাকৰ ঃ সর্ব-গুণ-আকৰ; সকলো গুণেৰে পৰিপূর্ণ।

শাস্ত্রালাপ ঃ শাস্ত্র-আলাপ; শাস্ত্রৰ বিষয়ক লৈ কৰা আলোচনা।

২.৪.৫ অনুশীলন

২.৪.৫.১ বোধজ্ঞান অনুশীলন

১) এটা বাক্যত উত্তৰ লিখক—

ক) বেজবৰুৱাৰ জন্ম কোন চনত?

.....

.....

খ) বেজবৰুৱাৰ দেউতাকৰ নাম কি আছিল?

.....

.....

গ) বেজবৰুৱাৰ দেউতাক কোন সত্ৰৰ শিষ্য আছিল?

.....

.....

ঘ) 'তান্তীকুচিত ৰাজ্যচৰ্চা' পাঠটো বেজবৰুৱাৰ কোনখন গ্ৰন্থৰ পৰা লোৱা হৈছে?

.....

.....

ঙ) তান্তীকুচি বৰ্তমান কোন জিলাত?

.....

.....

চ) 'মহাপুৰুষ শ্ৰীশংকৰদেৱ আৰু শ্ৰীমাধৱদেৱ' গ্ৰন্থখন কেতিয়া প্ৰকাশ পাইছিল?

.....

.....

ছ) 'জোনাকী' আলোচনী প্ৰথম কেতিয়া প্ৰকাশ হৈছিল?

.....

.....

জ) 'কৃপাবৰ বৰুৱা' ছদ্মনামেৰে বেজবৰুৱাই লিখা ৰচনাবোৰ কোন শ্ৰেণীৰ ৰচনা?

.....

.....

ঝ) বেজবৰুৱাই সম্পাদনা কৰা আলোচনীখন কি?

.....

.....

ঞ) কোন ৰজাৰ অনুৰোধত শংকৰদেৱে বৃন্দাবনী বস্ত্ৰ প্ৰস্তুত কৰিছিল?

.....

.....

ট) ভূৱনেশ্বৰী কোন আছিল?

.....

.....

২) দুটা-তিনিটামান বাক্যত উত্তৰ লিখক

ক) শংকৰদেৱক কোনে কিয় কোচবেহাৰলৈ লৈ গৈছিল?

.....

.....

.....

খ) চিলাৰায়ে কি পটভূমিত শংকৰদেৱক প্ৰথম লগ পাবলৈ আগ্ৰহী হৈছিল?

.....

.....

.....

গ) নৱনাৰায়ণে কিয় শংকৰদেৱক তাঁতীকুচি অঞ্চলৰ কৰ্তৃত্ব প্ৰদান কৰিছিল?

.....

.....

.....

ঘ) বৃন্দাবনী বস্ত্র কিয় প্রস্তুত কৰিবলগীয়া হৈছিল?

.....

.....

.....

ঙ) কোনে কাক কিয় 'ব্ঢ়াৰ পো' নাম দিছিল?

.....

.....

.....

চ) 'জন্ম ৰহস্য' কাৰ ৰচনা? এই পুথিখন ৰচনাৰ আঁৰৰ কথা চমুকৈ লিখক।

.....

.....

.....

২.৪.৫.২ বৈয়াকৰণিক অনুশীলন

১) একে অর্থবাচক শব্দক সমার্থক শব্দ বোলে। পাঠটোত থকা কিছুমান শব্দ হ'ল-- শুৱলা, জ্যেষ্ঠ, ভার্যা, সম্ভ্রম, সমাদৰ, সন্তোষ, সমাজিক, বিস্ময়। এই শব্দসমূহৰ সমার্থক শব্দ লিখক।

২) পাঠটোত ভালেকেইটা স্ত্রীলিংগবাচক শব্দ আছে; যেনে, কুঁজী, জীয়েক, পত্নী, তিৰোতা, ঘৈণীয়েক, গোপী, ভার্যা। এইবোৰৰ কেইবাটাও আকৌ সম্বন্ধবাচক শব্দ। যেনে— জীয়েক, পত্নী, ঘৈণীয়েক, ভার্যা। কিছুমান শব্দ স্বাভাৱিকতে স্ত্রীলিংগবাচক শব্দ, যেনে— পত্নী, জী, ঘৈণী, ভার্যা। কিছুমান শব্দৰ ক্ষেত্রত আকৌ পুংলিংগবাচক শব্দৰ পাছত স্ত্রীলিংগবাচক প্রত্যয় সংযোগ কৰি স্ত্রীলিংগবাচক শব্দ সজা হয়, যেনে— গোপ-ঈ গোপী; কলিতা-নী কলিতানী। এতিয়া পাঠত থকা পুংলিংগবাচক শব্দসমূহ বাচি উলিৱাওক।

৩) মাত-কথা, দিন-ৰাতি, অহা-যোৱা, হাতে-বোৱা, আদি অসমীয়া ভাষাৰ কিছুমান সংযুক্ত শব্দ। এটাতকৈ অধিক শব্দ মিলি এটা সুকীয়া অর্থ প্রকাশ কৰা শব্দবোৰেই সংযুক্ত শব্দ। পাঠত থকা সংযুক্ত শব্দবোৰ বাচি উলিয়াওক।

৪) পাঠটোত বিভিন্ন ধৰণৰ অসমাপিকা ক্রিয়াবোৰ চিনাক্ত কৰিবলৈ চেষ্টা কৰক।

২.৪.৫.৩ পঠন অনুশীলন

ক) পাঠটো পঢ়ক আৰু ভাল লগা অংশটো চিনাক্ত কৰক।

খ) পাঠটোত পোৱা নতুন শব্দবোৰ বিচাৰি উলিয়াই মনত ৰাখক।

গ) আপুনি ব্যৱহাৰ নকৰা বা আগতে নোপোৱাধৰণৰ বাক্য কোনকেইটা পাইছে চিহ্নিত কৰক।

ঘ) পাঠভিত্তিক আলোচনাখিনি মন দি পঢ়ক আৰু পাঠটোৰ তাৎপর্য বুজাৰ যত্ন কৰক।

২.৪.৫.৪ লিখন অনুশীলন

ক) পাটবাউসীৰ পৰা শংকৰদেৱ কি পৰিস্থিতিত কোচবেহাৰৰ নৰনাৰায়ণ ৰজাৰ ওচৰ পালেগৈ আলোচনা কৰক।

.....

.....

খ) বৃন্দাবনী বস্ত্র কিদৰে প্রস্তুত কৰিছিল সামগ্রিক কথাখিনি নিজৰ ভাষাত লিখক।

.....

.....

গ) বৃন্দাবনী বস্ত্র প্রস্তুত কৰি ৰাজসভাত দেখুওৱাৰ পাছত কোনে কোনে কি প্রতিক্রিয়া প্রকাশ কৰিছিল, আলোচনা কৰক।

.....

.....

২.৪.৬ উত্তৰ সংকেত

১। ভুৱনেশ্বৰী আছিল শঙ্কৰদেৱৰ ভতিজী। ভুৱনেশ্বৰীয়ে শঙ্কৰদেৱৰ গীত গাইছিল। ... চিলাৰায়ে গীত শুনি মুগ্ধ হয়। ...শঙ্কৰদেৱক সন্মানেৰে লৈ আনে। নৰনাৰায়ণৰ ওচৰলৈ লৈ যায়।

২। শঙ্কৰদেৱৰ লগত চিলাৰায়ৰ জৰিয়তে নৰনাৰায়ণৰ সাক্ষাৎ। নৰনাৰায়ণৰ ভগৱানলীলা দৰ্শনৰ আগ্ৰহ। শঙ্কৰদেৱৰ সন্মতি। শঙ্কৰদেৱক তাঁতীকুচি ৰাজ্যখণ্ডৰ অধিকাৰ প্ৰদান।

বোধজ্ঞান অনুশীলনত দিয়া প্ৰশ্নবোৰৰ উত্তৰসমূহ মিলাই চাওক।

১)ক) ১৮৬৪চনত।

খ) দীননাথ বেজবৰুৱা।

গ) কমলাবাৰী সত্ৰৰ।

ঘ) 'মহাপুৰুষ শ্ৰীশংকৰদেৱ আৰু শ্ৰীমাধৱদেৱ' গ্ৰন্থৰ পৰা।

ঙ) বৰপেটা জিলাত।

চ) ১৯১৪ চনত।

ছ) ১৮৮৯চনত।

জ) হাস্যব্যংগাত্মক।

ঝ) 'বাঁহী'।

ঞ) কোচৰজা নৰনাৰায়ণ।

ট) চিলাৰায়ৰ পত্নী তথা শংকৰদেৱৰ ভতিজী।

২) ক) চিলাৰায়ে নিজৰ পত্নী ভূৱনেশ্বৰীৰ কণ্ঠত শংকৰদেৱৰ বৰগীত শুনি আপ্লুত হৈ পৰিছিল আৰু শংকৰদেৱক লগ পাবলৈ ইচ্ছা কৰিছিল। সেয়ে তেওঁ মানুহ পঠিয়াই পাটবাউসীৰ পৰা শংকৰদেৱক সসন্মানেৰে কোচবেহাৰলৈ লৈ গৈছিল।

খ) চিলাৰায়ৰ পত্নী ভূৱনেশ্বৰী হ'ল সম্বন্ধত শংকৰদেৱৰ ভতিজী। এই ভূৱনেশ্বৰীয়ে এদিন হাতত মন্দিৰা লৈ শংকৰদেৱে ৰচনা কৰা গীত এটি শুৱলা কণ্ঠেৰে গাই আছিল। চিলাৰায়ে শুনি বৰ ভাল পালে আৰু কাৰ গীত সুধিলে। ভূৱনেশ্বৰীয়ে ক'লে যে পৰম বৈষ্ণৱ শংকৰদেৱৰ। পত্নীৰ কথাত চিলাৰায়ে শংকৰদেৱক লগ পাবলৈ আগ্ৰহী হৈ পৰিছিল।

গ)চিলাৰায়ৰ মুখে শংকৰদেৱৰ গুণ-গৰিমা আৰু ব্যক্তিত্বৰ কথা শুনি নৰনাৰায়ণে শংকৰদেৱক লগ পাবলৈ বিচাৰিলে। চিলাৰায়ে শংকৰদেৱক ৰজাৰ ওচৰলৈ লৈ গ'ল। নৰনাৰায়ণ নিজেও অধ্যয়নশীল বিদ্বান ব্যক্তি আছিল। সেয়ে তেওঁ শংকৰদেৱৰ লগত ধৰ্ম আৰু কৃষ্ণলীলা বিষয়ক কথা আলোচনা কৰিলে আৰু শংকৰদেৱৰ জ্ঞান আৰু ব্যক্তিত্বত মুগ্ধ হৈ পৰিল। তেতিয়া তেওঁ ক'লে যে তেওঁলোকে বৃন্দাবনখনৰ ছবি পটত চাবলৈ পালে বৰ সুখী হ'ব। শংকৰদেৱে চাৰি মাহত সেই কাম কৰিব পৰা যাব বুলি জনাই ৰজাক বিভিন্ন ৰঙৰ সূতাৰ ব্যৱস্থা কৰিবলৈ অনুৰোধ জনালে। নৰনাৰায়ণ ৰজা এই কথাত সন্তুষ্ট হৈ শংকৰদেৱক তাঁতীকুচি অঞ্চলৰ কৰ্তৃত্ব প্ৰদান কৰিলে। কাৰণ, পটত বৃন্দাবনৰ চিত্ৰ আঁকিবলৈ পাকৈত তাঁতী লাগিব। তাঁতীকুচি অঞ্চলটোৰ নামৰ পৰাই বুজিব পাৰি যে তাৰ বাসিন্দাসকলে তাঁত বৈয়েই জীৱন নিৰ্বাহ কৰিছিল। সেয়ে বৃন্দাৱনী বস্ত্ৰ প্ৰস্তুত কাৰ্য সহজ হ'বলৈ আৰু শংকৰদেৱৰ প্ৰতি ৰাজ-অনুগ্ৰহ প্ৰদানৰ বাবে শংকৰদেৱক তাঁতীকুচি অঞ্চলৰ কৰ্তৃত্ব প্ৰদান কৰিছিল।

ঘ) -(গ) নং প্ৰশ্নৰ উত্তৰ মন দি চালেই এই প্ৰশ্নৰ উত্তৰ কৰিব পাৰিব।

ঙ) শংকৰদেৱে মাধৱদেৱক বঢ়াৰ পো নাম দিছিল।

নৰনাৰায়ণ-চিলাৰায়ৰ আগ্ৰহ আৰু অনুৰোধত শংকৰদেৱে তাঁতীকুচিৰ তাঁতীসকলৰ সহায়ত বৃন্দাবনী বস্ত্ৰ প্ৰস্তুতৰ কামত একাণপতীয়াকৈ লাগি আছিল। এদিন শংকৰদেৱে নিজে নগৈ

তাঁত বোৰা কামলৈ মাধৱদেৱক পঠালে। সেইদিনা ব্রহ্মামোহন লীলা বোওৱা হৈছিল। আনদিনা শংকৰদেৱে এবেগেতকৈহে বোৱাব পাৰিছিল; সেইদিনা মাধৱদেৱে এবেগেত চাৰি আঙুল বোৱালে। ঘূৰি গৈ মাধৱদেৱে এই কথা কোৱাত শংকৰদেৱে প্রশংসা কৰি ক'লে, মাধৱ তুমি মই বোওৱাতকৈ বঢ়াই বোৱালা, এইবাবে আজিৰপৰা তোমাৰ নাম বঢ়াৰ পো দিলো।

এনেদৰেই মাধৱদেৱৰ নাম বঢ়াৰ পো হ'ল।

চ) 'জন্ম ৰহস্য' মাধৱদেৱৰ ৰচনা।

বৃন্দাবনী বস্ত্র প্রস্তুত কৰি শংকৰদেৱে ৰজাৰ পৰা যথেষ্ট মান- সন্মান লাভ কৰা দেখি ভতিজী ভূৱনেশ্বৰী আৰু তেওঁৰ স্বামী চিলাৰায় অতিশয় আনন্দিত হ'ল। ভূৱনেশ্বৰীয়ে শংকৰদেৱক ঈশ্বৰৰ উৎপত্তি-লীলা- প্রলয়ৰ কথা থকা এখনি গ্রন্থ ৰচনা কৰি দিবলৈ খাটনি ধৰিলে। শংকৰদেৱে এই কামৰ দায়িত্ব মাধৱদেৱক দিলে। মাধৱদেৱে গুৰুবাক্য মানি প্রথমে সাতশ পদত গ্রন্থখন ৰচনা কৰিলে। কিন্তু তিৰোতা মানুহে ইমান দীঘল পুথি পঢ়িবলৈ টান পাব বুলি অনুভৱ কৰি শংকৰদেৱে মাধৱদেৱক পুথিখন চমুৱাবলৈ ক'লে। তেতিয়া মাধৱদেৱে তাৰে চাৰিশ পদ কাটি তিনিশ পদত পুথিখন সমাপ্ত কৰিলে। দীঘলীয়া পদক চমুৱাব পৰা এই দক্ষতাৰ বাবে শংকৰদেৱে মাধৱদেৱক প্রশংসা কৰিলে আৰু ৰামৰায়ৰ জৰিয়তে পুথিখন ভূৱনেশ্বৰীলৈ পঠিয়াই দিলে।

উত্তৰ সংকেত (বৈয়াকৰণিক অনুশীলন)

১) শুৱলা - সুশ্রাব্য
জ্যেষ্ঠ - ডাঙৰ, মান্য
ভার্যা - পত্নী
সম্ভ্রম - সন্মান, মর্যাদা
সমাদৰ - আদৰ
সন্তোষ - সন্তুষ্টি, প্রসন্ন
সমাজিক - সপোন
বিস্ময় - আশ্চর্য

১) স্বামী, ককায়েক, গোপ, ভায়েক, বৰদেউতা, বাপেক।

৩) ছোটৰজা, গোপ-গোপী, তন্ন-তন্ন, ককায়েক-ভায়েক, স্বামী-স্ত্রী, অনুনয়-বিনয়, সূতিকা-গৃহ, নল-খাগৰি, পদ-স্পর্শ, সভাঘৰ, গুৰু-বাক্য।

৪) লৈ, হৈ, শুনি, যাবলৈ, শুনাই, জনাই, কৰি, সুধি কলত, সন্তোষ লভি, কৰিলত, মতাই অনাই, লগাই দি, গৈ, চর্চ্চি, ধৰি, জগাই, চোৱালত, যাবলৈ ধৰোয়ে, উঠিলত, চাই, দি, দেখি, কৰি পেলাই, দিলত।

২.৪.৮ অতিৰিক্ত পঠন উপদেশ

১। বেজবৰুৱা সমগ্র (খণ্ড - ৫) সম্পাদনা - ড° সত্যকাম বৰঠাকুৰ, অজয় কুমাৰ ভট্টাচার্য, প্রেমানন্দ ন্যাস, যোৰহাট, ২০১৫

২। ড° হীৰেন গোহাঁই - কালান্তৰৰ দোমোজাত বেজবৰুৱা, শান্তিপ্রকাশ, গুৱাহাটী, ২০১৩

৩। মহেশ্বৰ নেওগ - অসমীয়া সাহিত্যৰ ৰূপৰেখা, চন্দ্র প্রকাশ।

খণ্ড-২ গোট-V ঃ সাগৰ দেখিছা
(Poem: "Sagar Dekhisa" by Devakanta Barua)

গাঁথনি

২.৫.১ পাতনি
২.৫.২.১ পৰিচয়
২.৫.১.২ উদ্দেশ্যাৱলী
২.৫.২ কবিৰ পৰিচয়
২.৫.৩ কবিতাৰ শিৰোনাম আৰু ইয়াৰ তাৎপর্য্য
২.৫.৪ কবিতাটোৰ মূলভাব
২.৫.৫ কাব্যিক সৌন্দর্য্য
২.৫.৬ শব্দ টোকা
২.৫.৭ অনুশীলনী
২.৫.৭.১ বোধজ্ঞান অনুশীলনী
২.৫.৭.২ বৈয়াকৰণিক অনুশীলনী
২.৫.৭.৩ পঠন অনুশীলনী
২.৫.৭.৪ লিখন অনুশীলনী
২.৫.৮ উত্তৰ সংকেত
২.৫.৯ অতিৰিক্ত পঠন উপদেশ

২.৫.১ পাতনি

২.৫.১.১ পৰিচয়

মানুহৰ ভাব অনুভূতিৰ ছন্দোবদ্ধ প্ৰকাশেই সহজ অর্থত কবিতা। ভাষাৰ লগত ছন্দ আৰু লয়ৰ সংমিশ্ৰণত যি মোহনীয় ৰূপৰ সৃষ্টি হয়, সিয়েই কবিতা। পৰিদৃশ্যমান জগত আৰু জীৱনৰ অপাৰ বিস্ময় আৰু অভিজ্ঞতাই ব্যক্তিৰ মনত যেতিয়া আলোড়ণৰ সৃষ্টি কৰে; হৃদয়ৰ গভীৰত দুখ-কাৰুণ্য, আনন্দ-ৰৌদ্ৰ আদি বিচিত্ৰ আৱেগৰ যেতিয়া জোৱাৰ উঠে সেই আৱেগ আৰু আলোড়ণেই শব্দ, ছন্দ আৰু লয়ৰ যোগেদি কবিতাৰূপে প্ৰকাশ পায়। কবিতাক সংজ্ঞায়িত কৰা সহজ নহয়। তথাপিও পৃথিৱীৰ বিভিন্ন দেশৰ বিভিন্ন ব্যক্তিয়ে কবিতাৰ সংজ্ঞা দিবলৈ চেষ্টা কৰিছে। কবি উইলিয়াম ৱর্ডছ্ৱর্থৰ মতে কবিতা হ'ল শক্তিশালী আৱেগৰ স্বতস্ফুট প্ৰকাশ (Spontaneous overflow of powerful feelings)। তেওঁৰ মতে কবিতা 'নিৰলাত সোঁৱৰা হিয়াৰ আবেগ' (Emotion recollected in tranquility)। উইলিয়াম ৱর্ডছ্ৱর্থে কৈছিল, "Poetry is the breath and finer spirit of all knowledge"। অসমীয়ালৈ অনুবাদ কৰিব পাৰি এই দৰে— "কাব্য হ'ল সকলো জ্ঞানৰ উশাহ বা সঞ্জীৱনী স্বৰূপ"। আন এগৰাকী বিখ্যাত ইংৰাজ ৰোমাণ্টিক কবি কীট্ছৰ মতে "Poetry should strike the reader as a wording of his own highest thoughts and appear almost a remembrance"। অর্থাৎ কীট্ছৰ মতে কবিতাই পঢ়ুৱৈৰ মনত এনে ভাবৰ সঞ্চাৰ কৰিব পাৰিব লাগিব যেন কবিতা হৈছে তেওঁৰ অন্তৰৰ শ্ৰেষ্ঠতম চিন্তাৰ এক বাঙ্ময় ৰূপ আৰু ই যেন কিবা এক সোঁৱৰণ। কবি কলে'ৰিজৰ মতে কবিতা হ'ল বাচকবনীয়া শব্দৰ সুন্দৰ বিন্যাস (The best words in their best order)। মেথ্যিউ আর্ণল্ডৰ মতে কবিতা হ'ল জীৱন বীক্ষা (Poetry is criticism of life)। কোনোৱে ইয়াক সংগীতময় চিন্তা বুলি কৈছে, কোনোৱে স্মৰণীয় উক্তি (Memorable speech) বুলি ব্যাখ্যা কৰিব বিচাৰিছে।

এটা কথা ঠিক যে কবিতাৰ এটা স্থিৰ আৰু স্পষ্ট সংজ্ঞা দিয়া কঠিন। কবিতা বুলিলে আমি এনে কিছু অভিব্যক্তিক বুজো যি জীৱন আৰু জগতৰ বিভিন্ন ৰূপ আৰু অভিজ্ঞতাক কল্পনাৰ সহায়েৰে দিয়া এক সংগীতিক ৰূপ। মানুহৰ মনৰ আৱেগ-অনুভূতিক কল্পনা আৰু চিন্তাৰ সহায়েৰে আৰু সুবিন্যস্ত শব্দ-সম্ভাৰেৰে সজাই পঢ়ুৱৈৰ হৃদয় স্পর্শ কৰিব পৰা সংগীতময় চিন্তাই কবিতা। কবিতাত শব্দৰ ব্যৱহাৰ

অতি গুৰুত্বপূৰ্ণ। কবিতাত ব্যৱহৃত শব্দই ইয়াৰ নিৰ্দিষ্ট অৰ্থৰ উপৰিও এক ব্যঞ্জনাত্মক অৰ্থ প্ৰকাশ কৰিব পাৰিব লাগিব। অনুভূতিৰ ৰং সনা বাছকৰনীয়া শব্দৰ মাজত ব্যক্তিৰ কল্পনা আৰু ভাবাৱেগে ছন্দোময় ৰূপ লাভ কৰিলেই তাক কবিতা আখ্যা দিব পাৰি। ব্যক্তিৰ স্বতঃস্ফূৰ্ত ভাৱাবেগ আৰু গভীৰ অন্তৰ্দৃষ্টিৰ ছন্দোবদ্ধ প্ৰকাশেই আচলতে কবিতা। অৰ্থাৎ গভীৰ অনুভূতিৰ লগত উপযুক্ত ভাষাৰ মিলনেই কবিতাৰ জন্ম হয়। সেয়ে অনুভূতি, শব্দচয়ন, কল্পনা আৰু চিন্তা, ছন্দ-বিন্যাস, অলংকাৰ আৰু চিত্ৰকল্প সকলো মিলিয়েই কবিতাৰ জন্ম হয়।

পোনতে মানুহৰ সমূহীয়া অনুভূতিৰ প্ৰকাশকৰূপেই গীত, নৃত্য আৰু কবিতাৰ জন্ম হৈছিল। পৰৱৰ্তী সময়ত কবিতাবোৰ ব্যক্তিমনৰ গভীৰ অন্তৰ্স্থলৰ পৰা নিগৰি প্ৰকৃতি আৰু পাৰিপাৰ্শ্বিকৰ সংস্পৰ্শত নতুন নতুন ৰূপ পাই উঠিল। সত্য আৰু সৌন্দৰ্য্যৰ তাড়নাই মানুহৰ সৃষ্টিশীল প্ৰেৰণাৰ উৎস। কবিতা হ'ল সত্য আৰু সৌন্দৰ্য্যৰ সন্ধান। এই সত্য বিজ্ঞানৰ সত্যৰ দৰে গৱেষণাধৰ্মী আৰু বিশ্লেষণধৰ্মী নহ'ব পাৰে। এই সত্য কবিৰ বাবে অন্তৰৰ সৌন্দৰ্য্যৰ সন্ধান। জীৱন আৰু জগতৰ সত্যক সৌন্দৰ্য্য প্ৰদান কৰাই কবিৰ কাম।

সমালোচকসকলে কবিতাক বিভিন্ন শ্ৰেণীত ভাগ কৰিছে। বিষয়বস্তুৰ আধাৰত কবিতাক মূলতঃ দুটা ভাগত ভাগ কৰা হয়। এটা হ'ল মন্ময় বা ব্যক্তিনিষ্ঠ কবিতা (Personal or Subjective) আৰু আনটো হ'ল তন্ময় বা বস্তুনিষ্ঠ কবিতা (Impersonal or Objective poetry)। ব্যক্তিনিষ্ঠ কবিতাত কবিয়ে অন্তৰৰ নিভৃততম ভাব-অনুভূতি, ব্যক্তি জীৱনৰ সুখ-দুখ, কাৰুণ্য, আশা-আকাংক্ষা, হতাশা আদি কল্পনাৰ সহায়েৰে প্ৰকাশ কৰে। বস্তুনিষ্ঠ কবিতাত কবিয়ে পৰিদৃশ্যমান জগতৰ পৰা কবিতাৰ বিষয়বস্তু গ্ৰহণ কৰে। বহিঃজগতৰ বিষয় আধাৰিত এই কবিতাবোৰত কবি কল্পনা আৰু আৱেগ-অনুভূতিৰো প্ৰকাশ ঘটে। ব্যক্তিনিষ্ঠ কবিতাক কোনো কোনোৱে 'গীতি-কবিতা'ও বুলিব খোজে। সমালোচকসকলে ব্যক্তিনিষ্ঠ কবিতাক কেইবাটাও ভাগত বিভক্ত কৰিছে। সেয়া হৈছে ভক্তিমূলক কবিতা বা প্ৰাৰ্থনা সঙ্গীত প্ৰশস্তিসূচক বা স্তোত্ৰ-কবিতা (ode), প্ৰেমমূলক কবিতা, স্বদেশ-প্ৰেমমূলক কবিতা, প্ৰকৃতি বিষয়ক, ৰহস্যবাদী কবিতা, শোক কবিতা, ছনেট বা চতুৰ্দশপদী কবিতা আদি। বস্তুনিষ্ঠ কবিতাকো সেইদৰে কেইবাটাও ভাগত ভাগ কৰা হৈছে। সেয়া হৈছে— মহাকাব্য, মালিতা বা কাহিনী-গীতি, ধেমেলীয়া কবিতা, ৰূপক কবিতা, নীতি কবিতা, নাটকীয় কবিতা আদি।

ইতিমধ্যে কবিতাৰ বিষয়ে কিছু পৰিচয়মূলক আলোচনা কৰি বিভিন্ন কবি, দাৰ্শনিক, লেখকৰ কবিতাৰ সংজ্ঞা দাঙি ধৰা হৈছে। এতিয়া এটা আধুনিক কবিতাৰ মূল পাঠ ইয়াত তুলি দি কবিতাটোৰ বিষয়ে আলোচনা কৰা হ'ব। কবিতাটোৰ শিৰোনাম 'সাগৰ দেখিছা'। কবি দেৱকান্ত বৰুৱা। ইয়াত কবিতাটোৰ মূল ভাব, ইয়াৰ কাব্যিক সৌন্দৰ্য আলোচনা কৰিব বিচৰা হৈছে। 'সাগৰ দেখিছা' কবিতাটোত কবিয়ে প্ৰেমৰ কৰুণ আৰু কঠোৰ দিশটোৰ প্ৰতি দৃষ্টি দিছে যদিও প্ৰেমৰ মহত্ত্বক উপলব্ধি কৰি প্ৰেমেই সকলো অন্ধকাৰ বিনাশ কৰি মানুহৰ জীৱন পোহৰমুখী কৰি পেলাব পাৰে বুলি এক আশাবাদী চিন্তাৰে কবিতাটো শেষ কৰিছে।

২.৫.১.২ উদ্দেশ্যাৱলী

এই গোটৰ অধ্যয়নৰ পাছত আপুনি—

- আধুনিক কবিতাৰ স্বৰূপ বুজিব পাৰিব।
- দেৱকান্ত বৰুৱাৰ কবিতাৰ বিষয়ে এটা ধা�ৰণা কৰিব পাৰিব।
- 'সাগৰ দেখিছা' কবিতাটোৰ তাৎপৰ্য বুজি পাব।

২.৫.২ কবিৰ পৰিচয়

অসমীয়া কবিতাৰ ৰোমাণ্টিক যুগৰ শেষ আৰু আধুনিক যুগৰ প্ৰথম কবি বুলি ক'ব পৰা দেৱকান্ত বৰুৱাৰ জন্ম হৈছিল ১৯১৪ চনৰ ২২ ফেব্ৰুৱাৰীত। দেৱকান্ত বৰুৱা আছিল অসমীয়া সাহিত্যৰ যুগসন্ধিৰ কবি। সেয়ে তেওঁক ক্ৰান্তিকালৰ কবি বুলিও জনা যায়। আধুনিক যুগৰ নতুন কবিসকলক এক নতুন পথৰ সন্ধান দিয়া দেৱকান্ত বৰুৱাই কবিতাৰ বিষয়বস্তু আৰু প্ৰকাশভঙ্গী দুয়োটাতে এক অৰ্থত অভিনৱত্ব

সঞ্চাৰ কৰিছিল। দেৱকান্ত বৰুৱাৰ প্ৰায়বোৰ কবিতাই লিখা হৈছিল নাটকীয় একোক্তিৰ (Dramatic monologue) ৰ আৰ্হিত। কোনো কোনোৱে ইয়াক নাটকীয় স্বকথন বা মনোকথন বুলিও কয়। ৰোমাণ্টিক যুগৰ অৱসানৰ সময়ছোৱাত অসমীয়া কবিতাত মিত্ৰাক্ষৰী ছন্দৰ ব্যৱহাৰ কমি আহিছিল। দেৱকান্ত বৰুৱাৰ কবিতাত মিত্ৰাক্ষৰী ছন্দ আৰু মুক্তক ছন্দৰ পৰিৱৰ্তে স্পন্দিত আৰু গদ্য ছন্দই নিটোল ৰূপ লাভ কৰিছিল।

দেৱকান্ত বৰুৱাক আৱাহন যুগৰ শ্ৰেষ্ঠতম কবি বুলি কোৱা হয়। তেওঁৰ কবিতাত প্ৰেমেই মূল সুৰ যদিও তাত বিষাদ বা বিননি নাই, তেওঁৰ কবিতাত আছে যৌৱনৰ জয়গান আৰু সমাজত প্ৰচলিত কঠোৰ ৰীতি-নীতিৰ প্ৰতি বিদ্ৰোহ। দেৱকান্ত বৰুৱাক অসমীয়া সাহিত্যৰ ৰোমাণ্টিক যুগৰ শেষৰজন উল্লেখযোগ্য কবি বুলি কোৱা হয়। তেওঁ আছিল অসমীয়া সাহিত্যৰ এজন শ্ৰেষ্ঠ প্ৰেমৰ কবি। কবি দেৱকান্ত বৰুৱা ইংৰাজী সাহিত্যৰ ৰোমাণ্টিক যুগৰ দ্বিতীয় পৰ্যায়ৰ কবিসকল অৰ্থাৎ লৰ্ড টেনিচন, ৰবাৰ্ট ব্ৰাউনিং, মেথিউ আৰ্নল্ড আৰু টমাছ হাৰ্ডি আদিৰ দ্বাৰা বিশেষভাৱে প্ৰভাৱিত। ব্ৰাউনিঙৰ নাটকীয় একোক্তিৰ আৰ্হি দেৱকান্ত বৰুৱাৰ কবিতাত সততে দেখা পোৱা যায়। অৰ্থাৎ অসমীয়া কবিতাত কাৰোবাক উদ্দেশ্য কৰি কথা কোৱা বা প্ৰশ্ন উত্তৰৰ আৰ্হিত কবিতা লিখাৰ নতুন কথনভঙ্গী দেৱকান্ত বৰুৱাৰ কবিতাতে প্ৰথম দেখা পোৱা গৈছিল। কবি হিচাপে সুখ্যাতি লাভ কৰা দেৱকান্ত বৰুৱা ৰাজনৈতিক ভাৱেও বেচ সক্ৰিয় আছিল। ভাৰতৰ স্বধীনতা আন্দোলন, ভাৰত ত্যাগ আন্দোলনত ভাগ লোৱাৰ বাবে তেওঁ কেইবাবাৰো কাৰাবাস খাটিবলগীয়া হৈছিল আৰু জৰিমনা ভৰিবলগীয়া হৈছিল। ১৯৪৫ চনত তেওঁ অসম প্ৰদেশ কংগ্ৰেছ সমিতিৰ সহকাৰী সম্পাদক নিৰ্বাচিত হৈছিল। ১৯৫২ আৰু ১৯৭৭ চনত তেওঁ লোকসভাৰ সদস্য নিৰ্বাচিত হয়। পৰৱৰ্তী সময়ত তেওঁ কেন্দ্ৰীয় চৰকাৰৰ মন্ত্ৰীৰ দায়িত্বও বহন কৰিছিল।

১৯৯৬ চনত মৃত্যুবৰণ কৰা কবি দেৱকান্ত বৰুৱা যদিও ৰাজনীতিৰ সৈতে জড়িত আছিল, তেওঁ সাংবাদিকতাৰেই কৰ্মজীৱন আৰম্ভ কৰিছিল। তেওঁ *অসমীয়া, দৈনিক অসমীয়া* আৰু *নতুন অসমীয়াৰ* সম্পাদক আছিল। তেওঁৰ সমসাময়িক কবিসকলৰ দৰেই দেৱকান্ত বৰুৱাইও প্ৰেমৰ বিভিন্ন স্বৰূপ আৰু দিশক বিভিন্ন ধৰণে আলোকপাত কৰিছে। তেওঁৰ একমাত্ৰ কবিতা পুথি *সাগৰ দেখিছা* প্ৰকাশ পায় ১৯৪৫ চনত। এই সংকলনখনত প্ৰকাশিত প্ৰায়বোৰ কবিতাই বিংশ শতিকাৰ তৃতীয় দশকত ৰচিত আৰু সেইসমূহ *আৱাহন* আলোচনীত প্ৰকাশ পাইছিল। বৰুৱাৰ এই কাব্যপুথিখনৰ কবিতাবোৰ মূলতঃ প্ৰেমৰ কবিতা। এই পুথিখনে অসমীয়া কবিতাৰ ভাব, ভাষা, বিষয়বস্তু, ছন্দ-গাঁথনি, কথনভঙ্গী—সকলো ক্ষেত্ৰতে নতুনত্ব আনিছিল। গীতি-ধৰ্মিতা আৰু সংলাপধৰ্মিতাই দেৱকান্ত বৰুৱাৰ কবিতাৰ প্ৰধান বৈশিষ্ট্য। ই তেওঁৰ কবিতাক এফালে নতুনত্ব প্ৰদান কৰিছে আৰু আনফালে কবিতাবোৰ আকৰ্ষণীয় কৰি তুলিছে।

আত্মমূল্যায়ন-

ক) দেৱকান্ত বৰুৱাৰ ব্যক্তিগত পৰিচয় সম্পৰ্কে এটা পেৰাগ্ৰাফ লিখক।

.....

.....

.....

.....

.....

খ) দেৱকান্ত বৰুৱাক কিয় যুগসন্ধিৰ কবি বুলি কোৱা হয়?

.....

.....

.....

.....

.....

২.৫.৩ কবিতাটোৰ শিৰোনাম আৰু ইয়াৰ তাৎপর্য্য

সাগৰ দেখিছা

কবিতাটোৰ শিৰোনামটো বেচ গুৰুত্বপূর্ণ। কথাটো আমি এনেধৰণে ব্যাখ্যা কৰিব পাৰোঁ— কবিতাৰ শিৰোনামৰূপে ই নির্দিষ্ট এটা বিষয়ৰ কথা ক'বলৈ লোৱা যেন নালাগে। বৰঞ্চ 'সাগৰ দেখিছা' বুলি কবিয়ে কাৰোবাক যেন প্রশ্ন কৰিছে। শিৰোনামত প্রশ্নবোধক চিহ্ন নাথাকিলেও সমগ্র কবিতাটোত অসংখ্য প্রশ্নবোধক চিন ভৰি আছে। অসমীয়া কবিতাৰ ক্ষেত্রখনত প্রশ্নবোধকেৰে কবিতাৰ পাঠ তৈয়াৰ কৰাৰ ক্ষেত্রত কবি দেৱকান্ত বৰুৱাই প্রথম। শিৰোনামটোত সোমাই থকা এই প্রশ্নৰ মনোভাৱ/ ধৰণটো কবিতাটোৰ পাঠটো পঢ়ি গ'লে পৰৱর্তী সময়ত স্পষ্টকৈ গম পোৱা যায়। কবিতাটোত কবিয়ে সাগৰৰ উল্লেখেৰে প্রকৃতিৰ এটা অংশ/ ৰূপ/ খণ্ডৰ কথা কোৱাৰ চলেৰে কবি হৃদয়ক সাগৰৰ সৈতে তুলনা কৰিছে।

২.৫.৪ কবিতাটোৰ মূলভাৱ

'সাগৰ দেখিছা' কবিতাটোত কবিয়ে প্রেমিকাক প্রশ্ন কৰিছে যে তেওঁ সাগৰ দেখি পাইছে নে নাই। প্রেমিকাৰ পৰা উত্তৰৰ অপেক্ষা হয়তো কবিৰ নাই। তেওঁ নিজেই নিজৰ প্রশ্নৰ উত্তৰ দি কৈছে যে তেৱোঁ সাগৰ দেখা নাই। তেওঁ মাত্র শুনিছে যে সাগৰৰ পানী নীলা আৰু সাগৰত অসংখ্য ঢৌৰ জোৱাৰ-ভাটা উঠে আৰু নামে। তেওঁ নিজৰ হৃদয়খন সাগৰৰ সৈতে তুলনা কৰি কৈছে যে এই হৃদয়খনো সাগৰৰ দৰে নীলা বেদনাৰে পৰিপূর্ণ হৈ পৰিছে। এই হৃদয়ত হাজাৰ অনুভৱৰ উত্থান-পতন আৰু কোলাহল। কবিয়ে তেওঁৰ প্রেমিকাৰ স্মৃতিত কাতৰ হৈ তেওঁক অবুজ, নিষ্ঠুৰ আৰু হিয়াহীন বুলি কৈছে। যৌৱনৰ আনন্দোচ্ছল সময় সোঁৱৰি কবি আবেগিক হৈ পৰিছে। কিন্তু তেওঁৰ প্রেয়সীয়ে তেওঁক এৰি যোৱাৰ দুখত কবি মর্মাহত হৈ পৰা নাই। সুখৰ মুহূর্তৰ স্মৃতি সুঁৱৰি কবি কাতৰ হৈ পৰিছে যদিও তেওঁৰ হৃদয়ত অনুভূত প্রেমৰ সহজ জ্যোতিৰে যেন জগতৰ অন্ধকাৰ নাশিবলৈ যথেষ্ট। সেয়ে কবি প্রেমিকাৰ বিৰহত দুখী হৈও প্রেমৰ মহত্ত্বত বিশ্বাসী হৈ পৰিছে। কবিয়ে প্রেয়সীক প্রশ্ন কৰাৰ চলেৰে আপোন হৃদয়ৰ অনুভৱ প্রকাশ কৰিছে। তেওঁ প্রেমৰ অনুভৱ উপলব্ধি কৰি গৌৰৱান্বিত হৈছে আৰু কবিতাটোৰ প্রথমাংশত প্রেমেৰে ৰঙীণ তেওঁৰ হৃদয়ৰ কথা কৈ সেই হৃদয়ৰ ৰঙৰ উছৰৰ উমান প্রেয়সীয়ে পাইছেনে নাই— তাৰ খবৰ লৈছে। পৰৱর্তী সময়ত তেওঁ নিজৰ প্রেয়সীক 'হিয়াহীনা প্রিয়া' বুলি কৈ তেওঁক স্বার্থপৰ বুলি ক'ব খুজিছে। কবিৰ প্রেয়সীয়ে যেন কেৱল নিজকে চিনি পায় যি কবিৰ হৃদয়ৰ বেদনাৰ উমান নেপায়। সেয়ে কবিয়ে নিজৰ প্রেয়সীক ক'ব খুজিছে যে প্রেয়সী আঁতৰি গ'লেও কবিৰ হৃদয় প্রেমেৰে পূর্ণ হৈ আছে। তেওঁৰ প্রেমৰ স্মৃতিৰেই কবিৰ হৃদয় আলোকময় হৈ থাকিব আৰু এই অনুভৱেৰেই তেওঁ গৌৰৱময়।

আত্মমূল্যায়ন-

ক) সাগৰ দেখিছা কবিতাটোৰ শিৰোনামটোৰ তাৎপর্য সম্পর্কে লিখক।

.....

.....

.....

.....

.....

খ) সাগৰ দেখিছা কবিতাটোৰ মূলভাবটো নিজৰ ভাষাৰে লিখক।

.....

.....

.....

.....

.....

২.৫.৫ কাব্যিক সৌন্দর্য

'সাগৰ দেখিছা' মূলতঃ এটা ৰোমাণ্টিক কবিতা। কিন্তু একেসময়তে ই এটা সুন্দৰ আধুনিক কবিতা। দেৱকান্ত বৰুৱাৰ ৰোমাণ্টিক চেতনাই নাটকীয় একোক্তিৰ প্ৰয়োগেৰে এহাতে প্ৰেয়সীৰ সৈতে বাৰ্তালাপত মিলিত হৈছে, অন্যহাতে পঢ়ুৱৈৰ লগত গভীৰ আন্তৰিকতা সৃষ্টিৰ প্ৰয়াস কৰিছে। কথোপকথনৰ জৰিয়তে একধৰণৰ আনুভূতিক সংবেদনশীলতা সৃষ্টি কৰি পঢ়ুৱৈৰ মনোজগতক আকৰ্ষণ কৰিব পৰাৰ কৌশল কবি দেৱকান্ত বৰুৱাৰ নিজা। 'সাগৰ দেখিছা'ত কবিয়ে তেওঁৰ প্ৰেয়সীৰ সৈতে বিচ্ছেদৰ পাছত তেওঁক নিজৰ হৃদয়ৰ বেদনাৰ উমান দিব খুজিছে। কিন্তু কবিয়ে নিজকে যন্ত্ৰণাকাতৰ, মিয়ম্ৰাণ, উপেক্ষিত প্ৰেমিক ৰূপে নহয়, বৰঞ্চ এজন আশাবাদী ব্যক্তিৰূপে প্ৰতিষ্ঠা কৰিব খুজিছে। কবি দেৱকান্তৰ কবিতাত হৃদয় আৰু মগজুৰ দুয়োটাৰে চিন্তন আৰু কৰ্ষণ হয় বুলি ক'ব পাৰি। 'সাগৰ দেখিছা' কবিতাটোতে কবিয়ে হৃদয় তোলপাৰ লগাই থকা তেওঁৰ আহত হিয়াৰ কথা কৈ নিজৰ প্ৰেয়সীক নিষ্ঠুৰ, হিয়াহীন বুলিও চিনি পাইছে। "তুমি তুমি, মই, মই" বুলি কৈ এফালে তেওঁ প্ৰেয়সীৰ স্বাৰ্থপৰতাৰ কথা ক'ব খুজিছে আৰু অন্যহাতে আধুনিক জীৱনৰ ব্যক্তি হৃদয়ৰ একাকীত্বৰ উমান দিব বিচাৰিছে। দেৱকান্ত বৰুৱাৰ কবিতাত প্ৰকাশভঙ্গীৰ ক্ষেত্ৰত বহু নতুনত্ব আহিছে। ইতিমধ্যে উল্লেখ কৰা হৈছে যে নাটকীয় মনোকথন (Dramatic monologue) ক তেওঁ কবিতাৰ এক শৈলী বা মাধ্যম হিচাপে গ্ৰহণ কৰিছে।

ৰোমাণ্টিক কবিতা হৈয়ো 'সাগৰ দেখিছা' ই অসমীয়া কবিতালৈ এক নতুন সুৰ কঢ়িয়াই আনিলে। কবিতাটোত প্ৰেমৰ বিষাদ আৰু যন্ত্ৰণাৰ বিষয়বস্তুৰে ৰোমাণ্টিক চেতনাৰ উমান পোৱা যায়। কিন্তু ইয়াৰ লগে লগে কবিতাটোৰ ভাববস্তু আৰু ৰচনাশৈলী/ প্ৰকাশভঙ্গী দুয়োটাতে আধুনিক যুগৰ কবিতাৰ কথন আৰু আংগিকৰ উমান পোৱা যায়। কবিতাটোত কবিৰ হৃদয়ত 'হিয়াহীনা' প্ৰিয়াই গভীৰ আঘাত দিছে আৰু কবিৰ হৃদয় ভৰি পৰিছে সাগৰৰ নীলা বেদনাৰে। কিন্তু তেওঁৰ 'হিয়াহীনা প্ৰিয়া'ই কবিৰ হৃদয়খন দেখা নাই, তেওঁৰ হৃদয়ৰ দুখ আৰু কাৰুণ্য উপলব্ধি কৰিব পৰা নাই। তেওঁৰ অন্তৰৰ এই কাৰুণ্য মাজৰাতি কেতেকীৰ গীতৰ শূন্যতাই বঢ়াই তুলিছে। বিৰহত কাতৰ কবিয়ে তেওঁৰ জীৱনৰ পৰা আঁতৰি যোৱা প্ৰেয়সীৰ প্ৰতি অভিযোগ কৰিছে যে তেওঁ কবিৰ হৃদয়ৰ গভীৰ বেদনা উপলব্ধি কৰিব নোৱাৰে। কবিয়ে নিজৰ হৃদয়ৰ এই বেদনাক দুৰ্গা গোসাঁনীৰ মৃন্ময় প্ৰতিমা এটিক হৃদয়ৰ সম্পূৰ্ণ আকুলতাৰে বেদীত প্ৰতিষ্ঠা কৰি বিজয়া দশমীৰ সন্ধ্যা নদীত বিসৰ্জনৰ পাছত অনুভৱ হোৱা শূন্যতাৰ সৈতে তুলনা কৰিছে। হৃদয়ৰ সমস্ত ভক্তিৰে পূজা কৰা প্ৰতিমা এটিক বিসৰ্জন দি পূজাৰীয়ে যি গভীৰ বেদনা অনুভৱ কৰে সেই একেই বেদনা অনুভৱ কৰিছে কবিয়ে নিজৰ প্ৰিয়াক এৰিবলগীয়া হৈ।

কিন্তু 'সাগৰ দেখিছা' কবিতাটো পঢ়ি এটা কথা অনুভৱ হয় যে নোপোৱাৰ বেদনাই দুখ দিলেও ই কবিক কাতৰ কৰা নাই। সেয়ে তেওঁ আশা কৰিছে যে প্ৰিয়াৰ দুচকুৰ জ্যোতিৰেই তেওঁৰ জগতৰ অন্ধকাৰ বিনাশি পোহৰ আনিব। পোহৰৰ প্ৰতি এই আহ্বানৰ আশাবাদেই দেৱকান্ত বৰুৱাৰ কাব্যৰ বৈশিষ্ট্য। সেয়ে এই কবিতাটোতো আমি এই জাগৰণৰ উমান পাঁও। ই কেৱল কবিৰ ৰোমাণ্টিক ভাব বিলাসিতাতেই শেষ নহয়। কবিতাটোত আবেগৰ লগতে চিন্তাৰ আভাস উপলব্ধি কৰিব পাৰি। চিন্তাৰ আবেদনে কবিতাটো আধুনিক কবিতাৰ কাষ চপাই আনিছিল। 'মই জানো, তুমি কিটো জানা' আৰু 'তুমি তুমি, মই মই'— বুলি কৈ কবিয়ে আধুনিক মনৰ, আধুনিক জীৱনৰ একাকীত্ব আৰু স্বাৰ্থপৰতাৰ কথা উনুকিয়াইছে। আটাইতকৈ তাৎপৰ্যপূৰ্ণ কথাটো হ'ল— এই কবিতাটো প্ৰেমৰ অথবা প্ৰেম আৰু বেদনাৰে সিক্ত ৰোমাণ্টিক কবিতা হৈও ই জীৱনৰ এক দ্বন্দ্ব বা সংশয়ৰ কথা কয়। আধুনিক জীৱনৰ সংশয় আৰু একাকীত্বৰে পৃথিৱীৰ দুখৰ বোজা বোৱা কবিয়ে জঁই পৰা ফুলেৰে গৌৰৰ আৰু সৌন্দৰ্যৰ মালা গাঁথিব খোজে। এই সংশয় আধুনিক চিন্তাৰ লক্ষণ।

বিষয়বস্তুৰ ব্যাখ্যাৰে কবিতাটোত প্ৰেম, প্ৰতাৰণা, দুখ আৰু কাৰুণ্যৰ উপলব্ধি অনুভৱ হয়। কবিতাটোৰ ভাষা মধুৰ আৰু উপযুক্ত শব্দচয়নেৰে ইয়াৰ প্ৰকাশভঙ্গী আকৰ্ষণীয়। মিত্ৰাক্ষৰী ছন্দত লিখা এই কবিতাটোত অনুপ্ৰাস আৰু উপমাৰ প্ৰয়োগ মনকৰিবলগীয়া। ঠায়ে ঠায়ে শব্দ আৰু ব্যাকাংশৰ পুনৰোক্তিও দেখিবলৈ পোৱা যায়। এই কাব্যিক উপাদানসমূহে কবিতাটো আকৰ্ষণীয় কৰি তুলিছে। আংগিকৰ ক্ষেত্ৰত 'সাগৰ দেখিছা' কবিতাটোৰ আটাইতকৈ গুৰুত্বপূৰ্ণ কথাটো হ'ল— ইয়াত ব্যৱহৃত কথোপকথনভিত্তিক ব্যাকাংশ যি পঢ়ুৱৈক কথাবস্তুৰ সৈতে সম্পৰ্কিত কৰে প্ৰত্যক্ষভাৱে। এই প্ৰশ্নোত্তৰ

ভিত্তিক ব্যাকাংশই পঢ়ুৱৈক সজাগ কৰি তোলে, দেৱকান্ত বৰুৱাৰ এই কথোপকথনভিত্তিক কবিতা ইংৰাজ কবি ৰবার্ট ব্রাউনিঙৰ Dramatic monologue অর্থাৎ নাটকীয় একোক্তিৰ প্রভাৱ। এই নাটকীয় একোক্তিৰ প্রয়োগে কবিতাটোক, কবিৰ অনুভূতিক পঢ়ুৱৈৰ অধিক নিকট কৰি তুলিছে। 'সাগৰ দেখিছা' কবিতাটোৰ উপস্থাপন ৰীতি অগতানুগতিক। ফলত কবিতাটো অধিক মনোগ্রাহী আৰু আকর্ষণীয় হৈ উঠিছে। কবিতাটোত ব্যৱহৃত সহজ আৰু পৰিচিত শব্দৰাজিয়ে কবিৰ অনুভৱক প্রাঞ্জলভাৱে বর্ণনা কৰিছে। এই বর্ণনাৰেই সাৱলীলৰূপে কবিৰ চিন্তাক পঢ়ুৱৈৰ অন্তৰ স্পষ্ট কৰিবলৈ সক্ষম কৰি তুলিছে। ৰোমাণ্টিকতা আৰু আধুনিকতাৰ সংমিশ্রনেৰে কবি দেৱকান্ত বৰুৱাৰ এই কবিতাটোৱে প্রকৃতার্থত অসমীয়া কবিতালৈ এক নতুন ঢল কঢ়িয়াই আনিলে বুলি ল'ব পাৰি।

আত্মমূল্যায়ন-

ক) 'সাগৰ দেখিছা' কবিতাটোত নাটকীয় একোক্তিৰ ব্যৱহাৰ সম্পর্কে সম্পর্কে লিখক।

.....

.....

.....

.....

.....

খ) 'সাগৰ দেখিছা' কবিতাটোৰ শব্দচয়ন সম্পর্কে লিখক।

.....

.....

.....

.....

.....

২.৫.৬ শব্দ টোকা

নীলিম ঃ নীল বৰণীয়া

সলিলৰাশি ঃ সলিল শব্দৰ অর্থ হৈছে পানী বা জল। সলিলৰাশি বুলি কওঁতে পানীৰ বিস্তৃতি বুজোৱা হৈছে।

উর্ম্মিমালা ঃ উর্ম বা উর্ম্ম শব্দৰ অর্থ হৈছে তুষাৰ যুগৰ চতুর্থ আৰু শেষ পর্যায়।

দিগন্ত ঃ দিগ্‌বলয়, আকাশ। যি ৰেখাত আকাশে মাটি চুই থকা যেন লাগে সেয়াই দিগন্ত ৰেখা।

বাসনা ঃ অভিলাষ, কামনা, ভাগ্য, কপাল (desire)

উতলা ঃ 'উতলা' শব্দৰ বুৎপত্তিগত অর্থ হৈছে অতিশয় তপত। ইয়াত 'উতলা' শব্দটো উদ্বিগ্ন, ব্যগ্র, চঞ্চল— এই অর্থত ব্যৱহাৰ হৈছে।

ৰামধেনু ঃ ইন্দ্রধনু, ইংৰাজী অর্থ rainbow। বায়ুমণ্ডলৰ জলীয় বাষ্পত সূর্য্যৰ পোহৰ পৰি আকাশত ওলোৱা ধেনুৰ আকৃতিৰ পটি।

পোহৰ-দীপ্তঃ দীপ্ত শব্দৰ অর্থ হৈছে জলন্ত, তেজোময়। যি শক্তিৰ সহায়ত যিকোনো বস্তু দেখা পোৱা যায় সিয়েই হৈছে পোহৰ; সেই অর্থত পোহৰ-দীপ্তৰ অর্থ হৈছে পোহৰেৰে আলোকিত। অন্যহাতে 'পোহৰ' শব্দৰ অর্থ হৈছে আলোক। ইয়াত পোহৰৰ উজ্জ্বলতা বা পোহৰৰ ইতিবাচক ৰূপটোক অধিক গুৰুত্ব দিয়া হৈছে।

সম্বাদ ঃ বাতৰি, খবৰ, সম্প্রচাৰ, পৰস্পৰ কথোপকথন

হিয়াহীন ঃ 'হিয়া' শব্দৰ অর্থ অন্তৰ আৰু 'হীনা' মানে বিহীন, নাইকীয়া। 'হিয়াহীনা' শব্দটো ইয়াত অন্তৰ নাইকিয়া অর্থাৎ নিষ্ঠুৰ বা কঠোৰ হৃদয়ৰ নাৰীক বুজোৱা হৈছে।

জঁই পৰা ঃ লেৰেলা। ৰ'দ বা তাপত শুকাই মৰহি যোৱা, শুকাই লেৰেলি যোৱা। (লাজত কোঁচ খোৱা বা অতি আলসুৱা।

কাৰেঙ ঃ 'কাৰেঙ' মানে ৰাজপ্রসাদ।

প্রতিমা ঃ প্রতিমূর্ত্তি, প্রতিকৃতি। ঈশ্বৰৰ বা দেৱ-দেৱতাৰ ৰূপৰ সাদৃশ্য—কল্পনাত নির্মিত মূর্ত্তি।

পখালো ঃ 'পখাল' মানে ধুই নিকা কৰা। ধুই দিয়া অর্থত 'পখালো' শব্দটো ব্যৱহাৰ কৰা হয়।

ষষ্ঠী ঃ ষষ্ঠৰ স্ত্রীলিঙ্গ। পঞ্চমীৰ পৰৱর্তী তিথি বিশেষ (the sixth day of the lunar)। দুর্গা পূজাৰ প্রথম দিন (the sixth day of the lunar fortnight when the ceremony of awakening Goddess Durga is held)।

বিসর্জো ঃ 'বিসর্জ' শব্দৰ অর্থ হৈছে ত্যাগ কৰা বা বর্জন কৰা, পূজাৰ অন্তত পানীত প্রতিমা উটুৱাই দিয়া অনুষ্ঠান অর্থাৎ পূজাৰ অন্তত দেৱতাক বিদায় দিয়া কার্য।

বিজয়া ঃ দেৱী দুর্গাক বিসর্জন দিয়া শৰৎকালৰ শুক্লা দশমী তিথি (the day on which the image of Durga is immersed)

নাশিবা ঃ 'নাশ' শব্দৰ অর্থ ধ্বংস বা লোপ। বধ বা হত্যা কৰা কার্যক বুজোৱা হয়। ইয়াত ধ্বংস কৰি পেলোৱা বা শেষ কৰি পেলোৱা অর্থত ব্যৱহাৰ কৰা হৈছে।

তিমিৰ ঃ অন্ধকাৰ।

২.৫.৭ অনুশীলনী

২.৫.৭.১ বোধজ্ঞান অনুশীলনী

১। তলত দিয়া প্রতিটো প্রশ্নৰ বাবে তিনিটাকৈ বিকল্প দিয়া আছে, শুদ্ধ উত্তৰটো বাচি লৈ ✓ চিন দিয়ক ঃ

(ক) কবিয়ে তেওঁৰ অন্তৰখনক কিহৰ সৈতে তুলনা কৰিছে?

(১) আকাশৰ নীলাৰ সৈতে

(২) সাগৰৰ নীলাৰ সৈতে

(৩) পাহাৰৰ সেউজীয়াৰ সৈতে

(খ) কবিতাটোত উল্লেখ থকা চৰাইটোৰ নাম কি?

(১) কেতেকী

(২) কুলী

(৩) ফেঁচা

(গ) কবিতাটোৰ পৰা 'অন্ধকাৰ' অর্থসূচক আন এটা শব্দ বাচি উলিওৱা ঃ

(১) সন্ধিয়া

(২) প্রভাত

(৩) তিমিৰ

(ঘ) দেৱীক কেতিয়া প্রতিষ্ঠা কৰা হয়?

(১) ষষ্ঠী

(২) সপ্তমী

(৩) পঞ্চমী

(ঙ) মানুহৰ হৃদয়ৰ সংবাদ ক'ত শুনিবলৈ পোৱা যায়?

(১) জীৱ-জন্তুৰ মাতত

(২) পখীৰ ডিঙিত

(৩) প্রকৃতিৰ মাজত

(ঞ) উল্লেখিত কবিতাটোত 'বিজয়া' শব্দটোৰে কি বুজোৱা হৈছে-

(১) এগৰাকী নাৰী

(২) এজন বিজয়ী ব্যক্তি

(৩) এটা তিথি

২। তলত দিয়া প্ৰশ্নবোৰৰ উত্তৰ একেটা বাক্যতে লেখক ঃ

(ক) উল্লেখিত কবিতাটোত এজন ইংৰাজ কবিৰ কবিতাৰ এক বিশেষ শৈলীৰ প্ৰভাৱ দেখা যায়? এই কবিজনৰ নাম কি?

.....

.....

সাগৰ দেখিছা

(খ) এই বিশেষ কাব্য শৈলীটোক কি বুলি কোৱা হয়?

.....

.....

(গ) 'দিগন্ত' শব্দটোৰ অৰ্থ কি?

.....

.....

(ঘ) কবিতাটোত প্ৰশ্নবোধক চিনৰ ব্যৱহাৰেৰে কি সূচাইছে?

.....

.....

(ঙ) 'দেখা নাই?' 'শুনা নাই'— আদি কবিয়ে কাক উদ্দেশ্য কৰি কৈছে?

.....

.....

(চ) 'হিয়াহীনা' বুলি কাক কোৱা হৈছে?

.....

.....

৩। তলৰ শাৰীবোৰ কবিতাটোৰ পৰা তুলি দিয়া হৈছে। তাৰ মাজৰ দুটা এটা শব্দ উঠাই দিয়া হৈছে। কবিতাটোৰ পৰা বিচাৰি সেই শব্দবে খালী ঠাই পূৰ কৰক।

(ক) দেখিছাতো ——, বাৰিষাৰ ডাৱৰত পোহৰৰ
—— গৌৰৱ

(খ) ভাবিছানে এটিবাৰো —— ডিঙিত কান্দে মানুহৰ
বুকুৰ ——

(গ) ——— জয়ৰ গৌৰৱ মালা? মিলনৰ
——সোণালী

(ঘ) —— সাৰ পাই —— কেতিয়াবা কেতেকীৰ
হিয়া ভগা মাত?

(চ) সহজ —— আজি নাশিবা —— তুমি —— মোৰ জগতৰ।

(ছ) তুমি —— মই ——। তুমিতো নাজানা-হায়, কিয় বাৰু
কিয় আমি গাথোঁ

২.৫.৭.২ বৈয়াকৰণিক অনুশীলনী

১। আন যিকোনো ভাষাৰ দৰেই অসমীয়া ভাষাতো শব্দৰ এটা বা তাতোধিক সমাৰ্থক শব্দ আৰু বিপৰীত অৰ্থ বুজোৱা শব্দ আছে। উদাহৰণস্বৰূপে তলত কেইটামান শব্দৰ সমাৰ্থক শব্দ আৰু বিপৰীতাৰ্থক শব্দৰ উল্লেখ কৰা হৈছে—

শব্দ	সমাৰ্থক শব্দ
ঘৰ	গৃহ
ৰাতি	নিশা
ইচ্ছা	কামনা
সূৰ্য	বেলি

শব্দ	বিপৰীতার্থক শব্দ
আন্ধাৰ	পোহৰ
পৱিত্র	অপৱিত্র
ইচ্ছা	অনিচ্ছা
দীঘল	চুটি

এতিয়া কবিতাটোত থকা তলত উল্লেখ কৰা প্রথম পাঁচটা শব্দৰ একোটাকৈ সমার্থক শব্দ আৰু পিছৰ পাঁচটা শব্দৰ বিপৰীতার্থক শব্দ লেখক।

(ক) জগত, সলিল, বাসনা, পখী, সম্বাদ

(খ) দূৰ, কোমল, পোহৰ, দুখ, বেদনা।

২। কোনো বস্তুৰ আকৃতি, প্রকৃতি, লিঙ্গ আদি নির্দিষ্টকৈ বুজাবলৈ শব্দৰ পাছত যিবোৰ বর্ণ-সমষ্টি যোগ দিয়া হয়, সেইবোৰক নির্দেশাত্মক প্রত্যয় বোলা হয়। কণ, খন, টো, ডাল, জন ইত্যাদি নির্দেশাত্মক প্রত্যয়ৰ উদাহৰণ।

'সংজ্ঞা' শব্দৰ পাছত থকা 'এক' (মাহেক) আৰু টা, জন, ডাল, খন আদিৰ পাছত 'মান' প্রত্যয় ব্যৱহাৰ কৰি সংখ্যাৰ অনির্দিষ্টতা বুজোৱা হয়। এনে প্রত্যয়ক অনির্দেশাত্মক প্রত্যয় বোলে। যেনে—

মাহ + এক — মাহেক, বছৰ + এক — বছৰেক, দিনচেৰেক, দিনদিয়েক ইত্যাদি।

এতিয়া দহোটা নির্দেশাত্মক প্রত্যয় (ইয়াত উল্লেখ নকৰা) বাচি লৈ প্রত্যেকৰে সংযোগত একোটাকৈ বাক্য ৰচনা কৰক।

৩। যিবোৰ বর্ণ বা বর্ণসমষ্টি ক্রিয়া বা অন্য পদৰ পিছত বহি সিহঁতৰ অর্থ বিশেষভাৱে দেখুৱায়, সেইবোৰক অনুসর্গ বোলা হয়। অসমীয়াত হঁক, এই, ই চোন, কে ও, তো, দে, দেই আদি অনুসর্গ। এই অনুসর্গবোৰক স্বার্থিক প্রত্যয় অথবা ক্রিয়াবাচক পৰসর্গ বুলিও কোৱা হয়।

উদাহৰণ ঃ ১। চিঠিখন লিখাচোন ২। কাইলৈ আহিব দেই।

কবিতাটোত এনে অনুসর্গৰ ব্যৱহাৰ হৈছে। তেনে দুটা অনুসর্গ বিচাৰি উলিয়াই তাৰে একোটাকৈ বাক্য ৰচনা কৰক।

৪। যি পদে কোনো বস্তু বা প্রাণী বা ঠাইৰ নাম বুজায় তাকে সংজ্ঞাবাচক বিশেষ্য বোলা হয়। যেনে- গছ, চৰাই, নদী ইত্যাদি। সেইদৰে, যি পদে কোনো ভাব বা গুণৰ নাম বুজায় তাক ভাববাচক বা গুণবাচক বিশেষ্য বোলা হয়। যেনে - মৰম, সৌন্দর্য, ল'ৰালি ইত্যাদি। কবিতাটোত ব্যৱহৃত শব্দবোৰৰ পৰা দুটা ভাববাচক বিশেষ্য পদ আৰু দুটা সংজ্ঞাবাচক বিশেষ্য পদ বাচি উলিওৱা।

৫। তলৰ শব্দবোৰৰ মাজৰপৰা অশুদ্ধ বানানৰ শব্দবোৰ বিচাৰি উলিয়াই সেইবোৰ শুদ্ধ কৰক ঃ

সষ্ঠী, বিসর্জো, জলাব, সন্ধিয়া, অন্ধকাৰ, নাশীবা, হিয়াহিনা, উর্ম্মীমালা, সলিলৰাশি

২.৫.৭.৩ পঠন অনুশীলন

১। গোটেই কবিতাটো পঢ়ক আৰু ইয়াৰ কোনটো অংশ আপোনাৰ ভাল লাগিল বিচাৰি চাওক।

২। ভাল লগা অংশটোৰ বিশেষ কোনোবা শব্দ বা শাৰী যদি বেচি ভাল লাগিল, বিচাৰি উলিয়াওক।

৩। কবিতাটোত পোৱা নতুন শব্দবোৰ মনত ৰাখক।

৪। কবিতাটোৰ নতুন শব্দবোৰৰ বানান মনত ৰাখক।

৫। কবিতাটোত কেইটামান সমার্থক শব্দ ব্যৱহাৰ কৰা হৈছে, সেইকেইটা কি কি?

৬। কবিতাটোত কেইবাটাও প্রশ্নসূচক শব্দৰ ব্যৱহাৰ কৰা হৈছে, সেইকেইটা বিচাৰি উলিয়াওক।

৭। কবিতাটোৰ মূলভাবটো পঢ়ক, কবিতাটোৰ বর্ণনাৰ অনুক্রমে মূলভাবটো হৈছেনে বিচাৰ কৰক।

৮। কাব্যিক সৌন্দর্যৰ কথাখিনি পঢ়ক আৰু সেইখিনিৰ সৈতে আৰু কিবা যোগ দিব পাৰে নেকি ভাবি চাওক।

৯। অসমীয়া কবিতাৰ ইতিহাসৰ আলোচনাটি ভালদৰে পঢ়ক আৰু বিখ্যাত অসমীয়া কবিসকলৰ নামবোৰ মনত ৰাখক।

১০। অসমীয়া কবিতাৰ চমু ইতিহাসৰ এটা পৰিচয় এই আলোচনাটোৱে মনলৈ আনি দিব পাৰিছেনে ভাবি চাওক।

সাগৰ দেখিছা

২.৫.৭.৪ লিখন অনুশীলন

১। কবিতাৰ এটা সংজ্ঞা দিয়ক।

.....

.....

.....

.....

.....

.....

২। কবিতাটো মুখস্থ কৰি আপোনাৰ ভাল লগা দহোটা শাৰী লেখক।

.....

.....

.....

.....

.....

.....

.....

.....

.....

৩। কবিতাটো পঢ়ি কবিতাটোৰ মূল ভাব নিজৰ শব্দৰে লেখক।

.....

.....

.....

.....

.....

.....

.....

.....

.....

৪। কবিতাটোত প্ৰেমৰ অনুভৱ কেনেদৰে প্ৰকাশ পাইছে বুজাই লেখক।

.....

.....

.....

.....

.....

.....

.....

.....

৫। কবিতাটোত কবিয়ে কাক উদ্দেশ্যি কথা কৈছে? তেওঁ কিয় এনেদৰে কৈছে?

.....

.....

.....

.....

.....

.....

৬। কবিতাটোৰ অন্তর্নিহিত অর্থ আৰু ইয়াৰ কাব্যিক সৌন্দর্যৰ বিষয়ে লেখক।

.....

.....

.....

.....

.....

.....

.....

৭। কবিতাটোত ৰোমাণ্টিক চেতনা কিদৰে প্ৰকাশ পাইছে লেখক।

.....

.....

.....

.....

.....

.....

৮। কবিতাটোত কবিয়ে নিজৰ হৃদয়ক কিয় সাগৰৰ সৈতে তুলনা কৰিছে লেখক।

.....

.....

.....

.....

.....

.....

৯। কবিতাটোৰ কবিজনক কোন যুগৰ কবি বুলি ক'ব পাৰি? তেওঁৰ এখন কবিতাপুথিৰ নাম লেখক।

.....

.....

.....

.....

.....

.....

২.৫.৮ উত্তৰ সংকেত

বোধজ্ঞান আৰু ব্যাকৰণগত অনুশীলনী যিবোৰ ইতিমধ্যে দিয়া হৈছিল সেইবোৰ এতিয়া তলত দিয়া উত্তৰৰ লগত মিলাই চাওক। আপোনালোকৰ যিবোৰ ভুল হৈছিল, এতিয়া সেইবোৰ শুধৰাই লওক।

বোধজ্ঞান অনুশীলনী

লত দিয়া প্রতিটো প্রশ্নৰ বাবে তিনিটাকৈ বিকল্প দিয়া আছে, শুদ্ধ উত্তৰটো বাচি লৈ ✓ চিন দিয়ক ঃ

(ক) (১) আকাশৰ নীলাৰ সৈতে
(২) সাগৰৰ নীলাক সৈতে ✓
(৩) পাহাৰৰ সেউজীয়া সৈতে

(খ) (১) কেতেকী✓
(২) কুলী
(৩) ফেঁচা

(গ) (১) সন্ধিয়া
(২) প্রভা
(৩) তিমিৰ ✓

(ঘ) (১) ষষ্ঠী ✓
(২) সপ্তমী
(৩) পঞ্চমী

(ঙ) (১) জীৱ-জন্তুৰ মাতত
(২) পখীৰ ডিঙিত ✓
(৩) প্রকৃতিৰ মাজত

(ঞ) (১) এগৰাকী নাৰী
(২) এজন বিজয়ী ব্যক্তি
(৩) এটা তিথি ✓

২। (ক) ৰবার্ট ব্রাউনিং

(খ) এই বিশেষ কাব্যশৈলীটোক নাটকীয় একোক্তি বা নাটকীয় মনোকথন বুলি জনা যায়।

(গ) দিগন্ত মানে দিগ্‌বলয় বা আকাশ। যি ৰেখাত আকাশে মাটি চুই থকা যেন লাগে সেয়াই দিগন্ত ৰেখা।

(ঘ) কবিতাটোক প্রশ্নবোধক চিনৰ ব্যৱহাৰেৰে কবিয়ে নিজৰ মনত উদয় হোৱা প্রশ্নসমূহ তেওঁৰ প্রেয়সীৰ প্রতি আগবঢ়াই দি নিজৰ মনৰ অৱস্থাটো প্রকাশ কৰাটোকে সূচাইছে।

(ঙ) 'দেখা নাই', 'শুনা নাই' — আদি বাক্যাংশ কবিয়ে নিজৰ প্রেয়সীক উদ্দেশ্য কৰি কৈছে।

(চ) হিয়াহীনা বুলি কবিয়ে নিজৰ প্রেয়সীক কৈছে।

বৈয়াকৰণিক অনুশীলনী

১। (ক) জগত — পৃথিৱী
সলিল — পানী
বাসনা — ইচ্ছা/অনুৰাগ
পখী — চৰাই
সংবাদ — বাতৰি

(খ) দূৰ — ওচৰ
কোমল — কঠোৰ/ টান
পোহৰ — আন্ধাৰ
দুখ — সুখ
বেদনা — আনন্দ

২। গছ ঃ চাকিগছ জ্বলাই দিয়াচোন।
জোপা ঃ গছজোপা ওখ।
খিলা ঃ মোক পাণখিলা দিয়া।
গৰাকী ঃ মানুহগৰাকীয়ে বৰ পৰিপাটিকৈ কাপোৰ পিন্ধে।
জনী ঃ ছোৱালীজনী লেখা-পঢ়াত ভাল।
পাহ ঃ ফুলপাহ ইমান ধুনীয়া।
মুঠি ঃ ভিক্ষাৰীজনে মাত্র এমুঠি চাউল বিচাৰিছিল।
চটা ঃ বাঁহচটা তাত পেলাই দিয়া।
টুকুৰা ঃ মাছটুকুৰা ভালনে?
টাৰি ঃ চুলিটাৰি বান্ধি লোৱা।

৩। তো— তুমিতো নাজানা কিহৰ দুখত মই গান গাবলৈ এৰিলোঁ।
ই — তেখেত আহিবই।

৪। (ক) দুটা সংজ্ঞাবাচক বিশেষ্য পদ — সাগৰ, ৰামধেনু
(খ) দুটা ভাববাচক বিশেষ্য পদ — গৌৰৱ, বাসনা

৫। ষষ্ঠী, জ্বলাব, নাশিবা, হিয়াহীনা, উৰ্ম্মিমালা, সলিলৰাশি

২.৫.৯ অতিৰিক্ত পঠন উপদেশ

আপোনালোকে অসমীয়া কবিতা সম্পৰ্কে বহলাই জানিবলৈ হ'লে তলৰ কিতাপকেইখন পঢ়িব—

১। *সঞ্চয়ন* (সম্পাদক) ঃ মহেশ্বৰ নেওগ।
২। *কবিতামঞ্জৰী* (সম্পাদিকা) ঃ ড° নিৰ্মলপ্ৰভা বৰদলৈ।
৩। *অসমীয়া কবিতা* ঃ কৰবী ডেকা হাজৰিকা।
৪। *আধুনিক অসমীয়া কবিতা* ঃ চন্দ্ৰ কটকী।
৫। *সাহিত্য উপক্ৰমণিকা* ঃ ড° মহেন্দ্ৰ বৰা

ignou
THE PEOPLE'S
UNIVERSITY

খণ্ড-২ গোট-VI ঃ য়েছে দৰজে ঠংচিৰ 'বাঁহ ফুলৰ গোন্ধ'
(A short story by Yeshe Dorjee Thongchi)

য়েছে দৰজে ঠংচিৰ 'বাঁহ ফুলৰ গোন্ধ'

গাঁথনি

২.৬.১ পাতনি
২.৬.১.১ পৰিচয়
২.৬.১.২ উদ্দেশ্যাৱলী
২.৬.২ অসমীয়া চুটিগল্প
২.৬.৩ 'বাঁহ ফুলৰ গোন্ধ' গল্পটোৰ গল্পকাৰৰ পৰিচয় ঃ য়েছে দৰজে ঠংচি
২.৬.৪ য়েছে দৰজে ঠংচিৰ চুটিগল্প
২.৬.৪.১ য়েছে দৰজে ঠংচিৰ গল্পৰ বৈশিষ্ট্য
২.৬.৫ য়েছে দৰজে ঠংচিৰ 'বাঁহ ফুলৰ গোন্ধ'
২.৬.৫.১ 'বাঁহ ফুলৰ গোন্ধ' গল্পটোৰ কাহিনীভাগ
২.৬.৫.২ 'বাঁহ ফুলৰ গোন্ধ' গল্পটোৰ ভাষা
২.৬.৫.৩ 'বাঁহ ফুলৰ গোন্ধ' গল্পটোৰ চৰিত্ৰ
২.৬.৬ শব্দাৰ্থৰ টোকা
২.৬.৬.১ অৰুণাচলৰ জনজাতীয় ভাষাৰ শব্দাৰ্থ
২.৬.৬.২ অন্যান্য শব্দৰ অৰ্থ
২.৬.৭ অনুশীলন
২.৬.৭.১ বোধজ্ঞানৰ অনুশীলন
২.৬.৭.২ বৈয়াকৰণিক অনুশীলন
২.৬.৭.৩ পঠন অনুশীলন
২.৬.৭.৪ লিখন অনুশীলন
২.৬.৮ উত্তৰৰ সংকেত
২.৬.৯ অতিৰিক্ত পঠনৰ উপদেশ

২.৬.১ পাতনি

২.৬.১.১ পৰিচয়

'বাঁহ ফুলৰ গোন্ধ'— শীৰ্ষক গল্পটো অৰুণাচল প্ৰদেশৰ গল্পকাৰ-ঔপন্যাসিক য়েছে দৰজে ঠংচিৰ একে নামৰ গল্প সংকলন *বাঁহ ফুলৰ গোন্ধত* অন্তৰ্ভুক্ত প্ৰথম গল্প। আজীৱন অসমীয়া ভাষাত সাহিত্য চৰ্চা কৰা ঠংচিৰ গল্পবোৰৰ ভিতৰত দুই-এক ব্যতিক্ৰম বাদ দি আন সকলো গল্পই অৰুণাচলৰ জনজাতীয় জীৱনভিত্তিক গল্প আৰু বাঁহ ফুলৰ গোন্ধ গল্পটোও ইয়াৰ ব্যতিক্ৰম নহয়। বাঁহ ফুল সাধাৰণতে নুফুলে। বাঁহ ফুল ফুলাটো এটা অতি বিৰল ঘটনা। ইয়াৰ লগত কিছুমান অভিজ্ঞতাজনিত জনবিশ্বাসো জড়িত হৈ থাকে। ঠংচিৰ গল্পটোত অৰুণাচলৰ পাহাৰত বাঁহ ফুল ফুলা আৰু তাকে কেন্দ্ৰ কৰি মাত্ৰ তিনিটা চৰিত্ৰৰ মাধ্যমেৰেই পাহাৰীয়া জনজাতীয় সমাজ এখনৰ প্ৰতিচ্ছবি স্পষ্ট হৈ উঠা দেখা পোৱা যায়।

আপোনাৰ এই পাঠ্যক্ৰমৰ অন্তৰ্ভুক্ত য়েছে দৰজে ঠংচিৰ 'বাঁহ ফুলৰ গোন্ধ' গল্পটো অধ্যয়ন কৰাৰ আগতে প্ৰথমে অধ্যয়নৰ প্ৰাক্-প্ৰসংগ হিচাপে অতি চমুকৈ, সামগ্ৰিকভাৱে চুটিগল্পৰ উদ্ভৱ আৰু তাৰ পাছত অসমীয়া সাহিত্যৰ চুটিগল্পৰ ধাৰাটোত এক দৃষ্টিপাত কৰা হৈছে।

বিশ্বৰ বিভিন্ন প্ৰান্তৰ কিছুমান পুৰণি সাধুকথা, কিংবদন্তী, জনশ্ৰুতি, আখ্যান আদিৰ মাজত আধুনিক চুটিগল্প (short story) ৰ বীজ নিহিত হৈ থকা বুলি অনুমান কৰি লৈ তাৰ পম বিচাৰিব পৰা যায় যদিও প্ৰকৃতাৰ্থত ঊনবিংশ শতিকাতহে পাশ্চাত্য সাহিত্যত আধুনিক চুটিগল্পৰ লক্ষণসমূহ বহন কৰা সাৰ্থক চুটিগল্পৰ জন্ম হৈছিল। শিল্প বিপ্লৱ আৰু ফৰাছী বিপ্লৱৰ পাছৰ ঊনবিংশ শতিকাৰ য়ুৰোপৰ নৱজাগৰণ আছিল চুটিগল্প সৃষ্টিৰো পটভূমি। আমেৰিকান সাহিত্যিক এডগাৰ এলেন পো (১৮০৯-১৮৪৯)ৰ

হাতত আধুনিক চুটিগল্পৰ জন্ম হোৱা বুলি কোৱা হয় যদিও ফ্ৰান্স, ৰাছিয়া, আমেৰিকা আৰু জাৰ্মানীত প্ৰায় একে সময়তে চুটিগল্পই ঠন ধৰি উঠিছিল। পাশ্চাত্য সাহিত্যত অতি কম সময়ৰ ভিতৰতে সমাদৰ লাভ কৰা চুটিগল্পই সমগ্ৰ বিশ্বতে প্ৰভাৱ বিস্তাৰ কৰিবলৈ সক্ষম হৈছিল। অসমীয়া সাহিত্যৰ ইতিবৃত্তত সত্যেন্দ্ৰনাথ শৰ্মাই কোৱাৰ দৰেই, চুটিগল্প পাশ্চাত্য সাহিত্যৰ প্ৰভাৱৰ অমৃতময় ফল। (অসমীয়া সহিত্যৰ সমীক্ষাত্মক ইতিবৃত্ত) পূৰ্বে অসমীয়াকে ধৰি আন কোনো ভাৰতীয় ভাষাতে চুটিগল্প লিখা হোৱা নাছিল। কিন্তু ঊনবিংশ শতিকাৰ প্ৰায় শেষ ভাগমানৰ পৰা ভাৰতীয় সাহিত্যতো চুটিগল্পই দৃঢ় খোজেৰে যি যাত্ৰা আৰম্ভ কৰিলে, সেই জয়যাত্ৰা আজিও অব্যাহত। ভাৰতৰ প্ৰান্তীয় ভাষাসমূহৰ ভিতৰত কেইবাটাও ভাষাত প্ৰায় সমসাময়িকভাৱে চুটিগল্পৰ বিকাশ হৈছিল। তাৰে ভিতৰত ১৮৬৮ চনত প্ৰকাশ পোৱা ওড়িয়া ভাষাৰ ফকিৰ মোহন সেনাপতিৰ লছমনীয়া নামৰ গল্পটোকেই ভাৰতীয় ভাষাৰ প্ৰথম চুটিগল্প বুলি কোৱা হয়। ইয়াৰ পাছতে বাংলা সাহিত্যত ৰবীন্দ্ৰনাথ ঠাকুৰে আৰু হিন্দী সাহিত্যত প্ৰেমচন্দ্ৰই চুটিগল্প ৰচনা কৰে।

আধুনিক অসমীয়া সাহিত্যৰ জনক সাহিত্যৰথী লক্ষ্মীনাথ বেজবৰুৱা (১৮৬৪-১৯৩৮) অসমীয়া চুটিগল্পৰো জনক। বেজবৰুৱাৰ লগতে শৰৎচন্দ্ৰ গোস্বামী, লক্ষ্মীনাথ ফুকন, নকুলচন্দ্ৰ ভূঞা আদি গল্পকাৰসকলে আধুনিক অসমীয়া চুটিগল্পৰ যি বাট কাটিছিল, সেই বাটেৰেই বাট বুলি আহি সাম্প্ৰতিক অসমীয়া চুটিগল্প আজি গৌৰৱময় ঐতিহ্য আৰু বৈচিত্ৰ্যৰে সমৃদ্ধ। কিন্তু বিংশ শতিকাৰ প্ৰায় তৃতীয়াৰ্ধলৈকে অসম আৰু অসমৰ চুবুৰীয়া ৰাজ্যকেইখনৰ বিভিন্ন জনজাতিৰ সমাজ জীৱনক বিষয়বস্তু হিচাপে লৈ লিখা চুটিগল্পৰ ধাৰাটো টনকিয়াল নাছিল। পাছলৈ ৰংবং তেৰাং, লুম্মেৰ দাই, চন্দ্ৰ বৰপাত্ৰগোহাঁই, য়েছে দৰজে ঠংচি আদি গল্পকাৰৰ হাতত এই ধাৰাটো ঠন ধৰি উঠে।

২.৬.১.২ উদ্দেশ্যাৱলী

আপোনাৰ পাঠ্যক্ৰমৰ এই গোটটো তথা গোটটোত সুচিন্তিত পৰিকল্পনাৰে অন্তৰ্ভুক্ত কৰা নিৰ্বাচিত গল্পটোৰ বিশ্লেষণাত্মক অধ্যয়ন সম্পূৰ্ণ কৰাৰ পাছত আপুনি—

- অসমীয়া চুটিগল্পৰ ধাৰাটোৰ বিষয়ে এক সম্যক ধাৰণা লাভ কৰি পাৰিব।
- অন্য এখন ৰাজ্য (অৰুণাচল প্ৰদেশ)ৰ আৰু সম্পূৰ্ণ অন্য ভাষা, সংস্কৃতি (চেৰদুকপেন)ৰ লোক হৈয়ো আজীৱন অসমীয়া ভাষা-সাহিত্যৰ চৰ্চা কৰা য়েছে দৰজে ঠংচিৰ বিষয়ে জানিব পাৰিব।
- 'বাঁহ ফুলৰ গোন্ধ' গল্পটোৰ পঠন-অধ্যয়নৰ মাধ্যমেৰে আধুনিক অসমীয়া চুটিগল্পৰ পৰম্পৰাগত ধাৰাটোৰ উমান পোৱাৰ লগতে জনজাতীয় জীৱনভিত্তিক অসমীয়া সাহিত্যৰ স্বাদ চাকি চাব পাৰিব।
- অসমীয়া সাহিত্যত অৰুণাচল অথবা অন্যান্য চুবুৰীয়া ৰাজ্যৰ প্ৰসংগক কেন্দ্ৰ কৰি পৰৱৰ্তী অধ্যয়নৰ অৱকাশ পাব পাৰিব।

২.৬.২ অসমীয়া চুটিগল্প

পাতনিত ইতিমধ্যে উল্লেখ কৰা হৈছে যে আধুনিক অসমীয়া চুটিগল্পৰ জনক সাহিত্যৰথী লক্ষ্মীনাথ বেজবৰুৱা। বেজবৰুৱাৰ পূৰ্বে 'অৰুনোদই' যুগত কিছুমান চুটি কাহিনী, সাধুকথা, উপকথা, নৈতিক কাহিনী, বাইবেলৰ কাহিনী আদি প্ৰকাশ হৈছিল। কিন্তু সেইবোৰে আধুনিক চুটিগল্পৰ লক্ষণ বহন কৰা নাছিল। *জোনাকী*ত প্ৰকাশিত বেজবৰুৱাৰ 'সেউতী' গল্পটোক প্ৰথম অসমীয়া চুটিগল্প বুলি নিশ্চিত কৰা হৈছে। কিন্তু বহুতো সমালোচকে 'ভদৰী' গল্পটো আৰু আন কোনো সমালোচকে 'পণ্ডিত মহাশয়'টোকহে প্ৰথম অসমীয়া চুটিগল্প আখ্যা দিব খোজে। বেজবৰুৱাৰ গল্পসংকলন চাৰিখন। সেইকেইখন হৈছে— *সুৰভি* (১৯০৯), *সাধুকথাৰ কুঁকি* (১৯১০), *জোনবিৰি* (১৯১৩) আৰু মৰণোত্তৰভাৱে প্ৰকাশিত *কেহোঁকলি* (১৯৬৮)। *জোনাকী, বিজুলী, ঊষা, বাঁহী* আৰু *চেতনা*ত বেজবৰুৱাই গল্প লিখিছিল। কিন্তু বেজবৰুৱাৰ প্ৰতিটো কাহিনী আধুনিক চুটিগল্প আছিল বুলি ক'ব পৰা নাযায়। মহেশ্বৰ নেওগে অসমীয়া সাহিত্যৰ ৰূপৰেখাত যথার্থতে বেজবৰুৱাক পুৰণি সাধুকথা

আৰু আধুনিক চুটিগল্পৰ সংযোজক সেঁতুৰ দৰে বুলি কৈছে। পুৰণি অসমীয়া সাধুকথা সংগ্ৰহ কৰি বুঢ়ী আইৰ সাধুৰূপে প্ৰকাশ কৰা বেজবৰুৱাই নিজেও তেখেতৰ চুটিগল্পসমূহকো সেই সময়ৰ সাধাৰণ পাঠকে বুজি পোৱাকৈ সাধুকথা বুলিয়েই কৈছিল। কিন্তু বেজবৰুৱাৰ চুটিগল্পসমূহৰ কেইবাটাও গল্প ইমানেই বলিষ্ঠ যে আজিও সেই গল্পবোৰ প্ৰাসংগিকৰূপে চৰ্চিত হয়।

য়েছে দৰজে ঠংচিৰ 'বাঁহ ফুলৰ গোন্ধ'

১৮৮৯ চনত প্ৰথম অসমীয়া অলোচনী *জোনাকী*ৰ পাতত আৰম্ভ হোৱা অসমীয়া চুটিগল্পৰ ধাৰাটোলৈ লক্ষ্মীনাথ বেজবৰুৱাৰ লগতে শৰৎচন্দ্ৰ গোস্বামীয়ে (১৮৮৭-১৯৪৫) প্ৰভূত অৱদান আগবঢ়ায়। এই কালছোৱাৰ আনকেইজনমান উল্লেখযোগ্য গল্পকাৰ আছিল— নকুলচন্দ্ৰ ভূঞা, দণ্ডীনাথ কলিতা, লক্ষ্মীনাথ ফুকন, সূর্য্যকুমাৰ ভূঞা, মিত্ৰদেৱ মহন্ত আদি।

ইয়াৰ পাছতে অসমীয়া চুটিগল্পৰ দ্বিতীয় পৰ্যায়টো আৰম্ভ হয় ১৯২৯ চনৰ পৰা প্ৰকাশ হোৱা *আৰাহন* আলোচনীৰ মাধ্যমেৰে। *আৰাহন*ৰ মাধ্যমেৰে অসমীয়া চুটিগল্পৰ গতি-প্ৰকৃতিলৈ অভিনৱ নতুনত্বৰ আগমন ঘটে। লগতে মাধৱ বেজবৰুৱাৰ দ্বাৰা সম্পাদিত *বাঁহী* আৰু সমসাময়িক *জয়ন্তী* আদি আলোচনীয়েও এই নতুনত্বক স্বাগতম জনাই গল্পকাৰৰ নতুন সম্পৰীক্ষাক সুযোগ দিয়াত অসমীয়া গল্পসাহিত্যই দ্ৰুত বিকাশ লাভ কৰিছিল। এই সময়ৰ গল্পকাৰসকলৰ ভিতৰত আছিল নগেন্দ্ৰ নাৰায়ণ চৌধুৰী, হলিৰাম ডেকা, কৃষ্ণ ভূঞা, মহীচন্দ্ৰ বৰা, ৰাধিকামোহন গোস্বামী, লক্ষ্মীধৰ শৰ্মা, ৰমা দাশ, ত্ৰৈলোক্যনাথ গোস্বামী, ৰায়হান শ্বাহ আদি।

পৰৱৰ্তী পৰ্যায়ত স্বৰাজোত্তৰ কালত প্ৰকাশিত *ৰামধেনু* (১৯৫১)ৰ জৰিয়তে আৰম্ভ হোৱা ৰামধেনু যুগে অসমীয়া চুটিগল্পৰ ধাৰাটো আৰু অধিক সমৃদ্ধ কৰি তোলে। দ্বিতীয় বিশ্বযুদ্ধ আৰু স্বাধীনতা আন্দোলনে এই সময়ৰ গল্পকাৰসকলৰ গল্পত প্ৰভাৱ পেলাইছিল। জয়ন্তী, সুৰভি, পছোৱা মণিদীপ আদি আলোচনীয়ে প্ৰকৃতাৰ্থতে আধুনিক অসমীয়া গল্পৰ কাৰণে শক্তিশালী মঞ্চ তৈয়াৰ কৰিব পাৰিছিল। চৈয়দ আব্দুল মালিক, বীৰেন্দ্ৰ কুমাৰ ভট্টাচাৰ্য্য, চন্দ্ৰপ্ৰসাদ শইকীয়া, হোমেন বৰগোহাঞি, লক্ষ্মীনন্দন বৰা, নিৰুপমা বৰগোহাঞি, স্নেহ দেৰী, ভবেন্দ্ৰনাথ শইকীয়া, সৌৰভ কুমাৰ চলিহা, মেদিনী চৌধুৰী, মহিম বৰা, পদ্ম বৰকটকী, ইমৰাণ শ্বাহ, শীলভদ্ৰ, মামণি ৰয়চম গোস্বামী, অতুলানন্দ গোস্বামী আদি স্বনামধন্য সাহিত্যিকে এই সময়ছোৱাক তেওঁলোকৰ গল্পৰে সমৃদ্ধ কৰি তুলিছিল। ইয়াৰে ভিতৰত কেইজনমানে অৱশ্যে ৰামধেনুৰ আগৰে পৰাই গল্প ৰচনা আৰম্ভ কৰিছিল যদিও এই যুগতহে তেওঁলোকৰ গল্প প্ৰতিভা অধিক উজ্জ্বল হৈ উঠিছিল। উদাহৰণস্বৰূপে, চৈয়দ আব্দুল মালিকে গল্পকাৰৰূপে *জয়ন্তী*ৰ পাততে আত্মপ্ৰকশ কৰিছিল যদিও *ৰামধেনু* যুগতহে মালিকৰ গল্পই পূৰ্ণ বিস্তাৰ লাভ কৰিছিল।

বিংশ শতিকাৰ সত্তৰৰ দশকমানৰ পৰা বৰ্তমানলৈকে সময়ছোৱাক অসমীয়া চুটিগল্পৰ সাম্প্ৰতিক যুগ বুলি অভিহিত কৰা হয়। সমালোচকসকলে এই শতিকাৰ গল্পধাৰাক একেবাৰে শেষৰ ফালৰ অতি-সাম্প্ৰতিক বুলিও ক'ব খোজে। *ৰামধেনু*ৰ প্ৰকাশ বন্ধ হৈ যোৱাৰ পাছতো সেই যুগৰ কেইবাজনো গল্পকাৰে সাম্প্ৰতিক কালতো গল্প লিখি থকা পৰিলক্ষিত হয়। আকৌ, সাম্প্ৰতিক যুগৰ আৰম্ভণিতে কেইবাজনো প্ৰতিশ্ৰুতিসম্পন্ন ন গল্পকাৰৰ আৱিৰ্ভাৱ ঘটিছিল, যিসকলে প্ৰতিশ্ৰুতি ৰক্ষা কৰি পাছলৈ অসমীয়া সাহিত্যৰ বলিষ্ঠ গল্পকাৰৰূপে নিজকে প্ৰতিষ্ঠা কৰিব পাৰিছিল। এই নতুন গল্পকাৰসকলৰ ভিতৰত আছিল বৰ্তমান সময়ৰ সৰ্বপৰিচিত অৰূপা পটংগীয়া কলিতা, অৰুণ গোস্বামী, পূৰবী বৰমুদৈ, মনোৰমা দাস মেধি, ৰংবং তেৰাং, জ্যোতিষ শিকদাৰ, দেবব্ৰত দাস, বিপুল খাটনিয়াৰ, ৰবীন শৰ্মা, ফুল গোস্বামী, নবীন বৰুৱা, ভূপেন্দ্ৰ নাৰায়ণ ভট্টাচাৰ্য্য, কুল শইকীয়া, বিতোপন বৰবৰা, অপূৰ্ব কুমাৰ শইকীয়া, শিবানন্দ কাকতি, ৰফিকুল হুছেইন, য়েছে দৰজে ঠংচি আদি। নীলাচল, প্ৰকাশ, প্ৰান্তিক আদি আলোচনীয়ে এই সময়ছোৱাৰ গল্পৰ ভেটি মজবুত কৰাত বিশেষ ভূমিকা পালন কৰিছিল।

আশীৰ দশকৰ একেবাৰে আৰম্ভণিৰ পৰাই (১৯৮১) পযেকীয়াকৈ প্ৰকাশ পাই অহা *প্ৰান্তিক* আৰু তাৰ পৰৱৰ্তী দশৰ পৰা মাহেকীয়াকৈ প্ৰকাশ হোৱা *গৰীয়সী*ৰ লগতে *সাতসৰী* আৰু পুনৰ প্ৰকাশ পোৱা *প্ৰকাশ* আদি আলোচনীয়ে অতি-সাম্প্ৰতিক সময়ছোৱাৰ চুটিগল্পৰ উত্তৰণৰ বাট মুকলি কৰিছে। বিগত শতিকাটোৰ নব্বৈ দশকৰ পৰা বৰ্তমানলৈকে গল্প ৰচনাত মনোনিৱেশ কৰা গল্পকাৰসকলৰ ভিতৰতো সম্ভাৱনাই বাস্তৱ ৰূপ দৰ্শাবলৈ সক্ষম হৈছে। মৌচুমী কন্দলি, প্ৰশান্ত কুমাৰ দাস, অনামিকা বৰা, অৰূপ কুমাৰ নাথ, অতনু ভট্টাচাৰ্য, মণিকা দেৰী, অপু ভৰদ্বাজ, মণিকুন্তলা ভট্টাচাৰ্য, মৃণাল কলিতা, সিদ্ধাৰ্থ শংকৰ বেজবৰুৱা, গীতালি বৰা, মনালিছা শইকীয়া, সঞ্জীব পল ডেকা, দিব্যজ্যোতি বৰা, বিপাশা বৰা, জুৰি বৰুৱা, পঞ্চানন হাজৰিকা আদিৰ গল্পই অসমীয়া চুটিগল্পৰ ধাৰাটোক আশাব্যঞ্জক

মাত্রা দিবলৈ সক্ষম হৈছে। উল্লেখোগ্য যে সত্তৰ-আশী দশকৰ আৰম্ভণিতে গল্পকাৰৰূপে আত্মপ্রকাশ কৰা সাম্প্রতিক যুগৰ কেইবাজনো গল্পকাৰে এতিয়াও নিৰলসভাবে অথবা সাময়িক বিৰতিত গল্প লিখি আছে। এনেদৰে যোৱা কেইবাটাও দশক ধৰি এই সময়লৈকে গল্প লিখি থকা গল্পকাৰসকলৰ মাজত এই পাঠৰ অন্তর্ভুক্ত গল্প 'বাঁহফুলৰ গোন্ধ'ৰ গল্পকাৰ য়েছে দৰজে ঠংচিও অন্যতম।

আত্মমূল্যায়ন

(ক) আন যিকোনো সাহিত্যৰ দৰেই অসমীয়া সাহিত্যতো চুটিগল্পৰ উদ্ভৱ, বিকাশ আৰু বিস্তাৰত আলোচনীয়ে বিশেষ ভূমিকা পালন কৰা দেখা যায়। উক্তিটোৰ আধাৰত এই গোটত দিয়া হোৱা অতিৰিক্ত পঠনৰ প্রসংগ পুথিৰ সহায় লৈ অসমীয়া চুটিগল্পৰ ধাৰাটোৰ বিষয়ে বিশদভাৰে আলোচনা কৰক।

(খ) অসমীয়া চুটিগল্পৰ ধাৰাত য়েছে দৰজে ঠংচিৰ স্থান নির্ণয় কৰক।

২.৬.৩ 'বাঁহ ফুলৰ গোন্ধ' গল্পটোৰ গল্পকাৰৰ পৰিচয় ঃ য়েছে দৰজে ঠংচি

১৯৫২ চনৰ ১৩ জুনত নেফাৰ কামেং সীমান্তৰ (বর্তনাম অৰুণাচল প্রদেশৰ পশ্চিম কামেং জিলা) ডোফোলা নদীৰ পাৰৰ জীগাঁও বা জগং গাঁৱত চেৰদুকপেন জনগোষ্ঠীয় এটা পৰিয়ালত য়েছে দৰজে ঠংচিৰ জন্ম হৈছিল। পিতৃৰ নাম আছিল টাছি ফুংছু ঠংচি আৰু মাতৃৰ নাম আছিল ৰিণচিন চোজম খ্রীমে ঠংচি। মাত্র পাঁচ বছৰ বয়সতে পিতৃহাৰা হোৱা ঠংচিৰ স্কুলীয়া দিনৰে পৰা সাহিত্যত ৰাপ আছিল। 'জোনবাই' নামৰ শিশু আৰু কিশোৰৰ উপযোগী আলোচনীখনত একে শিৰোনামৰ 'জোনবাই' নামৰ কবিতাৰে সাহিত্য চর্চা আৰম্ভ কৰা য়েছে দৰজে ঠংচিয়ে প্রথমাৱস্থাত বোমডিলা চৰকাৰী উচ্চতৰ মাধ্যমিক বিদ্যালয়ত পঢ়ি থকা দিনবোৰলৈকে কবিতা আৰু নাটক ৰচনাত মনোনিৱেশ কৰিছিল যদিও পাছলৈ কটন কলেজলৈ পঢ়িবলৈ অহাৰ পাছত প্রথমতে গল্প আৰু তাৰ পাছত উপন্যাস সৃষ্টিত মনোনিৱেশ কৰি সফলতা লাভ কৰে। পাছলৈ অনুবাদৰ লগতো জড়িত হৈ একাধিক উৎকৃষ্ট গ্রন্থ অনুবাদ কৰি উলিয়ায়।

জীগাঁও প্রাথমিক বিদ্যালয়ত শিক্ষাৰম্ভ কৰা ঠংচিয়ে ক্রমে বোমডিলা হাইস্কুল, কটন কলেজ আৰু গুৱাহটী বিশ্ববিদ্যালয়ৰপৰা আনুষ্ঠানিক শিক্ষা সমাপ্ত কৰে।

১৯৭৭ চনত অৰুণাচল প্রদেশৰ অসামৰিক সেৱাৰ বিষয়া হিচাপে কর্মজীৱন আৰম্ভ কৰা য়েছে দৰজে ঠংচিয়ে অৰুণাচল প্রদেশৰ পাঁচখনকৈ জিলা, যেনে— পূব কামেং, টাৱাং, নামনি সোৱণশিৰি, চাংলাং আৰু লোহিত জিলাৰ উপায়ুক্তৰূপে কার্যনির্বাহ কৰিছিল। ১৯৮০ চনত ভাৰতীয় প্রশাসনীয় সেৱালৈ পদোন্নীত হোৱা ঠংচিয়ে ২০১৫ত ভাৰত চৰকাৰৰ তথ্য আয়ুক্ত পদৰ পৰা অৱসৰ গ্রহণ কৰে। বর্তমান ঠংচিয়ে ইটানগৰত নিগাজীকৈ বাস কৰি সাহিত্য চর্চা অব্যাহত ৰাখিছে।

মূলতঃ ঔপন্যাসিক হিচাপে প্রসিদ্ধি লাভ কৰা য়েছে দৰজে ঠংচিৰ প্রথম প্রকাশিত উপন্যাস আছিল *চনম* (১৯৮১)। তাৰ পাছৰে পৰা এতিয়ালৈকে তেখেতে মুঠ নখন উপন্যাস ৰচনা কৰিছে। তাৰে ভিতৰত *লিঙৱিক, শৰ কটা মানুহ, বিষকন্যাৰ দেশত* আদি উল্লেখযোগ্য। *মৌন ওঁঠ মুখৰ হৃদয়* উপন্যাসৰ কাৰণে ঠংচিয়ে ২০০৫ চনত সাহিত্য অকাডেমি বঁটা লাভ কৰে। এতিয়ালৈকে প্রকাশিত চাৰিখন গল্প সংকলনৰ ভিতৰত ২০০০ চনত প্রকাশ পোৱা *পাপৰ পুখুৰী* শীর্ষক প্রথমখন গল্প সংকলনেঅসম সাহিত্য সভাৰ কলাগুৰু বিষ্ণু ৰাভা বঁটা লাভ কৰিছিল। ২০১৭ চনত ঠংচিক অসমীয়া সাহিত্যলৈ তেওঁৰ সামগ্রিক অৱদানৰ কাৰণে ৰিলিয়ামচন মেগৰ ন্যাসৰ অসম উপত্যকা সাহিত্য বঁটা প্রদান কৰা হয়। ২০২০ চনত এই সুযোগ্য সাহিত্যিকগৰাকীক ভাৰত চৰকাৰে পদ্ম সন্মানেৰে বিভূষিত কৰে।

আত্মমূল্যায়ন

(ক) পাঠটোৰ এই অংশত গল্পকাৰৰ চমু পৰিচয় দাঙি ধৰা হৈছে। প্রসংগ পুথি অধ্যয়ন কৰি য়েছে দৰজে ঠংচিৰ বিষয়ে বিশদভাৰে অধ্যয়ন কৰক।

(খ) প্রসংগপুথিৰ সহায় লৈ য়েছে দৰজে ঠংচিৰ সম্পূর্ণ সাহিত্যকর্মৰ এটি চমু খতিয়ন দাঙি ধৰক।

২.৬.৪ য়েছে দৰজে ঠংচিৰ চুটিগল্প

য়েছে দৰজে ঠংচিৰ 'বাঁহ ফুলৰ গোন্ধ'

গল্পকাৰৰ পৰিচিতিত ইতিমধ্যে উল্লেখ কৰা হৈছে যে য়েছে দৰজে ঠংচিয়ে প্ৰথমে মূলতঃ কবিতা আৰু নাটক ৰচনাৰ মাধ্যমেৰে স্কুলীয়া দিনতে সাহিত্য চৰ্চা আৰম্ভ কৰিছিল। কিন্তু অৰুণাচলৰ পৰা অসমলৈ, অৰ্থাৎ, গুৱাহাটীৰ কটন কলেজত পঢ়িবলৈ অহাৰ পাছৰ পৰাহে ঠংচিয়ে গুৰুত্বসহকাৰে গল্প আৰু উপন্যাস লিখাত মনোনিৱেশ কৰে আৰু খুব কম সময়ৰ ভিতৰতে সফলতা লাভ কৰে। কটন কলেজত পঢ়ি থকা অৱস্থাত যতীন গোস্বামীৰ দ্বাৰা সম্পাদিত নতুন প্ৰবাহত ঠংচিৰ প্ৰথম গল্প *দাপোণ* প্ৰকাশ পাইছিল। পাছত এই গল্পটো তেওঁৰ প্ৰথম গল্প সংকলন *পাপৰ পুখুৰীত* অন্তৰ্ভুক্ত কৰা হৈছে। মুঠ ষোল্লটা গল্পৰে সৈতে ২০০০ চনত প্ৰকাশ হোৱা এই গল্প সংকলনটোৰ কাৰণে ঠংচিয়ে সেই বছৰৰ অসম সাহিত্য সভাৰ কলাগুৰু বিষ্ণু ৰাভা বঁটা লাভ কৰিছিল। সংকলনটোৰ একেবাৰে শেষৰ গল্পটো 'পাপৰ পুখুৰী', যিটো গল্পৰ বাহিৰে আন আটাইকেইটা গল্প ১৯৮৩ৰ পৰা ২০০০ৰ ভিতৰত *ৰংভূমি, নতুন প্ৰবাহ, নীলাচল, প্ৰকাশ, অৰুণজ্যোতি, প্ৰান্তিক* আদি বিভিন্ন আলোচনীত প্ৰকাশ হৈছিল। ২০০৫ চনত প্ৰকাশিত *বাঁহ ফুলৰ গোন্ধ* য়েছে দৰজে ঠংচিৰ দ্বিতীয় গল্প সংকলন। সংকলনটোৰ শিৰোনামৰ গল্প 'বাঁহ ফুলৰ গোন্ধ'কে ধৰি মুঠ পোন্ধৰটা গল্প এই সংকলনটোৰ অন্তৰ্ভুক্ত। ইয়াৰ পাছত ২০০৯ চনত এঘাৰটা গল্পৰ সংকলন *অন্য এখন প্ৰতিযোগিতা* প্ৰকাশ পায়। ঠংচিৰ একেবাৰে শেহতীয়া তথা চতুৰ্থ সংকলন হৈছে *ধাৰ আৰু অন্যান্য গল্প* । ষোল্লটা ন-পুৰণি গল্পৰ সমাহাৰেৰে এই সংকলনটো প্ৰস্তুত কৰা হৈছে। উদাহৰণস্বৰূপে, শৈশৱৰ সত্য ঘটনাৰ আলমত ১৯৭২ চনতে লিখা 'খুৰাদেউ আহিব' পুৰণি গল্পটো এই নৱতম সংকলনটোৰ অন্তৰ্ভুক্ত কৰা হৈছে। গল্পটো হোমেন বৰগোহাঞিৰ দ্বাৰা সম্পাদিত *নীলাচলৰ* বিশেষ সংখ্যাত প্ৰকাশ হৈছিল।

২.৬.৪.১ য়েছে দৰজে ঠংচিৰ গল্পৰ বৈশিষ্ট্য

য়েছে দৰজে ঠংচিৰ এতিয়ালৈকে প্ৰকাশিত হোৱা চাৰিওখন গল্প সংকলনৰ গল্পবোৰৰ আধাৰত তেওঁৰ গল্পৰ বৈশিষ্ট্যসমূহ তলত উল্লেখ কৰা হ'ল।

- ঠংচিৰ গল্পবোৰৰ পটভূমি আৰু বিষয়বস্তুৰ দিশটো লক্ষ্য কৰিলে দেখা যে, দুই-এক ব্যতিক্ৰম বাদ দি প্ৰায় সকলোবোৰ গল্পৰে পটভূমি হৈছে অৰুণাচল প্ৰদেশ আৰু মূল বিষয়সমূহ হৈছে অৰুণাচল প্ৰদেশৰ বিভিন্ন জনজাতিৰ জীৱন আৰু তেওঁলোকৰ লোকসংস্কৃতি। ব্যতিক্ৰমৰ উদাহৰণস্বৰূপে *পাপৰ পুখুৰী* গল্প সংকলনৰ তিনিটা গল্পৰ কথা উল্লেখ কৰিব পৰা যায়। গল্পকেইটা হৈছে, ইয়াত 'সীমা নাছিল', 'এলাগী তাচ পাত আৰু চিকাৰ'। এই গল্প তিনিটা ঠংচিৰ আন গল্পবোৰৰ দৰে অৰুণাচলৰ জনজাতীয় জীৱনভিত্তিক নহয়।
- ঠংচিৰ গল্পবোৰত পৰম্পৰাগত চুটিগল্পৰ সকলো উপাদান থাকে আৰু গল্পবোৰ সাধাৰণতে বৰ্ণনাত্মক হোৱা দেখা যায়। গল্পবোৰত নতুন ধৰণৰ বিশেষ সম্পৰীক্ষা পৰিলক্ষিত নহয়। কিন্তু পাঠকৰ মনোযোগ আদ্যোপান্ত ধৰি ৰাখিব পৰা লিখনশৈলীৰে অৰুণাচল প্ৰদেশৰ বিভিন্ন জনজাতিৰ অনাৱিষ্কৃত পৃথিৱীখন আৱিষ্কাৰৰ অভূতপূৰ্ব অভিজ্ঞতা ঠংচিৰ গল্প পঢ়িলে পোৱা যায়।
- পুৰণি আৰু নতুন প্ৰজন্মৰ মাজত সংঘাতৰ বৰ্ণনা ঠংচিৰ গল্পত পোৱা যায়।
- আধুনিকতা আৰু খ্ৰীষ্টান ধৰ্মই কেনেকৈ অৰুণাচল প্ৰদেশৰ জনজাতীয় জীৱনৰ ৰূপ সলনি কৰিছিল বা কৰি আছে, সেই বৰ্ণনা গল্পবোৰৰ বিভিন্ন ঠাইত প্ৰত্যক্ষ-পৰোক্ষভাবে পোৱা যায়। উদাহৰণস্বৰূপে, *বাঁহ ফুলৰ গোন্ধ* সংকলনৰ অন্তৰ্গত 'ৰঙা তৰাৰ আহ্বান' গল্পটোত অৰুণাচলত খ্ৰীষ্টান ধৰ্মৰ প্ৰসাৰৰ প্ৰত্যক্ষ বৰ্ণনা আছে।
- গল্পবোৰৰ ভাষা সাৱলীল আৰু অসমীয়া ভাষাৰ কালিকাৰ যথোচিত প্ৰয়োগ দেখা যায়। সঘনে থলুৱা উপমা, জঁতুৱা ঠাচ, যোজনা-পটন্তৰ আদিৰ সাৰ্থক প্ৰয়োগে গল্পবোৰ সুখপাঠ্য কৰি তোলে। কিন্তু ঠায়ে ঠায়ে চীন-তিব্বতীয় ভাষাৰ প্ৰভাৱো পৰিলক্ষিত হয়।

আত্মমূল্যায়ন

(ক) গল্পকাৰ হিচাপে অসমীয়া সাহিত্যত য়েছে দৰজে ঠংচিৰ স্থান নির্ণয় কৰি এটি প্ৰবন্ধ যুগুত কৰক।

(খ) য়েছে দৰজে ঠংচিৰ গল্পৰ বৈশিষ্ট্যসমূহ তেওঁৰ যিকোনো গল্পৰ পৰা উদাহৰণৰ সৈতে আলোচনা কৰক।

২.৬.৫ য়েছে দৰজে ঠংচিৰ 'বাহ ফুলৰ গোন্ধ'

২০০৫ চনত বনলতাই প্ৰকাশ কৰা য়েছে দৰজে ঠংচিৰ *বাঁহ ফুলৰ গোন্ধ* গল্প সংকলনটোৰ অন্তৰ্গত প্ৰথম গল্পটোৱেই হৈছে 'বাঁহফুলৰ গোন্ধ'। ঠংচিৰ আটাইতকৈ বলিষ্ঠ তথা সফল আৰু পাঠক-সমালোচকৰ মাজত সমাদৃত গল্পকেইটাৰ মাজত এই গল্পটো অন্যতম। গল্প সংকলনটোৰ শিৰোনামৰ এই গল্পটো অৰুণাচল প্ৰদেশৰ চিংগী আৰু দাদা জনগোষ্ঠী দুটাৰ তিনিটা মাত্ৰ মূল চৰিত্ৰক কেন্দ্ৰ কৰি লিখা হৈছে। বাঁহগছৰ ফুল সাধাৰণতে নুফুলে আৰু কাচিৎ কেতিয়াবা ফুলিলে তেতিয়া নানা অপায়-অমংগল, বিশেষকৈ মহামাৰী (প্লেগ, গল্পটোত উল্লেখ থকা অনুসৰি এন্দুৰ বেমাৰ) হয় বুলি বিশ্বাস কৰা হয়। গল্পটোত অৰুণাচলৰ পাহাৰত বাঁহ ফুলাৰ কথা লিখা হৈছে আৰু তাকে কেন্দ্ৰ কৰি গল্পটোৰ মূল কাহিনীভাগ আগবাঢ়ে।

২.৬.৫.১ 'বাঁহ ফুলৰ গোন্ধ' গল্পটোৰ কাহিনীভাগ

গল্পটোৰ আৰম্ভণিতে অৰুণাচলৰ কামেং নদীৰ হঠাতে এটা নোহোৱা-নোপজা ঘটনা সংঘটিত হয়। নদীৰ বুকুত মাছৰ উজান উঠাদি জাকে জাকে এন্দুৰে সাঁতোৰ মেলিছে। ফেনে-ফোটোকাৰে বাঢ়ি অহা ভৰ বাৰিষাৰ কামেং নৈখনকো ভয় নকৰি সাঁতুৰি ইপাৰ-সিপাৰ হোৱা এন্দুৰবিলাকক ৰাতিৰ আন্ধাৰত নৈপৰীয়া গাঁৱৰ জনজাতীয় লোকসকলে চিকাৰ কৰি ধৰিছে আৰু দিনত সেইবোৰৰ নাড়ী-ভুৰু উলিয়াই, জুইত পুৰি (সেকি), ধোৱাচাঙত দুই-তিনিদিনমান ৰাখি শুকুৱাই আলং, পাচিঘাট আদি ঠাইৰ বজাৰত বিক্ৰী কৰিছেগৈ। এইদৰে এন্দুৰ চিকাৰ কৰি বজাৰত বিক্ৰী কৰা মানহবোৰৰ মাজৰে এজন হৈছে চেপা নগৰত মাতুং বুঢ়াৰ ঘৰত থকা থকা জেজুদাদা গাঁৱৰ ডেকা তাৰাক দাদা। তাৰাকৰ উপাধিটোৰ পৰাই গম পোৱা যায় যে তেওঁ অৰুণাচলৰ নিচি সমাজৰ দাদা জনগোষ্ঠীৰ কামেংপৰীয়া ডেকা। নতুনকৈ বিয়া পতা তাৰাকৰ পত্নীৰ নাম মেদাক। তাৰাক আৰু মেদাকৰ বিয়াখনৰ বেছ কিছু সংঘাতৰ পাছতহে হ'ব পাৰিছিল। কাৰণ, চিংগী গোষ্ঠীৰ কন্যা মেদাকৰ বিয়া হৈছিল একে গোষ্ঠীৰে টেৰো চিংগীৰ সৈতে। কিন্তু, মেদাকে নিজেও গোপনে ভাল পাইছিল তাইৰ প্ৰণয়প্ৰাৰ্থী তাৰাকক। সেয়ে টেৰো চিংগীৰ সৈতে বিয়া হৈ দৰাঘৰলৈ যোৱাৰ দিনা গধূলিয়েই সকলো মানুহে নাচ-গান কৰি বিবাহ উৎসৱৰ আনন্দত মতলীয়া হৈ থকাৰ সুযোগত মেদাক পলাই গৈ তাৰাকৰ গাঁও জেজুদাদা পাইছিলগৈ। এই কাৰণেই চিংগী আৰু দাদা জনগোষ্ঠীৰ মাজত বাক-বিতণ্ডা চলিল। কিন্তু মেদাকৰ চিংগী গোষ্ঠীটো আছিল তাৰাকৰ দাদা গোষ্ঠীতকৈ সংখ্যালঘু। সেয়ে মেদাকৰ ফালৰ মানুহে তাইৰ বাবদ দুগুণ কইনাৰ গা-ধন লৈ তাইক তাৰাক দাদালৈ এৰি দিবলৈ বাধ্য হৈছিল। চিংগী জনগোষ্ঠী সংখ্যালঘু নোহোৱা হ'লে কিজানি বিবাদৰ অন্ত নপৰিলহেঁতেন আৰু মেদাককো তাৰাকলৈ যাবলৈ এৰি নিদিলেহেঁতেন।

নৱবিবাহিত তাৰাক আৰু মেদাক চেপা টাউনলৈ গুচি আহি অকলশৰীয়া মাতুং বুঢ়াৰ সৰু ঘৰটোতে আশ্ৰয় লৈ আছিলহি। নিজাকৈ ঘৰ সাজিবলৈ বুলি হাবিত বাঁহ কাটিবলৈ গৈ তাৰাকে জীৱনত প্ৰথমবাৰৰ কাৰণে বাঁহগছত ধানৰ ঠোকৰ দৰে থোপা-থুপে ফুল ফুলা দেখি সেইবোৰ মেদাকক দিবলৈ বুলি লৈ আনে। মেদাকৰ কথা মতে সেই অচিনাকি বস্তুটো (ধান থোকৰ দৰে বাঁহফুল) মাতুং বুঢ়াক দেখুৱায় আৰু বুঢ়াই চিনি পাই অতি আতংকিত হৈ উঠি কয় যে বাঁহ ফুলা মানেই ঘোৰ অমংগল। বাঁহ ফুলিলে এন্দুৰৰ ৰাজত্ব হয়, ধান, মাকৈ, মাৰুৱা আদি সকলো খাই শেষ কৰে আৰু মহামাৰী হৈ গাঁৱৰ পাছত গাঁও উচন যায়।

য়েছে দৰজে ঠংচিৰ 'বাঁহ ফুলৰ গোন্ধ'

কামেং নৈৰ দুয়োপাৰৰ গোটেইবোৰ বাঁহনিতে বাঁহফুলবোৰ ফুলি উঠে। সেই ফুল খাই যৌনশক্তি বৃদ্ধি পোৱা এন্দুৰৰ সংখ্যা অভাৱনীয়ভাৱে বাঢ়ি আহে। কিন্তু বাঁহ ফুলা দেখিয়েই ৰাইজ আৰু চৰকাৰ তৎপৰ হৈ উঠে কাৰণে এন্দুৰে শস্য খালেও মাতুং বুঢ়াই কোৱাৰ দৰে ভয়ংকৰ দুর্ভিক্ষ বা মহামাৰী নহ'ল। ইফালে এন্দুৰ চিকাৰ কৰি বিক্রী কৰি আন বহুতৰে লগতে তাৰাকেও যথেষ্ট পৰিমাণে ধন গোটালে। মাতুং বুঢ়াই এন্দুৰ চিকাৰ কৰাটো একেবাৰে পচন্দ নকৰে, নিজেও নাযায় আৰু তাৰাককো মানা কৰে। মেদাকৰ যক্ষ্মা ৰোগ হয় আৰু মাতুং বুঢ়াই তাইৰ এন্দুৰ বেমাৰ হোৱা বুলি ভয় খুৱাই থাকে। লাহে লাহে বাঁহ ফুলাৰ এবছৰ পাৰ হয়। বাঁহগুটিবোৰ পকি সৰাৰ লগে লগে বাঁহগছবোৰৰো পাত পকি সৰি লঠঙা হয়। গছবোৰ ৰঙচুৱাৰ পৰা ক'লা পৰে। বাঁহগছবোৰ শুকাবলৈ লোৱাৰ লগে লগে এন্দুৰবোৰ মৰিবলৈ ধৰে। চৌপাশ মৰা এন্দুৰৰ দুর্গন্ধৰে ভৰি পৰে। সুদূৰ গুজৰাটৰ চুৰাটত প্লেগ আৰম্ভ হয়। প্লেগ প্রতিকাৰৰ কাৰণে প্রসাশন সষ্টম হৈ উঠে। এন্দুৰৰ মাংস ভক্ষণ আৰু বিক্রী বন্ধ কৰি দিয়ে। কাৰোবাৰ জ্বৰ-কাহ হ'লেই আনৰ পৰা নিলগে থাকিবলৈ আৰু তেনে ৰোগীক প্লেগ প্রতিষেধক কমিটীৰ কার্যালয়ত খবৰ দিবলৈ গাঁৱে গাঁৱে মাইকযোগে ঘোষণা কৰে। এই ঘোষণা শুনাৰ পাছতে মাতুং বুঢ়াই খোৱা ভাত পাততে এৰি উঠি গৈ নিজৰ দাখন উলিয়াই আনে। মেদাকে ভয় খায়, কিজানি বুঢ়াই তাইকে কাটিব। কাৰণ, মেদাকৰ এন্দুৰ বেমাৰ হোৱা বুলি মাতুং বুঢ়াই প্রায়ে কৈ থাকিছিল। কিন্তু দাখন লৈ আনি সেইখন ঘূৰাই ঘূৰাই মাতুং বুঢ়াই গান গাই গাই বয়ো নাচিবলৈহে আৰম্ভ কৰে। ওচৰ-পাজৰৰ মানুহো গোট খাই আৰু বুঢ়াৰ গানত যোগ দিয়ে। গান গোৱাৰ চলেৰে বুঢ়াই কেতিয়াও কাকো নোকোৱা নিজৰ জীৱন কাহিনী ক'বলৈ আৰম্ভ কৰে। গানৰ কথাংশৰ পৰা গম পোৱা যায় যে প্রকৃততে মেদাক মাতুং বুঢ়াৰ নিজৰ নাতিনী। কাৰণ, মেদাকৰ দেউতাকৰ দেউতাক ৰাকাপ আছিল মাতুং বুঢ়াৰ প্রেয়সী য়ানি আৰু মাতুঙৰ প্রেমৰ গোপন সাক্ষৰ। তালি বুঢ়াই বেছিকৈ গা-ধন দি য়ানিক বিয়া কৰাই লৈ যাওঁতে ৰাকাপ য়ানিৰ গর্ভত আছিল। মনৰ দুখত মাতুঙে কেতিয়াও বিয়া-বাৰু নাপাতিলে। সেইবোৰ দিনতে বাঁহফুল ফুলিছিল আৰু মহামাৰীত গাঁৱৰ পাছত গাঁও নিঃশেষ হৈ গৈছিল। অতিশয় সোঁচৰা এন্দুৰ বেমাৰ হোৱা বহুতো মানুহক ঘৰে সৈতে পুৰি মৰাৰ বাহিৰে সেই কালত আন কোনো গত্যন্তৰ নাছিল। মাতুং বুঢ়ায়ো অনেক মানুহ, ঘৰ, গাঁও নিজহাতে পুৰিছিল। সকলো মৰি-হাজি ঘৰে-গাঁৱে উছন যোৱাৰ পাছত অকলে বাচি থাকিল কেৱল মাতুং বুঢ়া। মাতুং বুঢ়াই গান গাই গাই কয় যে এতিয়া মেদাককো তেওঁ পুৰি মাৰিব লাগিব, কাৰণ তাইৰো এন্দুৰ বেমাৰ হৈছে। এইখিনিতে মাতুং বুঢ়াই বয়ো নাচ-গান শেষ কৰি কৰে। মানুহবোৰে মেদাকৰ মহামাৰী হৈছে বুলি ভয় খায়। কিন্তু তাৰাকে মেদাকক চেপা টাউনলৈ ডাক্তৰৰ ওচৰলৈ লৈ যায় আৰু গম পায় যে মেদাকৰ যক্ষ্মা ৰোগ উপশমহে হৈছে। উভতি অহাৰ পথত সিহঁতে ঠিৰাং কৰে যে সিহঁতে আৰু মাতুং বুঢ়াৰ লগত নাথাকে। কিন্তু উভতি আহি পাই দেখে যে বুঢ়াই সিহঁত দুটাৰ বয়-বস্তুবোৰ ঘৰৰ বাহিৰ কৰি দিছে, লগতে বুঢ়াৰ পুৰণা টিনৰ বাকচ এটাও তলা খোলাকৈ পৰি আছে। ঘৰৰ ভিতৰত সোমাই থকাৰে পৰা মাতুং বুঢ়াই চিঞৰি চিঞৰি সেই বাকচটো মেদাকক খুলিবলৈ নির্দেশ দিয়ে। আৰু সেইটো লৈ দুয়োটাকে দূৰলৈ গুচি যাবলৈ কয়। বাকচটো তাদাক, চোংৰে আদি মূল্যৱান পাথৰৰ মণিৰে ভৰি আছিল। সেইবোৰ আছিল মাতুং বুঢ়াৰ মাকৰ সম্পদ। যিমান অভাৱত পৰিলেও সেইবোৰৰ এডাল মণিও বিক্রী নকৰাকৈ বুঢ়াই মেদাকৰ কাৰণেই সাঁচি ৰাখিছিল।

মাতুং বুঢ়াই ঘৰটো ভিতৰৰ পৰা বন্ধ কৰি দিয়ে আৰু চিঞৰি চিঞৰি কাকো ওচৰলৈ আহিবলৈ নিদিয়ে। ঘৰৰ ভিতৰৰ পৰাই বুঢ়াই অতীতৰ আন এক সত্য ব্যক্ত কৰে। বাঁহ ফুলাৰ পাছত হোৱা মহামাৰীত বুঢ়াই আনৰ লগতে নিজৰ মাক-দেউতাক, ভায়েক, ভনীয়েক সকলোকে ঘৰে সৈতে পুৰি মাৰিছিল। মাতুং বুঢ়াই লগতে কয় যে মেদাকৰ নহয়, বৰঞ্চ এতিয়া তেওঁৰ নিজৰে এন্দুৰ বেমাৰ আৰম্ভ হৈছে। পুৰাৰে পৰা বুঢ়াৰ গাত জ্বৰ আৰু কাঁহৰ লক্ষণে দেখা দিছে। কথাখিনি কৈ কৈ মাতুং বুঢ়াই ভিতৰৰ পৰা নিজেই ঘৰটোত জুই লগায় দিয়ে। কোনেও একো কৰিব পৰাৰ আগতেই তাৰাক, মেদাক আৰু সেইখিনিত গোট খোৱা মানুহবোৰৰ সন্মুখতে বুঢ়াৰ ঘৰটো জ্বলি উঠে।

আত্মমূল্যায়ন

(ক) 'বাঁহ ফুলৰ গোন্ধ' মূল গল্পটো সম্পূর্ণকৈ পঢ়ি ওপৰত দিয়া সাৰাংশৰ সৈতে মিলাই চাওক আৰু আপোনাৰ নিজৰ ভাষাত গল্পটোৰ মূল কথাখিনি লিখক।

২.৬.৫.২ 'বাঁহ ফুলৰ গোন্ধ' গল্পটোৰ ভাষা

য়েছে দৰজে ঠংচিৰ আন যিকোনো গল্পৰ দৰেই 'বাঁহ ফুলৰ গোন্ধ' গল্পটোতো সৰল আৰু আৰু সাৱলীল অসমীয়া ভাষাৰ ব্যৱহাৰ পৰিলক্ষিত হয়। গল্পটোৰ বিষয়বস্তু আৰু পটভূমিত যিহেতু অৰুণাচল প্ৰদেশৰ জনগোষ্ঠীয় প্ৰসংগ আছে, সেয়েহে গল্পটোৰ ঠায়ে ঠায়ে তেওঁলোকৰ ভাষাৰ শব্দ ব্যৱহাৰ কৰিছে আৰু পাঠকৰ সুবিধা হোৱাকৈ গল্পকাৰে তেনে শব্দবোৰৰ অৰ্থ মূল পাঠৰ লগত পাদটীকা হিচাপে দি দিছে। দুই এটা শব্দৰ অৰ্থ প্ৰসংগটো অনুসৰিও সহজে অনুমান কৰি ল'ব পৰা যায়। (আপোনাৰ পাঠ্যক্ৰমৰ এই গোটটোৰ শব্দাৰ্থ আৰু টোকাত গল্পটোত ব্যৱহৃত জনজাতীয় মূলৰ শব্দবোৰৰ তালিকা সংযোজিত কৰা হৈছে।)

গল্পটোৰ আৰম্ভণিৰ বাক্যটোৰেই হৈছে, কামেং নৈত এন্দুৰৰ উজান উঠিছে। 'উজান উঠা' খণ্ডবাক্যটো সাধাৰণতে মাছৰ ক্ষেত্ৰত ব্যৱহাৰ হয়। কিন্তু প্ৰসংগৰ লগত খাপ পৰাকৈ শব্দটোৰ সঠিক উপস্থাপন কৰালৈ লক্ষ্য কৰিলেই গল্পকাৰৰ অসমীয়া ভাষাটোৰ ওপৰত থকা দখল অনুমান কৰিব পৰা যায়। কিন্তু গল্পটোৰ আন এঠাইত, ঘোষণাটো শুনি মেদাকৰ মূৰৰ পৰা জীউটো যোৱা যেন লাগিল। বাক্যটোত মূৰৰ পৰা বুলি লিখাটো গল্পকাৰৰ অনিচ্ছাকৃত অমনোযোগ যেন অনুমান হয়। কাৰণ, অসমীয়া ভাষাত কওঁতে বা লিখোঁতে জীউ মূৰৰ পৰা নহয়, বুকুৰ পৰাহে যায়। গল্পটোত যথোচিতভাৱে অসমীয়া ভাষাৰ বিভিন্ন শব্দৰ এনেদৰে ব্যৱহাৰ কৰা হৈছে যে গল্পটো পঢ়ি গ'লে ভাষাটোৰ সুষমা অনুভৱ কৰিব পৰা যায়। তেনে কিছুমান শব্দ বাচি উলিয়াই তলত উদাহৰণস্বৰূপে দিয়া হ'ল।

পুনৰুক্তিবাচক শব্দ ঃ লগে-লগে, লাখ-লাখ, কাটি-কুটি, অস্ত্ৰ-শস্ত্ৰ, ভাগৰি-জুগৰি, থোকা-থোকে, কেঁচা-কেঁচা, মনে-মনে, সপোন-সপোন, ঘঁহি-ঘঁহি, কান্দি-কান্দি

ধ্বন্যাত্মক শব্দ ঃ কেৰ-কেৰ, চেৰেক-চেৰেক

প্ৰতিধ্বন্যাত্মক শব্দ ঃ খেতি-বাতি, কাপোৰ-কানি

জতুৱা ঠাঁচ ঃ জুৰুলি-জুপুৰি, নাভূত-নাশ্ৰুত, লিৰিকি-বিদাৰি, আথে-বেথে

যুৰীয়া শব্দ ঃ ঘৰ-বাৰী, ডাল-পাত, ইপাৰ-সিপাৰ, কাঠ-বাঁহ, হাবি-বননি, বাটে-পথ

আত্মমূল্যায়ন ঃ

(ক) 'বাঁহ ফুলৰ গোন্ধ' গল্পটোত ব্যৱহাৰ হোৱা জনজাতীয় মূলৰ ভাষাৰ শব্দবোৰ বাচি উলিয়াওক আৰু সেইবোৰৰ সাংস্কৃতিক তাৎপৰ্য আলোচনা কৰক।

২.৬.৫.৩ 'বাঁহ ফুলৰ গোন্ধ' গল্পটোৰ চৰিত্ৰ

বাঁহফুলৰ গোন্ধ গল্পটোত তাৰাক, মেদাক আৰু মাতুং বুঢ়া— এই তিনিটা মাত্ৰ চৰিত্ৰ আছে। অৱশ্যে কাহিনীৰ মাজলৈ টেৰো চিংগী, তালি, য়ানি, ছামা, য়াৰো, ৰাকাপ আদি চৰিত্ৰৰ প্ৰসংগ আহি পৰে। এই চৰিত্ৰকেইটাৰ ভিতৰত ছামা আৰু য়াৰোৰ বাহিৰে আটাইকেইটা চৰিত্ৰ পৰোক্ষ আৰু সুপ্ত। গৌণ চৰিত্ৰ ছামা আৰু য়াৰোৰ ভিতৰতো কেৱল য়াৰোৰ মুখত এঠাইত মাত্ৰ এটা সংলাপহে দিয়া হৈছে। মুখ্য চৰিত্ৰ তাৰাক, মেদাক আৰু মাতুং বুঢ়াৰ ভিতৰত গল্পটোৰ কাহিনীত কোনো পূৰ্বানুমান কৰিব নোৱৰা ধৰণৰ জটিল চাৰিত্ৰিক বিন্যাসেৰে আটাইতকৈ আকৰ্ষণীয় চৰিত্ৰটোৰেই হৈছে মাতুং বুঢ়া। গল্পটোত বিশেষ কোনো পৰিৱৰ্তন নঘটা আৰু বৈচিত্ৰ্যহীন তাৰাক আৰু মেদাক সমতলীয় চৰিত্ৰ (Flat Character) হোৱাৰ বিপৰীতে মাতুং বুঢ়া হৈছে এটা গোলাকাৰ চৰিত্ৰ (Round Character)। গল্পটোৰ শেষলৈকে যি উৎকণ্ঠা বৰ্তি থাকে সেয়া মূলতঃ মাতুং বুঢ়াৰ বিচিত্ৰ আৰু অনিশ্চিত কাৰ্য-কলাপৰ মাধ্যমেৰে। পাঠকক বিস্মিত কৰাত মাতুং বুঢ়াৰ চৰিত্ৰতো সফল। আকৌ, সাৰ্থক চুটিগল্পৰ যি নাটকীয় সামৰণি ঘটে, গল্পটোত সেয়াও মাতুং বুঢ়াৰ মাধ্যমেৰেই সাধিত হোৱা দেখা যায়।

আত্মমূল্যায়ন

(ক) 'বাঁহ ফুলৰ গোন্ধ' গল্পটোৰপৰা তলত দিয়া চৰিত্ৰ তিনিটা পুংখানুপুংখভাৱে বিশ্লেষণ কৰক।

(১) মাতুং বুঢ়া

(২) মেদাক

(৩) তাৰাক

২.৬.৬ শব্দার্থৰ টোকা

'বাঁহ ফুলৰ গোন্ধ' গল্পটোত থকা শব্দ কিছুমানৰ অর্থ আৰু টোকা তলত দিয়া হ'ল।

য়েছে দৰজে ঠংচিৰ
'বাঁহ ফুলৰ গোন্ধ'

২.৬.৬.১ অৰুণাচলৰ জনজাতীয় ভাষাৰ শব্দার্থ

গল্পটোত ব্যৱহৃত জনজাতীয়মূলীয় ভাষাৰ শব্দবোৰৰ অর্থ গল্পকাৰে গল্পটোৰ পাদটীকাত উল্লেখ কৰিছে আৰু প্রত্যক্ষভাৱে অর্থৰ উল্লেখ নথকা শব্দৰ অর্থৰ স্পষ্ট ইংগিত গল্পটোৰ মাজতে পোৱা যায়। শব্দসমূহ বর্ণক্রম অনুসৰি দিয়া হৈছে।

কিনো ঃ উপাধি, বংশ
চোংৰে ঃ মূল্যৱান পাথৰৰ এবিধ মণি বা মালা
জমোহ ঃ উপাধি, বংশ
তালাম দাৰাক ঃ বাঁহফুল
তাদাক ঃ মূল্যৱান পাথৰৰ এবিধ মণি
দনি পল ঃ চন্দ্র সূর্য, উপাস্য দেৱতা
নাৰা ঃ বেতেৰে তৈয়াৰী মতা মানুহৰ পিঠিৰ হোৰা
নিদা ঃ বিয়া
বাংনি ঃ পাহাৰৰ মানুহ। পূব কামেং জিলাত থকা নিচি গোষ্ঠী
হাৰাং ঃ ভৈয়ামৰ মানুহ

২.৬.৬.২ অন্যান্য শব্দৰ অর্থ আৰু টোকা

মূল গল্পটোত থকা কিছুমান শব্দৰ অর্থ তলত দিয়া হৈছে। শব্দসমূহ বর্ণানুক্রমিকভাৱে নিদি গল্পটোত উল্লেখৰ ক্রম অনুসৰি দিয়া হৈছে।

উজান ঃ জাক পাতি ওলাই অহা, সাধাৰণতে মাছৰ ক্ষেত্রত ব্যৱহৃত হয়। কিন্তু পাঠত থকা গল্পটোত শব্দটো এন্দুৰৰ ক্ষেত্রত ব্যৱহাৰ কৰা হৈছে।
গিজগিজাই ঃ ঠাহ খাই থকা
তহিলং ঃ ভাঙি-ছিণ্ডি নষ্ট কৰা, উচ্ছন্ন
আওকাণ ঃ মন-কাণ নিদিয়া, অৱহেলা কৰা, মনোযোগ বা গুৰুত্ব নিদিয়া
হাথিয়াৰ ঃ হাতেৰে ব্যৱহাৰ কৰা সঁজুলি, সাজ-সৰঞ্জাম।
খৰালি ঃ বৰষুণ নোহোৱা ঋতু
জুৰুলি-জুপুৰি ঃ তিতি-বুৰি
বগুৱা বাই ঃ চুঁচৰি যোৱা, আঁঠু আৰু হাতেৰে বগাই যোৱা। গল্পটোত লাঠিৰে এন্দুৰ উঠি অহাৰ ক্ষেত্রত ব্যৱহাৰ হৈছে।
নিবিড় ঃ একান্ত, অতি নিকট সম্পর্ক
প্রসন্ন ঃ সন্তুষ্ট
জুৰুলা ঃ দুর্বল, নিশকতীয়া, ক্ষীণ
অঙহী-বহঙী ঃ সম্বন্ধীয়, লগা-ভগা
অতিৰঞ্জিত ঃ ৰহন লগোৱা, কথা বঢ়াই কোৱা অর্থত
অনুৰণন ঃ ধ্বনিৰ পাছত ক্ষীণ হৈ যোৱা ধ্বনি
উদভ্রান্ত ঃ বলিয়াৰ দৰে হোৱা, উদ্বাউল
আলেঙে-আলেঙে ঃ আঁতৰৰ পৰা, মনে মনে
মাৰুৱা ঃ এবিধ শস্য
জাতিষ্কাৰ ঃ জকমকীয়া
আপচু ঃ দেখিবলৈ বা শুনিবলৈ বেয়া, আগঢ়ী, কুশ্রী

২.৬.৭ অনুশীলন

২.৬.৭.১ বোধজ্ঞানৰ অনুশীলন

১। এটা বা দুটা বাক্যৰ ভিতৰত হোৱাকৈ তলত দিয়া প্ৰশ্নকেইটাৰ উত্তৰ কৰক।

(ক) 'বাঁহ ফুলৰ গোন্ধ' গল্পটোত অৰুণাচলৰ কোন দুটা জনগোষ্ঠীৰ মাজত বিবাহকেন্দ্ৰিক বিবাদ হোৱাৰ কথা উল্লেখ কৰা হৈছে?

.....

.....

(খ) মাতুং বুঢ়াই সযতনে তলা মাৰি সাঁচি ৰখা পুৰণা টিনৰ গধূৰ বাকচটোত কি আছিল?

.....

.....

(গ) য়েছে দৰজে ঠংচি অৰুণাচল প্ৰদেশৰ কোন জনগোষ্ঠীৰ লোক?

.....

.....

(ঘ) মেদাকৰ কি ৰোগ হৈছিল?

.....

.....

(ঙ) নদীৰ পানীত সাঁতুৰি অহা এন্দুৰ চিকাৰ কৰিবলৈ কি কি হাথিয়াৰ বা সঁজুলিৰ প্ৰয়োজন হয়?

.....

.....

২। 'বাঁহফুলৰ গোন্ধ' গল্পটোৰ কাহিনীৰ আধাৰত গঠন কৰা তলৰ বাক্যকেইটাৰ খালী ঠাই পূৰ কৰি বাক্যকেইটা সম্পূৰ্ণ কৰক।

(ক) ৰাকাপৰ মাতৃৰ নাম আছিল .....।

(খ) কামেং নৈৰ পাৰৰ ..... গাঁৱত তাৰাকৰ ঘৰ আছিল।

(গ) মাতুং বুঢ়াই চিকচিকীয়া দাখনৰ নালত ধৰি ঘূৰাই ঘূৰাই ..... নাচ নাচিবলৈ আৰম্ভ কৰিছিল।

(ঘ) মাতুং বুঢ়াই মেদাকৰ ..... বেমাৰ হোৱা বুলি কৈছিল।

(ঙ) মেদাকৰ প্ৰথমে .....ৰ লগত সামাজিকভাৱে বিয়া হৈছিল।

২.৬.৭.২ বৈয়াকৰণিক অনুশীলন

(ক) তলত পাঠ্যক্ৰমৰ গল্পটোত উল্লেখ থকা কেইটামান শব্দ দিয়া হৈছে। শব্দকেইটাৰ বিপৰীত অৰ্থসূচক শব্দ কমেও একোটাকৈ লিখক।

ডাঠ .....

আন্ধাৰ .....

গভীৰ .....

নিশা .....

পূৰ্ব .....

দুৰ্বল .....

জীৱিত .....

বিক্ৰী .....

আপচু .....

সৃষ্টি .....

(খ) মূল গল্পটোৰ পৰা উদ্ধৃত কৰা শব্দবোৰৰ প্ৰত্যয় ভাঙি দেখুৱাওক।

বাঁহনি .....
সংগী .....
চিকাৰী .....
সোণালী .....
সেউজীয়া .....
কুমলীয়া .....
আপদীয়া .....
দীঘলীয়া .....
ৰোগী .....
দামী .....

য়েছে দৰজে ঠংচিৰ
'বাঁহ ফুলৰ গোন্ধ'

২.৬.৭.৩ পঠন অনুশীলন

১। (ক) পাঠ্যক্ৰমৰ অন্তৰ্ভুক্ত 'বাঁহফুলৰ গোন্ধ' গল্পটো সম্পূৰ্ণকৈ পঢ়ক আৰু গল্পটোৰ প্ৰয়োগ হোৱা ভাষাৰ বৈচিত্ৰ্যলৈ লক্ষ্য কৰক।

(খ) আপোনাৰ পাঠত দিয়া হোৱা গল্পটোৰ সাৰাংশটো পঢ়ক আৰু মূল গল্পটোৰ সৈতে সাৰাংশটো তুলনা কৰি সঠিক হৈছে নে নাই বিচাৰ কৰক।

(গ) গল্পটোত ব্যৱহৃত অৰুণাচলৰ জনজাতীয় শব্দবোৰ আৰু লোকসংস্কৃতিৰ লগত জড়িত প্ৰসংগবোৰ বিচাৰি উলিয়াওক।

২। তলত মূল গল্পটোৰ পৰা মাতুং বুঢ়াৰ বয়ো নাচৰ বুঢ়াই গোৱা গীতৰ অংশটো থকা পৰিচ্ছেদটো তুলি দিয়া হৈছে। পৰিচ্ছেদটো পঢ়ি মাতুং বুঢ়াৰ লগত মেদাকৰ সম্পৰ্ক আৰু তাৰ লগত জড়িত অতীতৰ কাহিনীটো অনুধাৱন কৰক।

দাখন লৈ আনি বুঢ়াই কিন্তু মেদাকক আক্ৰমণ নকৰিলে। তাৰ সলনি বুঢ়াই দাখনৰ নালত ধৰি ওপৰলৈ তুলি জোকাৰি-জোকাৰি গান গাই বয়ো নাচ নাচিবলৈ আৰম্ভ কৰিলে। বুঢ়াৰ গান শুনি ওচৰৰ পৰা ছামা, য়াৰো আৰু অন্যান্য মানুহবিলাক আহি বুঢ়াৰ চাৰিওফালে হাতত হাত ধৰি ঘূৰণীয়াকৈ নাচিবলৈ আৰম্ভ কৰি দিলে। বুঢ়াই মাজতে নাচি-নাচি গাই গ'ল, মেদাক বোলা এই ধুনীয়া ছোৱালীজনী, তাই হ'ল বৰ আঁকৰী (বাকীসকলে চিঞৰিলে, হয় বৰ আঁকৰী), তাইক মই ঘৰত দিলো আশ্ৰয়, তথাপিও তাই নাপালে চিনি মোক (বাকীবিলাকে হুঁ হুঁ কৰি গৈ থাকিল আৰু মাজে-মাজে বুঢ়াৰ গানৰ কলি দোহাৰি গ'ল।), আজি মই বয়ো নাচ কৰি তাইক দিম মোৰ পৰিচয়, কৈ যাম মোৰ জীৱন-কাহিনী, শুনা কাণ পাতি সকলোৱে। মেদাকৰ দেউতাক ৰাকাপ আছিল মোৰ পুত্ৰ, যি কথা মাক য়ানি আৰু মইহে জানো এই পৃথিৱীত। য়ানি আছিলল মোৰ প্ৰেমিকা, বহুতো মেথোন দি বুঢ়া তালিয়ে তাইক কাঢ়ি নিলে মোৰ পৰা। তালি বুঢ়াৰ ঘৰত সপ্তম মাইকী হৈ নিদা যাওঁতে লৈ গ'ল তাইৰ গৰ্ভত মোৰ সন্তান। ৰাকাপ হব লাগিছিল জমোহ, হ'লগৈ কিনো। মোৰ মনত ফুলিছিল দুখৰ ফুল, পাহাৰত ফুলিছিল বাঁহৰ ফুল, তালাম দাৰাক। এন্দুৰবিলাকে খাই শেষ কৰিলে খেতি-বাতি, মানুহে খাবলৈ নাপাই মৰিবলৈ ধৰিলে ভোকত। শুনা, শুনা, সেই সময়ত আজিৰ দৰে নাছিল হাৰাং, পাহাৰখনত আছিল কেৱল বাংনি। আকালৰ পাছত আহিল এন্দুৰ বেমাৰ, গাঁৱৰ পাছত গাঁও হ'ল উচ্ছন্ন। এন্দুৰ বেমাৰ ধ্বংসৰ কাৰণে আৰম্ভ কৰিলো ঘৰ জ্বলোৱা। এই হাতেৰে পুৰি পেলালো কিমান ঘৰ, কিমান গাঁও। বেমাৰ শেষ হ'ল, পাহাৰ খালী হ'ল। জীয়াই থাকিলো মই এই বুঢ়া বয়সলৈকে। বিয়া মই নকৰালো, সংসাৰ মই নগঢ়িলো, থাকিলো অকলশৰে এনেকৈ। ৰাকাপৰ ছোৱালী মেদাকে নাজানে মই তাইৰ ককাক বুলি। তাৰকে নিদিলে মোক এটুকুৰাও মাংস মেদাকৰ দাম বুলি। মেদাকৰ এতিয়া এন্দুৰ বেমাৰ, ময়েই আকৌ তাইক পুৰি মাৰিব লাগিব ঘৰৰ সৈতে, ভাবি-ভাবি জ্বলে মোৰ বুকু। এয়ে মোৰ বয়ো গান, এয়ে মোৰ ক'ম ক'ম বুলি ভবা মনৰ কথা।

২.৬.৭.৪ লিখন অনুশীলন

(ক) 'বাঁহফুলৰ গোন্ধ' গল্পটোৰ মূল চৰিত্রকেইটাৰ বিশ্লেষণ কৰি এটি আলোচনা যুগুত কৰক।

.....

.....

.....

.....

.....

(খ) য়েছে দৰজে ঠংচিৰ গল্পৰ বৈশিষ্ট্যবোৰ বাঁহ ফুলৰ গোন্ধ গল্পটোৰ মাজেৰে ফুটি উঠিছেনে নাই উদাহৰণসহ আলোচনা কৰক।

.....

.....

.....

.....

.....

(গ) অসমীয়া সাহিত্যত গল্পকাৰ হিচাপে যেছে দৰজে ঠংচিৰ স্থান নির্ণয় কৰি ঠংচিৰ গল্পৰ বিষয়ে লিখক।

.....

.....

.....

.....

.....

(ঘ) বাঁহফুলৰ গোন্ধ গল্পটোত ভাষাৰ প্রয়োগ কেনেধৰণৰ উপযুক্ত উদাহৰণসহ লিখক।

.....

.....

.....

.....

.....

.....

(ঙ) বাঁহফুলৰ গোন্ধ গল্পটোৰ মাজেৰে পৰিস্ফুট হোৱা অৰুণাচলৰ জনজাতীয় সমাজখনৰ বিষয়ে এটি টোকা প্রস্তুত কৰক।

.....

.....

.....

.....

.....

২.৬.৮ উত্তৰ সংকেত

বোধজ্ঞানৰ অনুশীলনৰ উত্তৰ

১। (ক) চিংগী আৰু দাদা

(খ) তাদাক, চোংৰে আদি দামী পাথৰৰ মণি

(গ) চেৰদুকপেন জনগোষ্ঠী

(ঘ) যক্ষ্মাৰোগ

(ঙ) লাঠী আৰু টৰ্চ

২। (ক) য়ানি
(খ) জেজুদাদা
(গ) বয়ো
(ঘ) এন্দুৰ
(ঙ) টেৰো চিংগী

য়েছে দৰজে ঠংচিৰ 'বাঁহ ফুলৰ গোন্ধ'

বৈয়াকৰণিক অনুশীলনৰ উত্তৰ

(ক) ডাঠ ঃ পাতল
আন্ধাৰ ঃ পোহৰ
গভীৰ ঃ তৰাং
নিশা ঃ দিৱস, দিন
পূৰ্ঠ ঃ অপৈণত
দুৰ্বল ঃ সবল, বলবান
জীৱিত ঃ মৃত
বিক্রী ঃ ক্রয়
আপচু ঃ ধুনীয়া, সুগঢ়ী, সুশ্রী
সৃষ্টি ঃ ধ্বংস

(খ) বাঁহনি = বাঁহ + অনি
সংগী = সংগ + ঈ
চিকাৰী = চিকাৰ + ঈ
সোণালী = সোণ + আলী
সেউজীয়া = সেউজ + ঈয়া
কুমলীয়া = কোমল + ঈয়া
আপদীয়া = আপদ + ঈয়া
দীঘলীয়া = দীঘল + ঈয়া
ৰোগী = ৰোগ + ঈ
দামী = দাম + ঈ

২.৬.৯ অতিৰিক্ত পঠনৰ উপদেশ

আপোনালোকে চুটিগল্প, অসমীয়া চুটিগল্প, য়েছে দৰজে ঠংচি আৰু ঠংচিৰ চুটিগল্পৰ বিষয়ে আৰু বিশদভাৱে জানিবৰ কাৰণে তলত উল্লেখ কৰা গ্রন্থসমূহ পঢ়িব পাৰে। পাঠটো প্রস্তুত কৰোঁতে সহায় লোৱাৰ প্রসংগ হিচাপে গ্রন্থসমূহৰ তথ্য MLA পদ্ধতি অনুসৰণ কৰি দিয়া হৈছে যদিও আপুনি গ্রন্থসমূহৰ যিকোনো অথবা শেহতীয়া সংস্কৰণ পঢ়িব পাৰে।

নেওগ, মহেশ্বৰ. *অসমীয়া সাহিত্যৰ ৰূপৰেখা* (৯ম তাঙৰণ), গুৱাহাটি, চন্দ্র প্রকাশ, আগষ্ট, ২০০০।

বৰা, মহেন্দ্র. *সাহিত্য উপক্রমণিকা,* ডিব্রুগড়, বনলতা, ১৯৯১।

বৰুৱা, প্রহ্লাদ কুমাৰ. *অসমীয়া চুটিগল্পৰ অধ্যয়ন,* গুৱাহাটী, বনলতা, ২০০৫।

শর্মা, সত্যেন্দ্রনাথ. *অসমীয়া সাহিত্যৰ ইতিবৃত্ত* (৯ম সংস্কৰণ), অৰুণোদয় প্রেছ, আগষ্ট, ২০০০।

ঠংচি, য়েছে দৰজে. *বাঁহ ফুলৰ গোন্ধ* (৩য় সংস্কৰণ), গুৱাহাটী, বনলতা, অক্টোবৰ, ২০১২।

- -. *হাঁহি আৰু চকুলোৰ শৈশৱ,* গুৱাহাটী, বনলতা, নৱেম্বৰ, ২০১৬।